Q7G5Q2

# অংকুৰণ

বিনামূলীয়া পাঠ্যপুথি

## ষষ্ঠ ভাগ

(ষষ্ঠ শ্ৰেণীৰ বাবে)




শিক্ষা (প্ৰাথমিক) বিভাগ


অসম চৰকাৰ

# বৰেণ্য ব্যক্তিৰ হস্তাক্ষৰ

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ হস্তাক্ষৰ




(মজলা নাতিনৰ পাণ্ডুলিপি)



(পদ্মনাথ গোহাঞি বৰুৱাৰ [illegible])

জয়-প্ৰিয়া।



(বিষ্ণু প্ৰসাদ ৰাভাৰ হস্তাক্ষৰ)

Q7G5Q2

# অংকুৰণ

ষষ্ঠ ভাগ

(পাঠ্য তথা অভ্যাসন পুথি)

ষষ্ঠ শ্ৰেণীৰ বাবে

প্ৰস্তুতকৰ্তা

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম



নাম ..........................................................................

শ্ৰেণী .......................... শাখা .......................... ৰোল নম্বৰ ..........................

বিদ্যালয় .......................................................... চন ..........................

শিক্ষা (প্ৰাথমিক) বিভাগ, অসম চৰকাৰ

**ANKURAN : SHASTHA BHAG** - A textbook on First Language in Assamese for Class VI for Assamese medium schools of the State, developed by SCERT, Assam, through workshops in the year 2013 and published by The Assam State Textbook Production and Publication Corporation Limited on behalf of Govt. of Assam.

**Free Textbook.**

---

**ALL RIGHTS RESERVED:** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the SCERT, Assam.

**গ্ৰন্থস্বত্ব** ঃ **ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**

**প্ৰথম প্ৰকাশ** ঃ **২০১৩**

ঃ 70 GSM **কাগজত মুদ্ৰিত পাঠ্যপুথি**

**প্ৰকাশক** ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

**মুদ্ৰক** ঃ **অলিম্পিয়া পিকচাৰ প্ৰডাক্টচ্**
**বামুণীমৈদাম, গুৱাহাটী**

**ডাঃ ৰনোজ পেগু,** এম. বি. বি. এছ
মন্ত্ৰী, অসম

শিক্ষা, ভৈয়াম জনজাতি আৰু
পিছপৰা শ্ৰেণী কল্যাণ বিভাগ



## শুভেচ্ছাবাণী...

বিদ্যায়তনিক শিক্ষাৰ প্ৰধান আহিলা হৈছে পাঠ্যপুথি। পাঠ্যপুথিৰ মাজেৰেই ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ অন্বেষণ কৰে। ছাত্ৰ-ছাত্ৰীসকলেই আমাৰ ৰাজ্যৰ তথা আমাৰ দেশৰ ভৱিষ্যতৰ মূল সম্বল। মানৱ সভ্যতাৰ ধাৰা শিক্ষাৰ দ্বাৰাই প্ৰভাৱান্বিত হয়। এই উপলব্ধিৰেই বৰ্তমান চৰকাৰে শিক্ষা ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন আৰু জীৱনৰ লক্ষ্য পূৰণ তথা ৰাজ্যৰ কল্যাণৰ হেতুকে আগুৱাই যোৱাৰ বাবে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি আছে। 'প্ৰজ্ঞান ভাৰতী'ৰ অধীনস্থ বিনামূলীয়া পাঠ্যপুথিৰ অধীনত 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া পাঠ্যপুথিৰ অবিৰত যোগান ধৰি আহিছে। ২০২০ চনৰ পৰা আমাৰ চৰকাৰে এই আঁচনি স্নাতক শ্ৰেণী পৰ্য্যন্ত সম্প্ৰসাৰিত কৰি আহিছে। সমগ্ৰ ৰাজ্যত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তিকৰণৰ মাচুল ৰেহাইৰ ঘোষণাৰে এক যোগাত্মক পদক্ষেপ লৈ থকা হৈছে। সমাজৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। লগতে মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীক সমবেশ (ইউনিফৰ্ম) যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। 'আনন্দৰাম বৰুৱা আঁচনি'ৰ জৰিয়তে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক 'লেপ্‌টপ্' বা তাৰ বিনিময়ত আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ বাট সেন্দুৰীয়া কৰি তোলাৰ মহান উদ্দেশ্য সাৰোগত কৰি ৰূপায়ণ কৰি অহা 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অন্তৰ্ভুক্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ দৰে পৱিত্ৰ কৰ্মযজ্ঞ সম্পাদন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম মাধ্যমিক শিক্ষা পৰিষদ, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ তথা অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ কৰ্মতৎপৰতাক মই শলাগ লৈছো। শিক্ষাৰ্থীসকলে নিৰলস জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি মই আশা ৰাখি আন্তৰিকতাৰে শুভেচ্ছা জ্ঞাপন কৰিলো।

(ডাঃ ৰনোজ পেগু)
শিক্ষামন্ত্ৰী, অসম

# ষষ্ঠ শ্ৰেণীৰ ভাষাৰ পাঠ্যপুথি প্ৰস্তুতকৰণত জড়িত ব্যক্তিসকল

### পাঠ প্ৰস্তুত প্ৰক্ৰিয়াত জড়িত ব্যক্তিসকল

গৌৰী কান্ত ভূএগ্ৰা, অৱসপ্ৰাপ্ত প্ৰঃ শিঃ , নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী
মীৰা শৰ্মা, অৱসৰপ্ৰাপ্ত প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী
নীল শৰ্মা, প্ৰবক্তা, বাণীকান্ত অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান, গুৱাহাটী
হৰেকৃষ্ণ ভূএগ্ৰা, প্ৰবক্তা, বনভাগ কলেজ, নলবাৰী
হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি, বিষয় শিক্ষয়িত্ৰী, সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী
ড° সন্ধ্যা পাঠক, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ
ৰূপালী হাজৰিকা বৰুৱা, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শোণিতপুৰ
গীতাঞ্জলি দেৱী, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা
শাৰদী ভট্টাচাৰ্য, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ

### সংকলক আৰু সম্পাদক

হৰেকৃষ্ণ ভূএগ্ৰা, প্ৰবক্তা, বনভাগ কলেজ, নলবাৰী
নীল শৰ্মা, প্ৰবক্তা, বাণীকান্ত অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান, গুৱাহাটী
হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি, বিষয় শিক্ষয়িত্ৰী, সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী
গীতাঞ্জলি দেৱী, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা
ৰূপালী হাজৰিকা বৰুৱা, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শোণিতপুৰ
শাৰদী ভট্টাচাৰ্য, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ
ড° যুতিফুল বৰুৱা, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

### পুনৰীক্ষক তথা ভাষা বিশেষজ্ঞ

ড° ৰমেশ পাঠক, সাহিত্যাচাৰ্য, অৱসৰপ্ৰাপ্ত অধ্যাপক, কটন কলেজ, গুৱাহাটী
ড° লীলাৱতী শইকীয়া, অধ্যাপিকা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
মীৰা শৰ্মা, অৱসৰ প্ৰাপ্ত প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী
হৰেকৃষ্ণ ভূএগ্ৰা, প্ৰবক্তা, বনভাগ কলেজ, নলবাৰী

### অলংকৰণ বিশেষজ্ঞ

শ্ৰীযুত বেনু মিশ্ৰ

### আৰ্হি পাঠক

হৰেকৃষ্ণ ভূএগ্ৰা, প্ৰবক্তা, বনভাগ কলেজ, নলবাৰী
ৰূপালী হাজৰিকা বৰুৱা, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শোণিতপুৰ
শাৰদী ভট্টাচাৰ্য, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ

### ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সমল ব্যক্তি

ড° সুস্মিতা সূত্ৰধৰ দাস, ৰিডাৰ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী
ড° মিজো প্ৰভা বৰা, প্ৰবক্তা আৰু মুৰব্বী, ভাষা বিভাগ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

### সমন্বয়কমণ্ডলী

ড° অজন্তা ব্ৰহ্ম, ৰিডাৰ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী
ড° যুতিফুল বৰুৱা, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী
শুৱলা দত্ত শইকীয়া, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী
লক্ষ্মী কান্ত দাস, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী
গুণাভি ৰাম বড়া, চিত্ৰশিল্পী, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

### অলংকাৰক

শংকৰ কলিতা, দখলা, পলাশবাৰী

### ডি টি পি আৰু সজ্জিতকৰ্তা

ৰাতুল দাস (ডি টি পি)
নিভা ৰানী দাস (ডি টি পি)
ৰূপালী হাজৰিকা, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শোণিতপুৰ
শাৰদী ভট্টাচাৰ্য, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ
ড° যুতিফুল বৰুৱা, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

# শিক্ষক-শিক্ষয়িত্ৰীয়ে মন কৰিবলগীয়া কথা

ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা ২০০৫ ৰ আধাৰত ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰা পাঠ্যপুথি আৰ্হিৰূপে লৈ অসম ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে পূৰ্বৰ শৈক্ষিক ধাৰা আৰু দৰ্শন প্ৰতিফলিত হোৱাকৈ ষষ্ঠ শ্ৰেণীৰ পাঠ্যপুথি 'অংকুৰণ' প্ৰস্তুত কৰি উলিয়াইছে। এই পাঠ্যপুথিখনৰ পাঠসমূহ শ্ৰেণীত আদান-প্ৰদান কৰোঁতে শিক্ষক-শিক্ষয়িত্ৰীসকলে সততে দৃষ্টি ৰাখিবলগীয়া দিশসমূহ তলত উল্লেখ কৰা হ'ল —

১) পাঠ্যপুথিখনত বিভিন্ন প্ৰকাৰৰ মুঠ পোন্ধৰটা পাঠ সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ ভিতৰত পদ্য/কবিতা, সাধু, নাটিকা, কাহিনী, জীৱনী, প্ৰবন্ধ আৰু ভ্ৰমণ-কাহিনী উল্লেখযোগ্য।

২) পাঠ আদান-প্ৰদানৰ বাবে নিৰ্দ্ধাৰিণ কৰা ক্ৰিয়া-কলাপসমূহ, ক — পাঠভিত্তিক ক্ৰিয়া, খ — ভাষা-অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ), গ — জ্ঞান সম্প্ৰসাৰণ, ঘ — প্ৰকল্প, এই চাৰিটা ভাগত ভাগ ক ৰা হৈছে। পাঠসমূহ এনেদৰে প্ৰস্তুত কৰা হৈছে যাতে ছাত্ৰ-ছাত্ৰীয়ে নিজাববীয়াকৈ ক্ৰিয়া-কলাপ কৰি জ্ঞান আহৰণ কৰিব পাৰে আৰু অৰ্হতা আয়ত্ত কৰিব পাৰে।

৩) পাঠ্যপুথিখনত পূৰ্বাভাস হিচাপে পাঠৰ আৰম্ভণিতে দিয়া কথাখিনিয়েই সকলো পাঠৰ বাবে যথেষ্ট নহ'ব পাৰে। গতিকে পাঠৰ লগত সংগতি ৰাখি ক্ৰিয়া-কলাপ দি পাঠটো আগবঢ়াই নিব।

৪) নিৰ্দিষ্ট পাঠৰ আলমত পাঠভিত্তিক ক্ৰিয়া-কলাপৰ অনুশীলন কৰাব। ব্যাৱহাৰিক ব্যাকৰণৰ ক্ৰিয়া-কলাপ পাঠত থকা ব্যাকৰণৰ আধাৰত প্ৰস্তুত কৰা হৈছে। এই ক্ৰিয়া-কলাপ শিকাৰুৰ বাবে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ভাষাৰ একো একোটা অংশস্বৰূপহে। তদুপৰি প্ৰয়োজন অনুসৰি ব্যাকৰণৰ প্ৰাৰম্ভিক ধাৰণা দিবলৈ চেষ্টা কৰা হৈছে। ব্যাকৰণৰ ধাৰণা দিওঁতে পাঠৰ লগত সংগতি ৰাখি ক্ৰিয়া-কলাপ কৰাব। লগতে সত্যনাথ বৰাৰ 'বহল- ব্যাকৰণ', ড° গোলোক চন্দ্ৰ গোস্বামীৰ 'অসমীয়া ব্যাকৰণ-প্ৰৱেশ', 'গোলোক ব্যাকৰণ' পুথিৰ সহায় ল'ব।

৫) আগতে শিকি অহা যুক্তাক্ষৰবোৰ অনুশীলন কৰাব।

৬) পাঠত লাভ কৰা অভিজ্ঞতা আৰু ছাত্ৰ-ছাত্ৰীয়ে দৈনন্দিন জীৱনত লাভ কৰা অভিজ্ঞতাৰ লগত সামঞ্জস্য ৰাখি জ্ঞান-সম্প্ৰসাৰণৰ ক্ৰিয়া-কলাপ কৰাব।

৭) কবিতা পাঠ আদান-প্ৰদান কৰোঁতে শুদ্ধ উচ্চাৰণৰ প্ৰতি দৃষ্টি ৰাখিব আৰু আবৃত্তি কৰিব পৰাটো নিশ্চিত কৰিব।

৮) বিষয়বস্তু আয়ত্ত কৰিব পৰাকৈ নাটক, কথোপকথন আদিৰ মাধ্যমেৰে পাঠ অনুশীলন কৰাব।

৯) পাঠ্যপুথিত দিয়া প্ৰতিষ্ঠিত কবি/সাহিত্যিকৰ কবিতা, গল্প, প্ৰবন্ধ আদি পঢ়াওঁতে ছাত্ৰ-ছাত্ৰীক সেই লেখকৰ ৰচনাশৈলীৰ লগত পৰিচয় কৰাব আৰু সেই সময়ত প্ৰচলিত ভাষাৰ লগতো পৰিচয় কৰাব।

১০) প্ৰকল্পসমূহ ছাত্ৰ-ছাত্ৰীয়ে নিজে কৰাটো নিশ্চিত কৰিব; কিয়নো প্ৰকল্পৰ জৰিয়তে পৰ্যৱেক্ষণ, বিশ্লেষণ আৰু সিদ্ধান্ত গ্ৰহণৰ দক্ষতা বাঢ়ে। স্থানীয় কলা-সংস্কৃতি, উৎসৱ-পাৰ্বণ আৰু বিভিন্ন বিষয়বস্তুৰ তথ্য সংগ্ৰহৰ বাবে ক্ষেত্ৰভ্ৰমণৰ ব্যৱস্থা কৰি শিকাৰুক বাস্তৱ অভিজ্ঞতা লাভ কৰিবলৈ সুবিধা দিব। প্ৰকল্পৰ কামত শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰয়োজন সাপেক্ষে সহায় কৰিব।

১১) পাঠসমূহৰ জৰিয়তে অতিৰিক্ত তথ্য 'জানো আহা' শিতানত চমুকৈ সংযোগ কৰি দিয়া হৈছে। নিৰ্দিষ্ট পাঠৰ লগত সংগতি থকা এই তথ্যবোৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে পঢ়ে, তাৰ প্ৰতি শিক্ষক-শিক্ষয়িত্ৰীয়ে নজৰ দিব।

১২) এবাৰতে শিকনীয় দিশৰ ধাৰণা স্পষ্ট নহ'লে দুৰ্বলতাখিনি চিনাক্ত কৰি পুনৰ শিকাব।

১৩) প্ৰয়োজন হ'লে শ্ৰেণীৰ বাহিৰতো ক্ৰিয়া-কলাপ কৰাব পাৰে।

১৪) বহুভাষিক পৰিৱেশত শিক্ষা গ্ৰহণ কৰা শিশু আৰু বিশেষভাৱে সক্ষম শিশুৰ প্ৰতি গুৰুত্ব দিব। বিশেষভাৱে সক্ষম শিশুৰ শাৰীৰিক আৰু মানসিক প্ৰকাৰ অনুসৰি বহা স্থানৰ বিশেষ সুবিধা কৰি দিব। ক্ৰিয়া-কলাপ অনুশীলনৰ ক্ষেত্ৰতো তেওঁলোকৰ প্ৰতি বিশেষভাৱে যত্ন ল'ব।

১৫) পাঠদান কৰিবলৈ যোৱাৰ পূৰ্বে পাঠৰ আঁচনি আৰু শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰি ল'ব। শ্ৰেণীকোঠাত পাঠটো আৰম্ভ কৰাৰ আগে আগে সেই পাঠটোৰ পটভূমি ব্যাখ্যা কৰিব আৰু ছাত্ৰ-ছাত্ৰীৰ পূৰ্বজ্ঞানৰ বুজ ল'ব।

১৬) শিকনীয় দিশত প্ৰয়োজন সাপেক্ষে অভিভাৱক/সমাজৰ সমল ব্যক্তিৰ লগত সম্পৰ্ক স্থাপন কৰি সহযোগিতা বিচাৰিব।

১৭) প্ৰতিটো পাঠৰ শেষত অৰ্হতাসমূহ দিয়া হৈছে। লগতে শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়নৰ তালিকা সন্নিবিষ্ট কৰা হৈছে। অৰ্হতা আয়ত্ত হ'লে তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ দিব আৰু নহ'লে ✕ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব। মূল্যায়ন কৰাৰ অন্তত শিক্ষকে তাৰিখসহ চহী কৰিব।

১৮) বৰ্ণক্ৰম ৰক্ষা কৰি পাঠত থকা কিছুমান কঠিন শব্দৰ অৰ্থ 'শব্দ সম্ভাৰ'ত দিয়া হৈছে। সেই শব্দ সম্ভাৰে অৰ্থ জানি লোৱাত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।

১৯) ক্ৰিয়া-কলাপ অনুশীলনৰ ক্ষেত্ৰত দলগত, যুঁৰীয়া, সমূহীয়া আৰু ব্যক্তিগত শিকনত গুৰুত্ব আৰোপ কৰিব। 'শিকা আৰু পুনৰ শিকা' সূত্ৰক বাস্তৱায়িত কৰিব।

২০) প্ৰতিটো পাঠ পঢ়োৱাৰ পাছত শ্ৰুতলিপি দিয়াৰ ব্যৱস্থা কৰিব।

২১) আখৰ জোঁটনি আৰু শব্দাৰ্থৰ ক্ষেত্ৰত বিশেষকৈ 'চন্দ্ৰকান্ত অভিধান' আৰু 'অসমীয়া হেমকোষ'কৈ আধাৰস্বৰূপে গ্ৰহণ কৰা হৈছে। প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰিব আৰু ছাত্ৰ-ছাত্ৰীকো অভিধান ব্যৱহাৰ কৰিবলৈ শিকাব।

ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা ২০০৫ ৰ অনুসৰি শিকাৰুৰ সৃজনশীল প্ৰতিভা বিকাশ আৰু উদ্ভাৱনমূলক চিন্তা-চেতনাক অধিক গুৰুত্ব দিয়া হৈছে ; এই দিশত কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ দায়িত্ব শিক্ষক-শিক্ষয়িত্ৰীৰ। শিকাৰুৱে যাতে নিজাববীয়াকৈ মতামত আগবঢ়াব পাৰে আৰু পাঠদান প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰে, তাৰ ওপৰত গুৰুত্ব দিব। মুঠতে, শ্ৰেণীকক্ষত পাঠবোৰৰ সঠিক উদ্দেশ্য সাধনৰ বাবে সকলো কৰণীয় শিক্ষকমণ্ডলীয়ে সম্পন্ন কৰিব।

---

**ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিবলৈ কেনেদৰে QR CODE ব্যৱহাৰ কৰিব:**

আপোনাৰ মোবাইলৰ ব্ৰাউজাৰত diksha.gov.in/app type কৰক আৰু install button স্পৰ্শ কৰক ।

OR

Google Play Store ত DIKSHA search কৰক আৰু App টো ডাউনলড কৰিবলৈ Install Button টো স্পৰ্শ কৰক।

**মোবাইলত QR Code ব্যৱহাৰ কৰি কেনেকৈ ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিব পাৰি—**

1) অগ্ৰাধিকাৰ দিয়া ভাষাটোক নিৰ্বাচন কৰক।
2) আপোনাৰ ভূমিকা বাছনি কৰক-ছাত্ৰ/শিক্ষক/অন্য
3) QR Code Scan কৰিবলৈ QR ক'ডৰ আইকনটোত স্পৰ্শ কৰক।
4) প্ৰৱেশ অনুমোদন কৰক আৰু এপ ব্যৱহাৰৰ অনুমতি দিয়ক।
5) পাঠ্যপুথিৰ QR Codeত Camera কেন্দ্ৰীভূত/ দৃষ্টিপাত (Focus) কৰক।
6) QR Code সম্পৰ্কিত হৈ থকা বিষয়বস্তু প্ৰদৰ্শন কৰিবলৈ ক্লিক কৰক।

**Desktop অত QR Code ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কেনেদৰে উপলব্ধ কৰিব পাৰি**

1) QR Codeৰ তলত আপুনি ছটা অংকবিশিষ্ট সংখ্যাটো (ডায়েল কোড) দেখিব।
2) আপোনাৰ ব্ৰাউজাৰত Diksha.Gov.in/as/get টাইপ কৰক।
3) ৬ অংকৰ ডায়েল ক'ডটো আপোনাৰ Desktopৰ চাৰ্চবাৰডালত লিখক।
4) উপলব্ধ বিষয়বস্তুৰ তালিকা নিৰীক্ষণ কৰক আৰু নিজৰ পছন্দৰ বিষয়বস্তুত ক্লিক কৰক।

# সূচীপত্ৰ


| | | |
|---|---|---|
| ১। | সবাতোকৈ আপোন | ০ — ৫ |
| ২। | বুধিয়ক বীৰবল | ৬ — ১২ |
| ৩। | অসমীয়া ভাষাৰ বিকাশৰ কথা | ১৩ — ২০ |
| ৪। | বিহু আদৰণি | ২১ — ২৭ |
| ৫। | গুৰুদক্ষিণা | ২৮ — ৩৬ |
| ৬। | মিত্ৰামিত্ৰ | ৩৭ — ৪৭ |
| ৭। | ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা | ৪৮ — ৫৯ |
| ৮। | বেবেৰিবাং | ৬০ — ৬৮ |
| ৯। | আইতাক মই কিদৰে পঢ়িবলৈ শিকালোঁ | ৬৯ — ৭৮ |
| ১০। | মহীয়সী হেলেন কেলাৰ | ৭৯ — ৮৬ |
| ১১। | সঞ্চয় | ৮৭ — ৯৪ |
| ১২। | মনোৰম মাজুলী | ৯৫ — ১০৫ |
| ১৩। | আৱিষ্কাৰৰ কাহিনী | ১০৬ — ১১৬ |
| ১৪। | স্কাউট আৰু গাইড | ১১৭ — ১২৫ |
| ১৫। | মহো-হো গীত | ১২৬ — ১৩২ |
| | *শব্দ সম্ভাৰ* | ১৩৩ — ১৩৬ |

পাঠ ১

# সবাতোকৈ আপোন

A9L1G1

*প্ৰতিজন মানুহৰে জন্মদাত্ৰী আই, জন্মভূমি আৰু মাতৃভাষা অতিকৈ আপোন। তিনিওগৰাকী মাতৃ সকলো সময়তে, সকলো পৰিৱেশতে পূজনীয়া। এইসকল মহান মাতৃৰ যোগেদি জগতখন চিনিব, জানিব আৰু বুজিব পাৰি। কবিতাটিৰ জৰিয়তে কবিয়ে ওপজা ঠাইখনক ভিত্তি কৰি মাতৃ আৰু মাতৃভাষাৰ সহায়ত পৃথিৱীত যে আগুৱাই যাব পাৰি, সেই কথা প্ৰকাশ কৰিছে।*

হয়তো নহ'ব পাৰে মোৰ আই *সবাতো শুৱনি,
তথাপি আপোন মোৰ আই,
গছ লতা ফুলে ভৰা এইখন ধুনীয়া ধৰণী
তেৱেঁ মোক দিলেহি চিনাই।





হয়তো নহ'ব পাৰে মোৰ দেশ সবাতো চহকী
তথাপি আপোন মোৰ দেশ,
ইয়াৰ নগৰ গাঁও জান-জুৰি প্ৰাণৰ চিনাকি
যাৰ নাই মহিমাৰ শেষ।



হয়তো নহ'ব পাৰে মোৰ ভাষা সবাতো সুৰীয়া
তথাপি আপোন এই ভাষা,
তাৰেই প্ৰকাশ কৰোঁ অন্তৰৰ ভাব কুমলীয়া
সুখ দুখ স্নেহ শান্তি আশা।



মোৰ আই, মোৰ দেশ, মোৰ ভাষা ভাল পাওঁ
তাৰে মই চিনিম জগত,
সুবিশাল পৃথিৱীত হাতে হাতে ধৰাধৰিকৈ
খোজ দিম সবাৰে লগত।

*কবি — নৰকান্ত বৰুৱা*

*(উৎস ঃ মৰুৱা ফুল, পৃষ্ঠা - ১২৮, সম্পাদনা - নৰকান্ত বৰুৱা, পঞ্চম প্ৰকাশ, ২০০৮, প্ৰকাশক ঃ অসম প্ৰকাশন পৰিষদ।)*

**কবিয়ে সবাতেকৈ, সবাতো, সবাৰে আদি আখৰ-জোঁটনি দিছে যদিও 'অসমীয়া হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধানত' 'সৰ' ৰূপহে আছে। কবিতাটোত কবিৰ বৰ্ণ বিন্যাসত আমি হাত ফুৰোৱা নাই।*

## কবি পৰিচয়

**নৰকান্ত বৰুৱা (১৯২৬-২০০২ চন)**— কবি, ঔপন্যাসিক আৰু শিশু-সাহিত্যিক নৰকান্ত বৰুৱা অসমীয়া সাহিত্যজগতৰ অতি পৰিচিত নাম। 'এখুদ ককাইদেউ' ছদ্ম নামেৰে বহু শিশু-সাহিত্য ৰচনা কৰা এইজন সাহিত্যিকে 'ককাদেউতাৰ হাড়' নামৰ উপন্যাসৰ বাবে *'সাহিত্য অকাডেমী বঁটা'* লাভ কৰিছিল। তদুপৰি তে খেতে *'অসম প্ৰকাশন পৰিষদ বঁটা'*, *'অসম উপত্যকা সাহিত্য বঁটা'* লাভ কৰিছিল আৰু ভাৰত চৰকাৰৰ *'পদ্মভূষণ'* সন্মানেৰে বিভূষিত হৈছিল। তেখেত অসম সাহিত্য সভাৰ সভাপতিও হৈছিল।

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া

**শব্দৰ অৰ্থ জানো আহা**

| | | |
|---|---|---|
| সবাতো | — | সকলোতকৈ |
| মহিমা | — | মাহাত্ম্য, প্ৰতাপ, গৌৰৱ |
| সুৱীয়া | — | শুৱলা |
| কুমলীয়া | — | কম বয়সীয়া, অপূৰঠ |
| সুবিশাল | — | বৰ ডাঙৰ, বৰ বহল |
| চহকী | — | ধনী |

১) কবিতাটি শুদ্ধ উচ্চাৰণেৰে স্পষ্টকৈ পঢ়া।

২) কবিতাটি আবৃত্তি কৰা।

৩) কোৱা আৰু লিখা।

(ক) কবিয়ে কাক কাক সবাতোকৈ আপোন বুলি কৈছে?

(খ) কবিয়ে প্ৰাণৰ চিনাকি বুলি কাৰ কাৰ কথা কৈছে?

(গ) কবিতাটিত অন্তৰৰ ভাব কিহেৰে প্ৰকাশ কৰা বুলি কোৱা হৈছে?

(ঘ) কবিয়ে জগতখন কাৰ কাৰ যোগেদি চিনি পাবলৈ আশা কৰিছে?

(ঙ) সুবিশাল পৃথিৱীত কাৰ স'তে, কেনেকৈ খোজ দিবলৈ কবিয়ে ইচ্ছা কৰিছে?

৪) কবিতাটিৰ মূলভাব লিখা।

৫) পাঠৰ পৰা অন্ত্যধ্বনি মিল থকা শব্দবোৰ মিলাই লিখা।

**উদাহৰণ—** আই — চিনাই




**খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)**

৬) নিৰ্দিষ্টতাবাচক প্ৰত্যয় টো, টি, জন, জনী, খন, খনি ব্যৱহাৰ কৰি তলৰ শব্দবিলাক নতুনকৈ লিখা। (যেনে — এইখন ধুনীয়া ধৰণী। এই + খন = এইখন)

তিৰোতা, ছাতি, কেঁচুৱা, ঘৰ, কিতাপ, ছোৱালী, ফুলনি, নৈ, পৰ্বত

৭) বাক্য ৰচনা কৰা।

শুৱনি, সুৰীয়া, ধুনীয়া, চহকী, কুমলীয়া, সুবিশাল

৮) কবিতাটিৰ পৰা যুৰীয়া শব্দবোৰ বিচাৰি লিখা।

**উদাহৰণ** — জান-জুৰি

৯) তলত দিয়া শব্দসমূহৰ নঞৰ্থক ৰূপবোৰ লিখা।

| | | | |
|---|---|---|---|
| হ'ব | নহ'ব | খেলোঁ | |
| ধোওঁ | | যাম | |
| শুনা | | দিম | |
| কৰোঁ | | লিখোঁ | |

১০) কবিতাটিত থকা বিশেষ্য আৰু বিশেষণ পদবোৰ বাছি উলিয়াই লিখা।

## গ— জ্ঞান সম্প্ৰসাৰণ

১১) উপযুক্ত শব্দৰে খালী ঠাই পূৰ কৰা।

(ক) মই মোৰ আইক ____________ পাওঁ।

(খ) মই মোৰ মাতৃভাষাক ____________ কৰোঁ।

(গ) আমি আমাৰ স্বদেশক লৈ ____________ বোধ কৰোঁ।

১২) তলৰ স্তবকসমূহ দলীয়ভাৱে পঢ়া আৰু কোনটো স্তবক কাৰ উদ্দেশ্যে ৰচিত হৈছে কোৱা।

(ক) মেলিলোঁ প্ৰথম চকু
তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত;

(খ) কোনে মোক তুলি-তালি কৰিলে ডাঙৰ
মউসনা মিঠা মাতে পাহৰি ভাগৰ;

(গ) চিৰ চেনেহী মোৰ ভাষা জননী



১৩) অসমৰ যিকোনো তিনিগৰাকী শিশু-সাহিত্যিকৰ নাম লিখা।

___________________________________

___________________________________

___________________________________

১৪) তোমাৰ জন্মভূমিৰ বিষয়ে দহটা বাক্য লিখা।

১৫) তোমাৰ জন্মদাত্ৰী মাতৃৰ বিষয়ে এটি কৱিতা ৰচনা কৰা।

১৬) সাঁথৰ ভাঙা—

(ক) নাকত বহি
কাণত ধৰে
এনে কি বস্তু
ভাল পায় নৰে?

(খ) ক আইটি টপৰাই,
কাটি নিলে বাঢ়ি যায়।



(গ) দি মৰিল কোন?

(ঘ) নি মৰিল কোন?

(ঙ) নিদি মৰিল কোন?

(চ) নকৈ মৰিল কোন?

জয়মতী, ৰাৱণ, চচ্‌মা, সুতা, দুৰ্যোধন, দধীচি

ঘ— প্ৰকল্প

- নৱকান্ত বৰুৱাৰ শিশু-কবিতা সংগ্ৰহ কৰি শ্ৰেণীকোঠাত আবৃত্তি কৰা।

*প্ৰয়োজন অনুসৰি শিক্ষকে সহায় কৰিব।*

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- কবিতা স্পষ্ট আৰু শুদ্ধকৈ পঢ়িব পৰা আৰু আবৃত্তি কৰিব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- কবিতাৰ মূলভাব বুজি লিখিব পৰা
- কঠিন শব্দৰ অৰ্থ বুজি পোৱা
- নঞৰ্থক শব্দ জনা আৰু বাক্য ৰচনা কৰিব পৰা
- বিশেষ্য আৰু বিশেষণ পদ বিচাৰি উলিয়াব পৰা
- যুৰীয়া শব্দ বিচাৰি উলিয়াব পৰা
- নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ জনা
- সাঁথৰ ভাঙিব পৰা
- নৱকান্ত বৰুৱাৰ বিষয়ে জনা আৰু তেখেতে ৰচনা কৰা কবিতা সংগ্ৰহ কৰি আবৃত্তি কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **কবিতা পাঠ** | কবিতাটি শুদ্ধ আৰু স্পষ্টকৈ পঢ়িব পৰা | কবিতাটি আবৃত্তি কৰিব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | কবিতাটিৰ মূলভাব লিখিব পৰা | কবিতাটিৰ কঠিন শব্দৰ অৰ্থ জনা | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাবহাৰিক ব্যাকৰণ)** | নঞৰ্থক শব্দ গঠন কৰিব পৰা | বাক্য ৰচনা কৰিব পৰা | বিশেষ্য, বিশেষণ পদ বাছি উলিয়াব পৰা | যুৰীয়া শব্দ বাছি উলিয়াব পৰা | নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ জনা | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | বিভিন্ন কবিতা পঢ়ি বুজি পোৱা | সাঁথৰ ভাঙিব পৰা | কবি নৱকান্ত বৰুৱাৰ বিষয়ে জানি ক'ব পৰা | | | |
| | | | | | | |
| **প্ৰকল্প** | শিশু-কবিতা সংগ্ৰহ কৰি আবৃত্তি কৰিব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ২

# বুধিয়ক বীৰবল

F1Z9D2

*বুধিয়ক মানুহে প্ৰতিকূল পৰিস্থিতি বুদ্ধিৰে চম্ভালিব জানে। তেনে লোকে আনক মনোকষ্ট নিদিয়াকৈ নিজৰ উদ্দেশ্য সফল কৰিব পাৰে। আকবৰৰ অন্যতম পাৰিষদ বীৰবল আছিল প্ৰাণীৰ প্ৰতি দৰদী ব্যক্তি। চিকাৰ কৰাটো অনুচিত বুলি জানিও তেওঁ চিকাৰপ্ৰিয় সম্ৰাটক পোনপটীয়াকৈ চিকাৰ কৰাত বাধা দিব নোৱাৰে। সেয়েহে বুদ্ধি প্ৰয়োগ কৰি তেওঁ সম্ৰাটক চিকাৰ কাৰ্যৰ পৰা বিৰত ৰাখিলে। বীৰবলে কেনেকৈ সম্ৰাটৰ মন সলনি কৰিলে, এই কাহিনীটোৰ পৰা জানিব পাৰিবা।*

ডেকা কালত আকবৰে চিকাৰ কৰি বৰ ভাল পাইছিল। চিকাৰলৈ গ'লে সদায় লগত বীৰবলক নিছিল। পিছে সম্ৰাটৰ এই কাৰ্য বীৰবলে পেটে পেটে ভাল নাপাইছিল। কাৰণ অৱসৰ বিনোদনৰ বাবে এনেদৰে চিকাৰ কৰিলে অৰণ্যৰ পশু-পক্ষী দিনক দিনে কমি যাব। কিন্তু এই কথা তেওঁ সম্ৰাটক পোনে পোনে ক'লে সম্ৰাট বিতুষ্ট হ'ব বুলি ভয় কৰিছিল।



এদিন চিকাৰলৈ যাওঁতে দুয়ো ভাগৰ পলুৱাবলৈ এজোপা গছৰ তলত জিৰাইছিল। তেওঁলোকে যিজোপা গছৰ তলত বহিছিল, সেই গছজোপাৰ ডালত পৰি দুটা ফেঁচাই কুৰুলিয়াই আছিল। এনে হেন লাগিছিল যেন সিহঁতে কথা পাতি আছে।

তাকে দেখি আকবৰে বীৰবলক সুধিলে— "বীৰবল, তুমিতো পশু-পক্ষীৰ মাত বুজি পোৱা! কোৱাচোন, এই ফেঁচা দুটাই কি কথা পাতি আছে!"

সুবিধা পাই বীৰবলে অতি মনোযোগেৰে ফেঁচা দুটাৰ কথোপকথন শুনাৰ ভাও জুৰিলে।

কিছুপৰ এনেদৰে শুনি থাকি তেওঁ ক'বলৈ ধৰিলে— "জাহাপনা, ফেঁচা দুটা দুখন অৰণ্যৰ ৰজা। সিহঁতে দুয়োৰে সন্তানৰ মাজত বিয়া পতাৰ কথা আলোচনা কৰি আছে। ৰাজকোঁৱৰৰ পিতাকে সুধিছে

যে বন্য সমাজৰ প্ৰচলিত নিয়ম অনুসৰি ৰাজকন্যাৰ লগত এনে চল্লিশখন অৰণ্য দিব পৰা যাবনে, য'ত এটাও পশু-পক্ষী নাই! উত্তৰত ৰাজকন্যাৰ পিতাকে ক'লে যে আজিৰ তাৰিখত পঁচিশখনমানহে তেনে অৰণ্য দিব পৰা যাব। বিচৰামতে দিবলৈ হ'লে আৰু দুমাহমান অপেক্ষা কৰিব লাগিব হেনো।"



তেতিয়া আকবৰে বীৰবলক সুধিলে— "পাত্ৰীৰ পিতৃয়ে দুমাহ সময় কিয় বিচাৰিছে?" ইফালে ফেঁচা দুটাৰ কলৰৱ বাঢ়ি গৈছে। বীৰবলে পুনৰ কাণ থিয় কৰি কিছুসময় শুনাৰ পাছত ক'লে— "জাহাপনা, পাত্ৰীৰ পিতৃয়ে কৈছে— যদি দুমাহ সময় অপেক্ষা কৰে, তেনেহ'লে চল্লিশখন কিয়, পঞ্চাশখনতকৈও অধিক জীৱ-জন্তুহীন অৰণ্য দিব পাৰিব।"

আকবৰে আচৰিত হৈ সুধিলে— "কি কাৰণে সি ৰাৰু তেনেদৰে বুকু ডাঠি ক'ব পাৰিছে?" বীৰবলে ক'লে— "কাৰণ সি অনুমান কৰিছে যে অহা দুমাহ যদি এই হাৰত সম্ৰাটে চিকাৰ কৰি থাকে, তেনেহ'লে আৰু বিশ-ত্ৰিশখন হাবিৰ পশু-পক্ষী নিঃশেষ হ'ব। তেতিয়া দৰাপক্ষক পশু-পক্ষীহীন অৰণ্য দিবলৈ অসুবিধা নহ'ব।"

বীৰবলৰ কথাখিনিৰ তাৎপৰ্য এইবাৰহে আকবৰে হাড়ে-হিমজুৰে বুজিলে। তেওঁ গমি-পিতি চাই উপলব্ধি কৰিলে যে চিকাৰ কৰি থাকিলে অৰণ্যত পশু-পক্ষী নাথাকিব। সেয়ে বীৰবলক ক'লে— "আমাৰ আজিৰ অৰণ্য ভ্ৰমণ বৰ ফলপ্ৰসূ হ'ল আৰু ভৱিষ্যতে চিকাৰ কৰাৰ হেঁপাহো মোৰ নাইকিয়া হ'ল। গতিকে ব'লা, ৰাজপ্ৰাসাদলৈ উভতি যাওঁ।"

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া

১) তলৰ ছবি দুখনে সাধুটোৰ কোন কোন অংশ প্ৰকাশ কৰিছে কোৱা।





২) 'বুধিয়ক বীৰবল' কাহিনীটো নিজৰ কথাৰে কোৱা।

৩) কোৱা আৰু লিখা।

(ক) অৰণ্যত চিকাৰ কৰি কোনে ভাল পাইছিল?

(খ) ফেঁচা দুটাই কুৰুলিয়াই থকা দেখি আকবৰে বীৰবলক কি সুধিছিল?

(গ) আকবৰৰ প্ৰশ্নৰ উত্তৰত বীৰবলে কি কৈছিল?

(ঘ) পশু-পক্ষী নোহোৱা কেইখন অৰণ্য দিব পৰা যাব বুলি ৰাজকোঁৱৰৰ পিতৃয়ে সুধিছিল?

(ঙ) ৰাজকন্যাৰ পিতাকে বৰ্তমান কেইখন তেনে অৰণ্য দিব পাৰিব বুলি কৈছিল?

(চ) ৰাজকন্যাৰ পিতাকে দুমাহ সময় কিয় বিচাৰিছিল?

(ছ) অৰণ্যত চিকাৰ কৰি থাকিলে পশু-পক্ষী নিঃশেষ হৈ যাব বুলি কোনে কৈছিল?

(জ) বীৰবলে কোৱা কথাখিনি শুনি আকবৰে কি উপলব্ধি কৰিলে?

(ঝ) আকবৰে শেষত বীৰবলক কি কথা কৈছিল?

৪) **পাঠটোৰ কঠিন শব্দবিলাকৰ অৰ্থ শিক্ষকক সুধি বা শব্দ সম্ভাৰ চাই জানি লোৱা।**

৫) **দলত আলোচনা কৰি উত্তৰ লিখা।**

(ক) আকবৰে কোৱাৰ দৰে বীৰবলে প্ৰকৃততে পশু-পক্ষীৰ মাত বুজি পাইছিল নে? যদি বুজি পোৱা নাছিল, তেনেহ'লে কিয় বুজাৰ ভাও জুৰিছিল?

(খ) উপস্থিত বুদ্ধিৰে বীৰবলে উদ্দেশ্য সাধন কৰিব পাৰিলেনে?

৬) **কোনে কাক কিয় কৈছিল?**

(ক) "কি কাৰণে সি বাৰু তেনেদৰে বুকু ডাঠি ক'ব পাৰিছে?"

(খ) "আমাৰ আজিৰ অৰণ্য ভ্ৰমণ বৰ ফলপ্ৰসূ হ'ল আৰু ভৱিষ্যতে চিকাৰ কৰাৰ হেঁপাহো মোৰ নাইকিয়া হ'ল। গতিকে ব'লা, ৰাজপ্ৰাসাদলৈ উভতি যাওঁ।"

৭) **পাঠটো পঢ়ি যুক্তাক্ষৰ থকা শব্দকেইটা বিচাৰি উলিওৱা আৰু প্ৰতিটো যুক্তাক্ষৰেৰে দুটাকৈ নতুন শব্দ লিখা। যেনে—**

| | | | |
|---|---|---|---|
| চল্লিশ | ল্ল | দিল্লী | কল্লোল |

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৮) **পাঠটোত পশু-পক্ষী, জীৱ-জন্তু আদি যুৰীয়া শব্দ পাইছা। এনেধৰণৰ শব্দ আমি দৈনন্দিন জীৱনত প্ৰায়ে ব্যৱহাৰ কৰোঁ। দলত ভাগ হৈ বিভিন্ন যুৰীয়া শব্দ লিখা।**

৯) "সুবিধা পাই বীৰবলে অতি মনোযোগেৰে ফেঁচা দুটাৰ কথোপকথন শুনাৰ *ভাও জুৰিলে*।"

**এই বাক্যটোত *'ভাও জুৰিলে'* খণ্ড বাক্যই এনেয়ে শুনি থকা যেন বুজাইছে।**

**তলৰ বাক্যবোৰত ব্যৱহাৰ হোৱা *'জুৰিলে'* শব্দটোৱে কোনটো বাক্যত কি অৰ্থ প্ৰকাশ কৰিছে কোৱা।**

(ক) ভোজৰ ভাত-আঞ্জা কাণে কাণ মাৰিহে জুৰিলে।

(খ) ৰামচন্দ্ৰই ধনুত বাণ জুৰিলে।

(গ) তাঁত-বাটি জুৰিলে বোৱনীৰ গাত তৎ নাথাকে।

(ঘ) পুণীয়ে পুখুৰী জুৰিলে তাৰ বিধান মৰা টান।

১০) "কোবাচোন, এই ফেঁচা দুটাই কি কথা পাতি আছে!"

ওপৰৰ বাক্যটোত ব্যৱহাৰ হোৱা 'কথা পাতি' বাক্যাংশই আলোচনা কৰা অৰ্থহে প্ৰকাশ কৰিছে। সেইদৰে 'কথা' শব্দটোৰ লগত আন শব্দ লগ লাগি গঠিত হোৱা জতুৱা ঠাঁচকেইটা চোৱা। শিক্ষকক সুধি অৰ্থ আৰু ব্যৱহাৰ জানি লোৱা।

| | | |
|---|---|---|
| কথা ক | কথা ল | কথা-বতৰা |
| কথা হ্ | কথা চোবা | কথা-চহকী |

১১) বাক্য ৰচনা কৰা।

কথা-চহকী কথা চোবা কথা শুন্ কথা ৰাখ্

## গ — জ্ঞান সম্প্ৰসাৰণ

১২) তোমাৰ অঞ্চলত চৰাইৰ সংখ্যা আগতকৈ কমিছেনে বাঢ়িছে? চৰাইবোৰ কি কাৰণত কমি যায়? চৰাইৰ সংখ্যাৰ লগত গছ-গছনিৰ সম্পৰ্ক কি? দলত আলোচনা কৰা। প্ৰয়োজনবোধে শিক্ষকৰ সহায় ল'বা।

১৩) অসমৰ ৰাষ্ট্ৰীয় উদ্যানকেইখনৰ নাম লিখা। কোনখন ৰাষ্ট্ৰীয় উদ্যান কি কাৰণে বিখ্যাত, শিক্ষকক বা ডাঙৰক সুধি জানি লৈ তিনি-চাৰিটা বাক্যত লিখা।

____________________________________________

____________________________________________

____________________________________________

____________________________________________

____________________________________________

১৪) তলৰ তালিকাখনৰ কোনকেইবিধ চৰাই তুমি চিনি পোৱা ? চিনি পোৱা যিকোনো তিনিবিধ চৰাইৰ বিষয়ে তিনি-চাৰিটাকৈ বাক্য লিখা।



১) শালিকা
২) ভাটৌ
৩) তেলটুপি
৪) বৰটোকোলা
৫) ভীমৰাজ
৬) পানী-কাউৰী
৭) ডাউক
৮) কুৰুৱা
৯) ঘনচিৰিকা
১০) কুলি
১১) কেতেকী
১২) দহিকতৰা
১৩) পাটমাদৈ
১৪) হাইঠা
১৫) শৰালি
১৬) বুলবুলি
১৭) বগলী
১৮) শেন
১৯) চিলনী
২০) শগুন
২১) মাছৰোকা
২২) কণামুচৰি
২৩) বালিমাহী
২৪) কপৌ
২৫) পাৰ
২৬) টোকোৰা
২৭) মৌ-পিয়া
২৮) পাতসিয়া
২৯) ৰাজহাঁহ
৩০) মইনা

১৫) চৰাইৰ ছবিকেইখন চোৱা আৰু তলত নামটো লিখা।







## ঘ — প্ৰকল্প

- তিনিবিধ চৰাইৰ নাম আৰু সেই চৰায়ে বাহ সজা ঠাই বা গছৰ নাম লিখা। কাষত প্ৰতিটো চৰাইৰ ঠোঁট আঁকি দেখুওৱা।

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- কাহিনীটো নিজৰ কথাৰে ক'ব পৰা
- কাহিনীটো শুদ্ধকৈ পঢ়িব পৰা
- কাহিনীটোৰ পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- কঠিন শব্দৰ অৰ্থ জনা
- যুক্তাক্ষৰ থকা শব্দ লিখিব পৰা
- যুৰীয়া শব্দ লিখিব পৰা
- জতুৱা ঠাঁচেৰে বাক্য সাজিব পৰা
- অসমৰ ৰাষ্ট্ৰীয় উদ্যানকেইখনৰ বিষয়ে জনা
- বিভিন্ন চৰাইৰ নাম আৰু সিহঁতৰ বাসস্থানৰ বিষয়ে জনা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **কাহিনী পাঠ** | কাহিনীটো নিজৰ কথাৰে ক'ব পৰা | পাঠটো শুদ্ধ আৰু স্পষ্টকৈ পঢ়িব পৰা | পাঠটোৰ কঠিন শব্দবিলাকৰ অৰ্থ জনা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | যুক্তাক্ষৰ থকা শব্দ লিখিব পৰা | যুৰীয়া শব্দ লিখিব পৰা | জতুৱা ঠাঁচেৰে বাক্য সাজিব পৰা | ভিন ভিন অৰ্থ থকা একে শব্দৰ ব্যৱহাৰ জনা | | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | বিভিন্ন চৰাইৰ বিষয়ে জানি লিখিব পৰা | অসমৰ ৰাষ্ট্ৰীয় উদ্যানকেইখনৰ বিষয়ে জনা | | | | |
| | | | | | | |
| **প্ৰকল্প** | চৰাইৰ নাম আৰু সিহঁতৰ বাসস্থানৰ বিষয়ে জনা | চৰাইৰ ঠোঁট আঁকিব জনা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৩

G6C5I3

# অসমীয়া ভাষাৰ বিকাশৰ কথা

আধুনিক ভাৰতীয় ভাষাসমূহৰ ভিতৰত অসমীয়া ভাষা অন্যতম ঐতিহ্যপূৰ্ণ আৰু সমৃদ্ধিশালী ভাষা। অসম ভূখণ্ডৰ বিভিন্ন জনগোষ্ঠীয় ভাষাৰ উপাদানেৰে অসমীয়া ভাষা বৈচিত্ৰ্যময় হৈ উঠিছে। আন আন নব্য ভাৰতীয় আৰ্য ভাষাৰ তুলনাত অসমীয়া ভাষা মূলৰ পৰা আটাইতকৈ দূৰলৈ আঁতৰি আহিছে। পাঠটোৰ পৰা অসমীয়া ভাষাৰ বিকাশৰ বিষয়ে কিছু কথা জানিব পাৰিবা।

সন্ধিয়া সময়ত নয়নাইঁত খুড়াকৰ কাষতে বহিলহি। খুড়াকে সিহঁতৰ ইচ্ছাৰ কথা বুজিব পাৰি মিচিকিয়াই হাঁহি সুধিলে— “তোমালোকে আজি কি শুনিবা, কোৱাচোন!” ইফ্‌টিচামে ক'লে— “খুড়া, যোৱাবাৰ আহোঁতে আপুনি অসমীয়া ভাষাৰ বিষয়ে ক'ম বুলি কৈছিল।”



খুড়াকে 'লেপ্‌টপ্'টো খুলি সাঁচিপতীয়া পুথিৰ অনুকৃতি উলিয়াই লৈ ক'লে— “ঠিক আছে, শুনা তেন্তে। আমাৰ অসমীয়া ভাষাটো বহুত পুৰণি। আনকি শ্ৰীমন্ত শংকৰদেৱৰ জন্মৰো বহুত আগতে অসমীয়া ভাষাত কাব্য ৰচিত হৈছিল। ত্ৰয়োদশ শতিকামানতে হেম সৰস্বতীয়ে 'প্ৰহ্লাদ চৰিত্ৰ' নামৰ এখন পুথি ৰচনা কৰিছিল। আজিলৈকে উদ্ধাৰ হোৱা প্ৰাচীন অসমীয়া পুথিবিলাকৰ ভিতৰত এইখনেই আটাইতকৈ পুৰণি পুথি।”

নয়নাই অলপ চিন্তা কৰি সুধিলে— “তাৰমানে খুড়া, ত্ৰয়োদশ শতিকাতে অসমীয়া ভাষাৰ উৎপত্তি হৈছিল নেকি?” “নহয় নহয়!”— খুড়াকে হাঁহি ক'লে— “এটা ভাষাৰ উৎপত্তি হৈ ভাষাটোৱে পূৰ্ণ ৰূপ পাবলৈ বহু যুগ লাগে। তাৰ পাছতহে সেই ভাষাত লিখিত সাহিত্যৰ সৃষ্টি হ'ব পাৰে। প্ৰথমে এই ভাষাত অলিখিত সাহিত্য সৃষ্টি হয়।”

— "অলিখিত সাহিত্য মানে কি খুড়া?"
— "অলিখিত সাহিত্য মানে হ'ল যিবোৰ সাহিত্য আখৰেৰে লিখা নহয়; বৰং, মানুহৰ মুখে মুখেহে প্ৰচলিত। সেইবাবে ইয়াক মৌখিক সাহিত্য বুলিও কোৱা হয়। আখৰ চিনি নোপোৱা মানুহে হয়তো অতি পুৰণি কালতে অসমীয়া ভাষাত এনে সাহিত্য চৰ্চা কৰিছিল। বুজিলানে?"
— "বুজিলোঁ খুড়া।"
— "এতিয়া শুনা। ভাষা পৰিবৰ্তনশীল। অসমীয়া ভাষাও যুগে যুগে পৰিৱৰ্তিত হৈ আহি আছে। সপ্তম শতিকামানলৈ পূব আৰু উত্তৰ-পূব ভাৰতত প্ৰায় একে ভাষাৰ প্ৰচলন আছিল। তাৰো আগতে অসমত, অৰ্থাৎ তেতিয়াৰ কামৰূপ ৰাজ্যত প্ৰচলিত ভাৰতীয় ভাষাটোত দুটা-এটাকৈ স্থানীয় শব্দ সোমাবলৈ লৈছিল। কাৰণ, অতি পুৰণি কালৰে পৰা অসম বিভিন্ন জনগোষ্ঠীৰ নিগাজি আৱাসভূমি। সকলোৰে মাজত ভাষা, সংস্কৃতি আৰু ভাবৰ আদান-প্ৰদান হৈছিল। ফলত ইটো ভাষাৰ উপাদান সিটো ভাষাত স্বাভাৱিকভাৱে সোমাই পৰিছিল।"
— "ভাষাৰ উপাদান মানে কি খুড়া?"— নয়নাই সুধিলে। খুড়াকে উত্তৰ দিলে— "ধ্বনি, ৰূপ , শব্দ, বাক্য আদিয়েই ভাষাৰ উপাদান। শুনা এতিয়া, অসমীয়া ভাষাটো মূলতে আৰ্যসকলে কোৱা ভাষাৰে বিকশিত ৰূপ যদিও স্থানীয় জাতি-জনজাতি, উপজাতি আদিৰ ভাষাৰ উপাদানেৰে সমৃদ্ধ হৈ আনুমানিক দশম শতিকামানত ই স্বকীয় ৰূপ লাভ কৰিবলৈ আৰম্ভ কৰিলে।"

খুড়াকৰ কথাখিনি শুনি নয়নাৰ বৰ ভাল লাগিল। তাই ইফ্‌টিচামৰ মুখলৈ চাই সুধিলে— "বুজিলিনে এতিয়া?" ইফ্‌টিয়ে তাইলৈ চাই হাঁহিলে।
— "ৰ'বা ৰ'বা। মোৰ কথা শেষ হোৱাই নাই নহয়!"— খুড়াকে ক'লে।



— "কোৱা খুড়া।"— নয়নাই সঁহাৰি দিলে।
— "শুনা। দশম শতিকাতেই যে অসমীয়া ভাষাই আজিৰ ৰূপ লৈছিল, এনে নহয়। মই আগতেই কৈছোঁ যে ভাষা পৰিৱৰ্তনশীল। প্ৰাক্ শংকৰী যুগৰ অসমীয়া ভাষাৰ লগত বৰ্তমানৰ অসমীয়া ভাষা নিমিলে।"
— "প্ৰাক্ শংকৰী যুগ বুলি কোনটো যুগক কোৱা হয় খুড়া?"— ইফ্‌টিচামে সুধিলে।
— "শংকৰী যুগৰ আগৰ যুগটো হ'ল প্ৰাক্ শংকৰী যুগ। প্ৰাক্ মানে আগৰ। মূল শব্দৰ আগত প্ৰাক্ ব্যৱহাৰ কৰি আগৰ কাল, স্তৰ ইত্যাদিক বুজোৱা হয়। অসমীয়া ভাষাটোৱে ইংৰাজসকলৰ দিনত নতুন ৰূপ লাভ কৰিলে। শুনি আচৰিত হ'বা আৰু ভালো পাবা যে পূৰ্বতে 'অসমীয়া' নামটোৰ প্ৰচলন নাছিল;

ইংৰাজ আমোলৰ সময়তহে 'অসমীয়া' শব্দটো বেছিকৈ ব্যৱহৃত হ'বলৈ ধৰে। সেই সময়তে ডেস্ক, বেঞ্চ, চক্‌লেট, টেবুল, পে'ন, ফুটবল, বিস্কুট আদি অগণন ইংৰাজী শব্দ আমাৰ ভাষাত সোমাই পৰিল। এতিয়াও আৰু হয়তো ভৱিষ্যতেও 'অসমীয়া' নামটোৰে আমাৰ চিৰ চেনেহী ভাষা জননী পৰিচিত হৈ থাকিব।" খুড়াকে অলপ চিন্তা কৰি ক'লে— "লগতে জানি থোৱা যে অসমীয়া ভাষাৰ বিকাশৰ আলোচনাৰ ক্ষেত্ৰত বৈদিক, সংস্কৃত, প্ৰাকৃত আৰু অপভ্ৰংশ ভাষাৰ স্তৰবোৰৰ বিষয়েও অধ্যয়ন কৰিব লাগে। ডাঙৰ হ'লে নিশ্চয় এই বিষয়ে ভালদৰে জানিব পাৰিবা।"



নয়না আৰু ইফ্‌তিচামে খুড়াকৰ পৰা ভাষাৰ বিষয়ে কিছু কথা জানিব পাৰি আনন্দিত হ'ল। দুয়ো ভৱিষ্যতলৈ ভাষাৰ বিভিন্ন স্তৰ সম্পৰ্কে জানিবলৈ মনতে আশা পুহি ৰাখিলে।

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া

১) **পাঠটো শুদ্ধ উচ্চাৰণেৰে খোকোজা নলগাকৈ পঢ়া।**

২) **উত্তৰ দিয়া।**

(ক) নয়নাহঁতে খুড়াকৰ পৰা কিহৰ বিষয়ে শুনিবলৈ ইচ্ছা কৰিছিল?

(খ) হেম সৰস্বতীয়ে ৰচনা কৰা, তোমাৰ পাঠত উল্লেখ থকা পুথিখনৰ নাম কি?


(গ) অলিখিত বা মৌখিক সাহিত্য মানে কি?

(ঘ) ভাষাৰ দুটা উপাদানৰ নাম লিখা।

(ঙ) অসমীয়া ভাষাটোৱে কেতিয়া স্বকীয় ৰূপ লাভ কৰিবলৈ আৰম্ভ কৰিলে?

(চ) 'অসমীয়া' শব্দটোৰ প্ৰচলন কাৰ আমোলত বেছিকৈ হৈছিল?

৩) **শব্দ সম্ভাৰ বা অভিধান চাই শব্দাৰ্থ লিখা।**



৪) **অসমীয়া ভাষাত স্থানীয় জনগোষ্ঠীৰ ভাষাৰ উপাদান কেনেকৈ সোমাল লিখা।**

## খ - ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ)

৫) **উপযুক্ত যতি চিহ্নৰে তলৰ বাক্যটো নতুনকৈ লিখা।**

ভাষাৰ উপাদান মানে কি খুড়া নয়নাই সুধিলে খুড়াকে উত্তৰ দিলে ধ্বনি ৰূপ শব্দ বাক্য আদিয়েই ভাষাৰ উপাদান

৬) **তলত দিয়া বিশেষণ পদবোৰ বিশেষ্য পদলৈ নিয়া।**

| | | |
|---|---|---|
| সুন্দৰ | প্ৰচলিত | স্থানীয় |
| ৰচিত | পৰিৱৰ্তিত | বিকশিত |

**জানো আহা**

অসমীয়া ভাষাত কিছুমান শব্দ সংস্কৃতৰ পৰা পোনপটীয়াকৈ সোমাইছে। উচ্চাৰণৰ ক্ষেত্ৰত পাৰ্থক্য থাকিলেও এইবোৰ শব্দ লিখাৰ ধৰণ সংস্কৃতৰ লগত একে। এইবোৰক **তৎসম** শব্দ বোলে; 'তৎসম' মানে হ'ল 'তাৰ সমান', অৰ্থাৎ সংস্কৃতৰ সমান। যেনে— প্ৰাচীন, আৰ্য, জন্ম, মধ্য, সম্ৰাট, প্ৰৱেশ, বিচিত্ৰ, নব্য ইত্যাদি।

আন কিছুমান শব্দ সংস্কৃতৰ পৰা আহিলেও অসমীয়া ভাষাৰ উচ্চাৰণ-ৰীতিৰ দ্বাৰা এইবোৰ সৰল হৈ পৰিছে। এনে শব্দবিলাকক **অৰ্ধ-তৎসম** শব্দ বোলে; যেনে— ধৰম, কৰম, মৰম, যঁতৰ, চেনেহ ইত্যাদি।

কিছুমান শব্দই সংস্কৃতৰ পৰা প্ৰাকৃত আৰু অপভ্ৰংশৰ স্তৰ অতিক্ৰম কৰি অসমীয়াত প্ৰৱেশ কৰোঁতে ইয়াৰ মূল ৰূপ হেৰুৱাই বেলেগ ৰূপ ল'লে। এইবোৰকে **তদ্ভৱ** শব্দ বোলে; 'তদ্ভৱ' মানে 'তাৰ পৰা' অৰ্থাৎ সংস্কৃতৰ পৰা হোৱা। যেনে— হাত, ঘৰ, গছ ইত্যাদি।

অসমীয়া ভাষাৰ বহুতো শব্দ থলুৱা আৰ্য-ভিন্ন ভাষা-পৰিয়ালৰ ভাষাসমূহৰ পৰা আহিছে। যেনে— বুৰঞ্জী, তামোল, হাজো, বিহামপুৰ, ভাংনা, পাগলাদিয়া, মেকুৰী, জহা, জহামাল, খিলঞ্জীয়া ইত্যাদি।

অসমীয়া ভাষাত **বিদেশী** মূলৰ অগণন শব্দ পোৱা যায়; যেনে— কাগজ, কলম, পিয়লা (ফাৰ্চী, আৰবী মূলৰ); স্কুল, কলেজ, স্কেল, লংপেন্ট, স্কাৰ্ট (ইংৰাজী); চাবি, কবি, বাল্টি, গামলা (পৰ্টুগীজ); কুপন, ৰেস্তোৰাঁ (ফৰাচী); লিচু (চীনা) ইত্যাদি।

৭) তোমাৰ পাঠৰ পৰা পাঁচটা তৎসম শব্দ আৰু পাঁচটা বিদেশী মূলৰ শব্দ বাছি উলিয়াই তলৰ তালিকাখন পূৰ কৰা।

উদাহৰণ—

| | তৎসম শব্দ | বিদেশী মূলৰ শব্দ |
|---|---|---|
| | জন্ম | কাপ |
| | ১। | |
| | ২। | |
| | ৩। | |
| | ৪। | |
| | ৫। | |

৮) তলৰ শব্দবোৰৰ একোটিকৈ সমাৰ্থক শব্দ লিখা।

ধুনীয়া ............... নিগাজি ..................

প্ৰাচীন ............... পূৰ্বতে ..................

পুথি ............... সামৰণি ..................

৯) "প্ৰাক্ শংকৰী যুগ বুলি কোনটো যুগক কোৱা হয় খুড়া?" এইটো এটা প্ৰশ্নবোধক বাক্য। তোমালোকেও এনেধৰণৰ তিনিটা প্ৰশ্নবোধক বাক্য নিজৰ মতে সাজা।

১০) বাক্য ৰচনা কৰা।

| | | |
|---|---|---|
| মিচিকিয়াই | চেনেহী | পুৰণি |
| ধন্যবাদ | সাহিত্য | যুগে যুগে |

## গ — জ্ঞান সম্প্ৰসাৰণ

জানি থওঁ আহা

প্ৰাক্ শংকৰী যুগৰ পাঁচগৰাকী বিশিষ্ট অসমীয়া কবি হ'ল—

(ক) হেম সৰস্বতী (খ) কবিৰত্ন সৰস্বতী (গ) ৰুদ্ৰ কন্দলি

(ঘ) হৰিবৰ বিপ্ৰ (ঙ) মাধৱ কন্দলি

১১) প্ৰাক্ শংকৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলি। শংকৰী যুগৰ শ্ৰেষ্ঠ কবি কোন?

জানি লোৱা

তোমালোকৰ পাঠত 'শতিকা' শব্দটো একাধিকবাৰ ব্যৱহৃত হৈছে।

শতিকা মানে হ'ল এশ বছৰ বিয়পা কাল। পাঠত উল্লেখ থকা সপ্তম শতিকা মানে হ'ল ৬০০ খ্ৰীষ্টাব্দ ৰ পৰা ৬৯৯ খ্ৰীষ্টাব্দলৈ বিয়পি থকা সময়। একেদৰে অষ্টম শতিকা ৭০০ খ্ৰীষ্টাব্দত আৰম্ভ হৈ ৭৯৯ খ্ৰীষ্টাব্দত শেষ হৈছে আৰু ত্ৰয়োদশ শতিকা ১২০০ খ্ৰীষ্টাব্দত আৰম্ভ হৈছে।

এনেদৰে দশক মানে হৈছে দহ বছৰ বিয়পা কাল আৰু সহস্ৰাব্দ মানে হ'ল এহেজাৰ বছৰৰ সময়। এতিয়া কুৰি শতিকাৰ অষ্টম দশক মানে হ'ব ১৯৭০ চনত আৰম্ভ হোৱা দশক।

খ্ৰীষ্টাব্দ শব্দটো যীশুখ্ৰীষ্টৰ জন্মৰ লগত সংগতি ৰাখি সৃষ্টি কৰা হৈছে। খ্ৰীষ্টজন্মৰ ৫০০ বছৰৰ পাছৰ চনটো হ'ব ৫০০ খ্ৰীষ্টাব্দ আৰু খ্ৰীষ্টজন্মৰ পাঁচশ বছৰ আগৰ চনটো হ'ব খ্ৰীষ্টপূৰ্ব ৫০০।

মন কৰা, ৩০০ খ্ৰীষ্টাব্দতকৈ ৫০০ খ্ৰীষ্টাব্দ পাছৰ সময়। কিন্তু ৩০০ খ্ৰীষ্টপূৰ্বতকৈ ৫০০ খ্ৰীষ্টপূৰ্ব আগৰ সময়।

**১২) মানুহৰ মুখে মুখে প্ৰচলিত সাহিত্যক মৌখিক সাহিত্য বোলে। মৌখিক সাহিত্য বুলিলে সাধুকথা, আইনাম, ধাইনাম, বিহুনাম, বিয়ানাম আদিক বুজা যায়। তুমি জনা এফাকি বিহুনাম আৰু এফাকি বিয়ানাম লিখা।**



জানো আহা

কম্পিউটাৰ হ'ল আধুনিক যুগৰ চালিকা শক্তি; ইয়াৰ ব্যৱহাৰ দিনে দিনে দ্ৰুতগতিত বাঢ়িছে।



বতৰ-বিজ্ঞান, কৃষি-বিজ্ঞান, অফিচ-উদ্যোগৰ কাম-কাজ, মনোৰঞ্জন, বিজ্ঞানৰ মৌলিক গৱেষণা, প্ৰযুক্তি বিদ্যা, মহাকাশ-বিজ্ঞান, চিকিৎসা-বিজ্ঞান আদি সকলো ক্ষেত্ৰতে কম্পিউটাৰ সফলতাৰে ব্যৱহৃত হৈছে। আমেৰিকাৰ পেন্‌ছিলভেনিয়া বিশ্ববিদ্যালয়ৰ জন মাউখ্‌লি আৰু জে. প্ৰেছপাৰ অকাৰ্টৰ নেতৃত্বত ১৯৪৭ চনত বিশ্বৰ সৰ্বপ্ৰথম উচ্চক্ষমতাসম্পন্ন স্বয়ংক্ৰিয় কম্পিউটাৰ নিৰ্মাণ কৰা হয়। ইয়াক চমুকৈ 'এনিয়াক' বুলি জনা যায়।

স্কুল, কলেজ, কাৰ্যালয়, ঘৰ আদিত ব্যৱহাৰ হোৱা কম্পিউটাৰক মাইক্ৰ' কম্পিউটাৰ বোলে। আকৌ, অ'লৈ ত'লৈ যাওঁতে সহজতে সৰু চুটকেছ বা মোনাত লৈ যাব পৰা, পাতল কম্পিউটাৰক 'লেপ্‌টপ্' কম্পিউটাৰ বোলে। আনকি হাতত লৈ ফুৰিব পৰা কম্পিউটাৰো ওলাইছে। গৱেষণা প্ৰতিষ্ঠান, উদ্যোগ আদিত অধিক শক্তিশালী কম্পিউটাৰ ব্যৱহাৰ কৰা হয়।



**ইন্টাৰনেট ঃ** ইন্টাৰনেট এনে এক কম্পিউটাৰ জালিকা ব্যৱস্থা যাৰ দ্বাৰা সমগ্ৰ বিশ্বৰ অসংখ্য কম্পিউটাৰ সংযোগ কৰি বিভিন্ন তথ্য বা বাৰ্তা শ্ৰব্য আৰু দৃশ্য মাধ্যমেৰে সৰবৰাহ কৰিব পাৰি।

**ই-মেইল ঃ** ইন্টাৰনেটৰ জৰিয়তে বিভিন্ন প্ৰতিষ্ঠান বা ব্যক্তিয়ে মুহূৰ্ততে পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ খবৰ আদান-প্ৰদান কৰা সম্ভৱ হৈ উঠিছে। এই ব্যৱস্থাই হৈছে 'ইলেক্ট্ৰনিক মেইল' বা চমুকৈ ই-মেইল।

## ঘ — প্ৰকল্প

- **তোমালোকৰ অঞ্চলত থকা বিভিন্ন জনগোষ্ঠীৰ লোকে তলৰ ব্যক্তি বা বস্তুক কি কি বুলি কয়, জানি লৈ লিখা।**

  পানী, ল'ৰা, ছোৱালী, ভাত, মাছ, মাংস, গাখীৰ,
  পাকঘৰ, ককা, আইতা, দলং, পুখুৰী, জলকীয়া

- **ক, খ, গ, ঘ— এই চাৰিটা বৰ্ণৰে আৰম্ভ হোৱা দহটাকৈ শব্দ-অৰ্থ লিখি এখন অভিধানৰ আৰ্হি প্ৰস্তুত কৰা।**

*অভিধান প্ৰস্তুত কৰোঁতে ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- ভাষা-সাহিত্য সম্পৰ্কীয় কথোপকথন শুনি বুজি পোৱা
- পাঠ্যপুথিৰ পাঠ শুদ্ধ আৰু স্পষ্টকৈ পঢ়িব পৰা
- পাঠভিত্তিক আৰু প্ৰাসংগিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা
- মাতৃভাষাৰ বিষয়ে ক'ব পৰা
- অসমীয়া ভাষা সম্পৰ্কে সম্যক ধাৰণা জন্মা
- কোনো বিষয়ৰ আলোচনাত অংশ লৈ নিজৰ বক্তব্য প্ৰকাশ কৰিব পৰা
- যতি, প্ৰক্ষেপ/উদ্ধৃতি চিহ্নৰ যথাযথ ব্যৱহাৰ কৰি লিখিব পৰা
- তৎসম, অৰ্ধতৎসম, তদ্ভৱ, দেশী আৰু বিদেশী মূলৰ অসমীয়া শব্দৰ লগত পৰিচয় হোৱা
- মাতৃভাষাৰ প্ৰতি সন্মান বৃদ্ধি হোৱা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **গদ্য পাঠ** | পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | পাঠটোৰ সংলাপবোৰ নাটকীয় সুৰত পঢ়িব পৰা | পাঠত পোৱা নতুন শব্দবোৰৰ অৰ্থ জনা | | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | যতি চিহ্নৰ প্ৰয়োগ জনা | তৎসম, অৰ্ধতৎসম, তদ্ভৱ, দেশী-বিদেশী মূলৰ শব্দৰ বিষয়ে জনা | বিশেষণ পদ বিশেষ্যলৈ নিব পৰা | সমাৰ্থক শব্দ লিখিব পৰা | বাক্য ৰচনা কৰিব পৰা | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | শতিকা সম্পৰ্কে শুদ্ধকৈ জনা | প্ৰাক্ শংকৰী আৰু শংকৰী যুগৰ বিষয়ে জনা | প্ৰাক্ শংকৰী যুগৰ কবিৰ নাম জনা | | | |
| | | | | | | |
| **প্ৰকল্প** | বিভিন্ন জনগোষ্ঠীৰ ভাষাৰ আভাস পোৱা | অভিধানৰ আৰ্হি প্ৰস্তুত কৰিব পৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৪

# বিহু আদৰণি

G8F7W9

ব'হাগ বিহুৰ সময়ত প্ৰকৃতি আৰু মানুহ যেন একাত্ম হৈ পৰে; সকলোৰে মন প্ৰাণ ৰঙীন হয়। প্ৰকৃতিৰ ৰূপে মানুহৰ মনত জগাই তোলে বিচিত্ৰ অনুভূতি। এই কবিতাটিত ব'হাগৰ মনোমোহা চিত্ৰৰ লগতে লৌকিক আচাৰ আৰু প্ৰকৃতি-প্ৰীতিৰ এক সম্প্ৰীতিৰ বান্ধোন প্ৰতিভাত হৈ উঠিছে।



শুনা ঐ চ'তাই
পেঁপাটি বজাই
ৰঙালীক আঁহা লৈ
পদুলি মুখত
বাট চাই চাই
থাকিম কিমান বৈ।।

আনিলোঁ জেতুকা
আনিলোঁ খেৰেজু
আনিলোঁ *বৰ্হমঠুৰি।
মাখিয়তী পাতে
তৰাৰ পখাৰে
আওলা পেলালোঁ জুৰি।।

আনিলোঁ হালধি
থেকেৰা বেঙেনা
সাজিলোঁ বাঁহত চাত।
ঢোল টকা পেঁপা
সুগৰ কৰিলোঁ
সাৰিলোঁ চোতাল বাট।।





আয়ে কাটিলে
শালৰ গামোচা
আঁচুৰ ভমকা ফুল।
বায়ে আনি থ'লে
খোপালৈ বুলি
ৰচঙ্গা কপৌৰ ফুল।।

বহল পাতেৰে
নাহৰৰ ডালি
পিতাই আনিলে গৈ।
খুড়ীয়ে পাতিলে
মজিয়াত খোলা
তিল গুড় দিহা কৈ।





আইতাই মচি
থাপনাৰ আগ
থৈছে সেন্দুৰী কৈ।
নৰ'বা চ'তাই
কাবৌ কৰিছোঁ
আহা ৰঙালীক লৈ।।

কবি — মিত্রদেৱ মহন্ত

(উৎস ঃ 'মকৰা ফুল', পৃষ্ঠা ১৩২, সম্পাদনা- নৰকান্ত বৰুৱা, অসম প্ৰকাশন পৰিষদ, পঞ্চম প্ৰকাশ, ২০০৮)

★ কবিতাটিৰ উৎসত 'বৰ্হমঠুৰি' আছে যদিও অভিধানত 'বৰ্হমথুৰি' আৰু 'বৰমথুৰি' হে আছে। মূলত থকা বানানত হাত দিয়া হোৱা নাই।

## কবি পৰিচয়

**মিত্ৰদেৱ মহন্ত (১৮৯৪-১৯৮৩ চন)**— মিত্ৰদেৱ মহন্তৰ যোৰহাটত জন্ম হৈছিল। পিতৃ নিৰঞ্জনদেৱ মহন্ত আৰু মাতৃ বগীতৰা দেৱী। তেখেতে যোৰহাটত প্ৰাথমিক আৰু হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰে। আজীৱন অভিনয় কৰি ভাল পোৱা শিক্ষক, শিক্ষাবিদ মহন্ত সাহিত্য সাধনাতো ব্ৰতী আছিল। অসমীয়া সাহিত্যৰ প্ৰায়বোৰ ক্ষেত্ৰতে তেখেতে নিজৰ সৃষ্টি-প্ৰতিভাৰ পৰিচয় দিছিল। শিশু-সাহিত্যলৈ তেখেতৰ অৱদান সৰ্বজনবিদিত। 'মৌ-মহাভাৰত' তেখেতৰ শিশু-সাহিত্যসমূহৰ অন্যতম। মিত্ৰদেৱ মহন্ত এগৰাকী প্ৰসিদ্ধ গীতিকাৰ আছিল। তেখেতৰ দ্বাৰা ৰচিত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটি অসম সাহিত্য সভাৰ আৰম্ভণী গীত। এইগৰাকী অসম সন্তান একাধাৰে অভিনেতা, গীতিকাৰ, নাট্যকাৰ, শিশু-সাহিত্যিক, সত্ৰীয়া সংস্কৃতিৰ সাধক আৰু শিক্ষাবিদ আছিল।


**ক্ৰিয়া-কলাপ**

**ক — পাঠভিত্তিক ক্ৰিয়া**

১) **কবিতাটি শুদ্ধ উচ্চাৰণেৰে স্পষ্টকৈ পঢ়া।**

২) **লয় আৰু ছন্দৰ সংগতি ৰাখি কবিতাটি আবৃত্তি কৰা।**

৩) **চৰাইৰ বাহত থকা শব্দসমূহৰ অৰ্থ শব্দ সম্ভাৰ বা অভিধান চাই শিকি লোৱা।**




৪) **উত্তৰ দিয়া।**

(ক) চ'তাই বুলি কবিয়ে কাক কৈছে?

(খ) কবিতাটিত জেতুকা, খেৰেজুৰ লগতে আৰু কি অনাৰ কথা কোৱা হৈছে?

(গ) মাখিয়তী আৰু তৰাৰ পথাৰে কি জুৰি পেলোৱাৰ কথা কৈছে?

(ঘ) বাঁহত চাত কিহেৰে সজালে?

(ঙ) বায়ে খোপালৈ বুলি কি ফুল আনিলে?

(চ) কবিয়ে চ'তাইক কি বুলি কাবৌ কৰিছে?

৫)  কবিতাটিৰ কথাখিনি তোমাৰ কথাৰে লিখা।

## খ — ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ)

৬)  বাক্য ৰচনা কৰা।





৭)  লিংগ নিৰ্ণয় কৰি তালিকা পূৰ কৰা।

খুড়ী, আইতা, বাইদেউ, আই, পিতাই, ককাই, শাহু, ননন্দ, জোঁৱাই

| পুংলিংগ | স্ত্ৰীলিংগ |
|---|---|
| | |

৮)  শব্দবোৰ বহুবচনত প্ৰকাশ কৰা।




৯)  অৰ্থ প্ৰকাশ হোৱাকৈ তলৰ শব্দবোৰেৰে বাক্য সাজা।

| | | | |
|---|---|---|---|
| টকা | বাত | থাল | জুৰি |
| টকা | বাটি | ঠাল | জুৰি |

১০) ৰচনাৰ আৰ্হিত বিহুৰ বিষয়ে দহটা বাক্য লিখা।

## গ — জ্ঞান সম্প্ৰসাৰণ

১১) তোমালোকৰ অঞ্চলত ৰঙালী বিহু কেনেদৰে উদ্‌যাপন কৰা হয় লিখা।

১২) দলত আলোচনা কৰি বস্তুকেইপদেৰে আমি কি কি কৰোঁ লিখা।



(ক) জেতুকা পাত (খ) বৰ্হমথুৰি



(গ) পঘা (ঘ) কপৌ-ফুল

(ঙ) বিহুৱান (চ) মাখিয়তী

১৩) তলত উল্লেখ কৰা বাদ্যসমূহৰ কোনকেইবিধ বাদ্য বিহুগীত বা বিহুনাচত ব্যৱহাৰ কৰা হয়, দলত আলোচনা কৰি লিখা।





পেঁপা, গগনা, ঢোল, হাৰমনিয়াম,

খোল, সুতুলি, তাল, ঢাক, টকা, গীটাৰ



জানো আহা

**মঘাই ওজা**

মঘাই ওজা অসমৰ গণসাংস্কৃতিক জগতখনৰ এক উজ্জ্বল প্ৰতিভা। পাঁচবছৰ বয়সতে পিতৃক হেৰুৱাই মঘাই ওজা নিথৰুৱা হৈ পৰিছিল। ফলত তেনেই কম বয়সতে তেখেতৰ শিক্ষা জীৱনৰ ওৰ পৰিছিল। জীৱিকা নিৰ্বাহৰ পথ হিচাপে তেখেতে প্ৰথমে যোগালি কামত সোমাই তাৰ ধনেৰে এটা ঢোল কিনি ঢোল বাদনৰ যাত্ৰাত প্ৰথম খোজ দিছিল। মঘাই ওজাই ঢোলৰ শিক্ষা লৈছিল টুলীয়া ডিম্বেশ্বৰ গগৈৰ পৰা। প্ৰসিদ্ধ শিল্পী হেমাংগ বিশ্বাসে মঘাই ওজাক পঞ্চাশৰ দশকতে সাংস্কৃতিক জগতখনলৈ উলিয়াই আনি জনমানসত প্ৰতিষ্ঠা কৰিছিল। দৰিদ্ৰতা আছিল তেখেতৰ আজন্ম লগৰী। আৰ্থিক সংকটে তেখেতক সংস্কৃতি সাধনাৰ পৰা বিৰত কৰিব পৰা নাছিল।



১৪) তাঁত-শালৰ সঁজুলিবোৰৰ ব্যৱহাৰৰ বিষয়ে শিক্ষকক সুধি জানি লোৱা।

উঘা, চেৰেকী, টোলোঠা, ৰাচ, মহুৰা, নাচনী, গৰকা, যঁতৰ, নেওঠনী



১৫) আমাৰ ৰাজ্যত বিভিন্ন জনগোষ্ঠীয়ে পালন কৰা উৎসৱসমূহৰ নামবোৰ দলত আলোচনা কৰি তালিকাখনত লিখা।

| জনগোষ্ঠীৰ নাম | উৎসৱৰ নাম |
|---|---|
| | |

১৬) সৰু সৰু দলত ভাগ হৈ বৰ্ণৰ তালিকাখনৰ পৰা বিভিন্ন শব্দ লিখা।

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| দ | বা | লৃ | ৰ | ব | ব | য় | লা | বা | ৰ |
| আ | ঞ্চ | বা | ছা | প | দে | ৰ্গা | বা | ৰ | ত |
| ফা | দু | ক | ন | ই | ৰা | বৈ | দু | ম | দী |
| ং | শা | চু | ল | বি | বি | দি | ক | ম | ং |
| পা | ঈ | য়ে | জা | দু | আ | গা | পা | লি | ভ |
| ৰ | প | আ | ব | কে | খ | ই | ৱা | পূ | দ |
| হু | অ | খু | ও | থৌ | ন | লী | ঙ | জ | কু |

উদাহৰণ— বিহু পাভ দবা

১৭) ব'হাগত ৰঙালী, কাতিত কঙালী আৰু মাঘত হয় ভোগালী বিহু। প্ৰতিটো বিহুতে প্ৰকৃতিয়ে বেলেগ বেলেগ ৰূপ লয়। ব'হাগ মাহত প্ৰকৃতিয়ে কেনে ৰূপ লয় দলত আলোচনা কৰি বৰ্ণনা কৰা।

## ঘ — প্ৰকল্প

- বিহুগীত সংগ্ৰহ কৰি নিজৰ নিজৰ বহীত লিখা। প্ৰত্যেকেই অন্ততঃ পাঁচটাকৈ বিহুগীত লিখিবা।
- দলত বহি বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি আৰু সাংস্কৃতিক অনুষ্ঠানৰ বাবে এটি আদৰণী ভাষণ প্ৰস্তুত কৰা (প্ৰয়োজন অনুসৰি শিক্ষকৰ সহায় ল'বা)।

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- কবিতাটি শুদ্ধ আৰু স্পষ্টকৈ পঢ়িব পৰা
- লয়, ছন্দৰ লগত সংগতি ৰাখি আবৃত্তি কৰিব পৰা
- কঠিন শব্দৰ অৰ্থ জনা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- বিহুৰ লগত জড়িত কিছুমান প্ৰাকৃতিক উপাদান যেনে— জেতুকা, থেৰেজু, বৰ্হমথুৰিৰ বিষয়ে জনা
- পুংলিংগ আৰু স্ত্ৰীলিংগ শব্দ বাছি উলিয়াব পৰা
- একে ধ্বনিযুক্ত শব্দৰে অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য ৰচনা কৰিব পৰা
- বিহুগীত আৰু বিহুনাচত বজোৱা বাদ্যৰ বিষয়ে জনা
- তাঁত-শালত ব্যৱহাৰ হোৱা সঁজুলিৰ বিষয়ে জনা
- বিহুৰ বিষয়ে লিখিব পৰা
- বিভিন্ন উৎসৱৰ নাম জনা, বিহুগীত সংগ্ৰহ কৰি লিখিব পৰা
- আদৰণী ভাষণ লিখিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| কবিতা পাঠ | কবিতা শুদ্ধ আৰু স্পষ্টকৈ পঢ়িব পৰা | আবৃত্তি কৰিব পৰা | কঠিন শব্দৰ অৰ্থ জনা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | পুংলিংগ আৰু স্ত্ৰীলিংগ শব্দ বাছি উলিয়াব পৰা | বাক্য ৰচনা কৰিব পৰা | শব্দৰ বহুবচন লিখিব পৰা | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | ব'হাগ বিহুত ব্যৱহৃত প্ৰাকৃতিক উপাদানসমূহৰ বিষয়ে জনা | বিহুগীত, বিহুনাচৰ লগত বজোৱা বাদ্যৰ বিষয়ে জনা | তাঁত-শালত ব্যৱহৃত সঁজুলিৰ বিষয়ে জনা | বিভিন্ন জনগোষ্ঠীয় উৎসৱৰ নাম জনা | ব'হাগৰ ৰূপ বৰ্ণনা কৰিব পৰা | |
| | | | | | | |
| প্ৰকল্প | বিহুগীত সংগ্ৰহ কৰি লিখিব পৰা | আদৰণী ভাষণ লিখিব পৰা | | | | |
| | | | | | | |


☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৫

# গুৰুদক্ষিণা

*আগৰ দিনত শিক্ষা সাং হ'লে শিষ্যই গুৰুক দক্ষিণা দি কৃতজ্ঞতা প্ৰকাশ কৰাৰ এক ৰীতি আছিল। পূৰ্বতে, গুৰুৱে শিষ্যক বিনামূলীয়াকৈ শিক্ষাদান কৰিছিল। শিষ্যৰ প্ৰকৃত জ্ঞান লাভ আৰু সৰ্বাংগীন ব্যক্তিত্বৰ বিকাশেই আছিল গুৰুৰ প্ৰধান উদ্দেশ্য। গুৰুৱে কামনা কৰিছিল, শিষ্যসকল প্ৰকৃত মানবীয় গুণৰ অধিকাৰী হওক আৰু সত্য-অন্বেষণৰ মাজেৰে তেওঁলোকে জীৱনবৃত্ত পাৰ কৰক। এইক্ষেত্ৰত গুৰুদক্ষিণা নিমিত্ত মাত্ৰ। 'গুৰুদক্ষিণা' পাঠটিৰ জৰিয়তে নীতি-নৈতিকতাবিহীন গুৰুদক্ষিণা লাভ কৰাৰ বিপৰীতে সত্যাশ্ৰয়ী মূল্যবোধৰ বিকাশ সম্পৰ্কে জানিব পাৰিবা।*

আজিকালিৰ গুৱাহাটী বিশ্ববিদ্যালয়, কলিকতা বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয় আদিৰ নিচিনা বা তাতকৈ ডাঙৰ বিশ্ববিদ্যালয় পুৰণি ভাৰতবৰ্ষতো আছিল। নালন্দা, তক্ষশীলা, ওদান্তপুৰী, ধান্যকটক আদি ভাৰতবৰ্ষৰ প্ৰাচীন নামজ্বলা বিশ্ববিদ্যালয়ত পৃথিৱীৰ নানা দেশৰ পৰা আহি হাজাৰ হাজাৰ ছাত্ৰৰে অধ্যয়ন কৰিছিল। আমাৰ পুৰণি কামৰূপ ৰাজ্যতো নিশ্চয় কেইবাখনো বিশ্ববিদ্যালয় আছিল। আমি সেইবোৰৰ নামৰ বাহিৰে এতিয়াও সবিশেষ বিৱৰণ জানিব পৰা নাই।



বৰ্তমান নগাঁও জিলাৰ শিলঘাট অঞ্চলত লুইতৰ দাঁতিত এনেকুৱা এখন বিশ্ববিদ্যালয় আছিল। সেই বিশ্ববিদ্যালয়ৰ অধীনত বৰগঙ্গাৰ পাৰৰ বশিষ্ঠ আশ্ৰমত এখন ডাঙৰ টোল আছিল। সেই টোলৰ অধ্যাপকজনৰ নাম আছিল বেদকণ্ঠ। বেদকণ্ঠ বিদগ্ধ পণ্ডিত। ব্যাকৰণ, স্মৃতি, ন্যায়, দৰ্শন আদি সকলো

শাস্ত্ৰৰ কথা তেওঁৰ জিভাৰ আগতেই। বেদকণ্ঠৰ চতুষ্পাঠীত দুকুৰিজনমান ছাত্ৰ আছিল। তেওঁবিলাকে নিজৰ ধন নভঙাকৈ গুৰুগৃহত থাকি নানা শাস্ত্ৰ চৰ্চা কৰিছিল।

পুৰণি ৰীতিমতে ছাত্ৰসকলে আজিকালিৰ দৰে বিশ্ববিদ্যালয়ত কোনো মাচুল দিব নালাগিছিল। তেওঁলোকে বছৰি একোবাৰ নগৰলৈ বা ধনী মানুহৰ ওচৰলৈ গৈ খুজি-মাগি যি পাইছিল, তাকে গোটাই আনি গুৰুৰ চৰণত অতি সন্তৰ্পণে গুৰুদক্ষিণা হিচাপে নিৱেদন কৰিছিল। ৰামচন্দ্ৰই কেৰ্কেটুৱাৰ বাঁহপাতেই ভেটী লোৱাৰ নিচিনাকৈ গুৰুৱেও হৃষ্টচিত্তে তাকে লৈ ছাত্ৰসকলক জাউৰিয়ে জাউৰিয়ে আশীৰ্বাদ দিছিল। আজিও সেই ৰীতিকে অনুসৰণ কৰি কামৰূপৰ টোলত পঢ়া ছাত্ৰসকলে 'চৈত-ফুৰি' বছৰেকত একোবাৰ গুৰুৰ দক্ষিণা গোটায়।

এদিন বেদকণ্ঠই ছাত্ৰসকলক ওচৰলৈ মাতি আনি মৰমৰ মাতেৰে ক'লে— "বাছাহঁত! মই বুঢ়া হৈ আহিছোঁ। উপাৰ্জনো টুটি আহিছে। তহঁতক ইমানদিনে পঢ়াই শুনাই খুঁটি খাব পৰা কৰিবলৈ সদায় যত্ন কৰিছোঁ। এতিয়া তহঁতে তাৰ সলনি মোক ধন-সোণ গোটাই আনি দেহঁক। জানই নহয় ভগৱন্ত শ্ৰীকৃষ্ণৱো সান্দীপনি মুনিক কেনেদৰে গুৰুদক্ষিণা দিছিল?" গুৰুৰ মুখত এনে কথা শুনি ছাত্ৰবিলাকে বৰ আনন্দ পালে। শিষ্যই গুৰুক দক্ষিণা দি সন্তোষ লগাব পৰাটো কিমান সৌভাগ্যৰ কথা!

এজন বয়সিয়াল ছাত্ৰে ক'লে— "গুৰুদেউ! আপুনি মাথোন আমাক কৰ্তব্যহে সোঁৱৰাই দিছে। এতিয়া আমি কি উপায়েৰে ধন-সোণ গোটাই আনিম, অনুগ্ৰহ কৰি আমাক দিহা লগাই দিয়ক। আমি আপোনাৰ আদেশ আখৰে আখৰে পালন কৰিম।"

গুৰুৱে ক'লে— "বাছা! তোৰ কথা শুনি মই বৰ ৰং পালোঁ। খুজি-মাগি বেছি ধন গোটোৱাটো উজু নহয়। এতেকে ধনী মানুহৰ পৰা ডকা-হকা দি ধনৰ টোপোলা সৰকাবলৈ চেষ্টা কৰিবি। কোনেও নেদেখাকৈ প্ৰত্যেকজনে গছৰ আঁৰত লুকাই থাকিবি আৰু কাযেদি কোনো ধনী সাউদ গ'লে ততালিকে তেওঁৰ পৰা যি ধন পাৰ কাঢ়ি ল'বি। চাবি, যাতে কোনেও নেদেখে আৰু সাউদৰো একো অনিষ্ট নহয়।"

গুৰুৰ এই কথা শুনি ছাত্ৰবিলাক কিৰীলি পাৰি যাবলৈ ওলাল। গুৰুৰ দক্ষিণা দিবলৈ এনে সহজে সোণালী ছেগ সতকাই নিমিলে। ল'ৰাহতঁৰ আনন্দ চায় কোনে?

আটাইকেইজন ছাত্ৰে গন্তব্য ঠাইলৈ খোজ ল'লে; কিন্তু তাৰে ভিতৰৰ এটি কোমল বয়সীয়া ছাত্ৰ হ'লে তাতেই মন মাৰি থিয় দি ৰ'ল। তাক তেনেভাৱে আমন-জিমন কৰি ৰোৱা দেখি বেদকণ্ঠই সুধিলে— "বাছা! তই নগ'লি দেখোন? আন সকলোবিলাক গৈ কোনোবাখিনি পালে।"

সেই ল'ৰাটিৰ নাম সত্যব্ৰত। সত্যব্ৰতে থোকা-থুকি মাতেৰে ক'লে— "গুৰুদেউ! দয়া কৰি অনুমতি দিলে এটা কথা সুধিব খোজোঁ। মোৰ মনত অলপ খোকোজা লাগিছে।"

গুৰুৱে আনন্দ মনেৰে অনুমতি দিয়াত সত্যব্ৰতে ক'লে— "আপোনাৰ পৰাই আমি জানিব পাৰিছোঁ

গুৰুদেৱ, পৃথিৱীত এনে ঠাই নাই, য'ত ঈশ্বৰ নাই। আমি এনে একো কাম কৰিব নোৱাৰোঁ, যি কাম ঈশ্বৰে দেখা নোপোৱাকৈ থাকে। ঈশ্বৰৰ বিষয়ে পুথিতো পঢ়িছোঁ।

সকলোতে থাকে তেওঁ প্ৰভু ভগৱান,
সকলোকে দেখে তেওঁ সৰ্বশক্তিমান।
সকলোকে জানে তেওঁ জ্ঞানৰ আকৰ,
সত্য তেওঁ, শিৱ তেওঁ, পৰম সুন্দৰ।

সেই কাৰণেই গুৰুদেৱ! মই কি শক্তিৰে কোনেও নেদেখা ঠাই বিচাৰি উলিয়াম? আনে নেদেখিলেও ঈশ্বৰে নিশ্চয় দেখিব! লোকৰ ধন-সোণ চুৰ কৰি ডকা-হকা দি আনিলে সেইকথা আনে নেজানিলেও ঈশ্বৰে জানিব। তেওঁ মোৰ অন্তৰতে বহি, মই কৰা সকলো ভাল-বেয়া কাম চাই আছে। মানুহক ঠগিব পাৰিলেও ঈশ্বৰৰ চকুত কেনেকৈ ধূলি দিম? মই এনে অসৎ উপায়েৰে গুৰুদক্ষিণা গোটাব নোৱাৰোঁ। মোক আন সজ বাট দেখুৱাই দিয়ক গুৰুদেউ!"



বেদকণ্ঠই তেওঁৰ ভেটগুটীয়া শিষ্যৰ মুখত এনে জ্ঞানগৰ্ভ বাণী শুনি বৰ আনন্দিত হ'ল। তেওঁ সত্যব্ৰতক ধইন ধইন দি আন ছাত্ৰবিলাকক গুলোটাই মাতি আনিবলৈ আদেশ দিলে। প্ৰকৃততে তেওঁ গুৰুদক্ষিণা বিচৰা নাছিল। ইমানদিনে ছাত্ৰবিলাকক যি শিক্ষা দিছিল, তাৰ মহলা লৈছিল মাথোন। সেই মহলাত একমাত্ৰ সত্যব্ৰতৰ বাহিৰে আন কোনো ছাত্ৰ উত্তীৰ্ণ হ'ব নোৱাৰিলে। গুৰুৰে শিকোৱা জ্ঞান ভালদৰে আয়ত্ত কৰিব পাৰি সত্যব্ৰতেহে প্ৰকৃত গুৰুদক্ষিণা দিব পাৰিলে।

*(উৎস ঃ 'ল'ৰাৰ জাতক', সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা শিশু-সাহিত্য সম্ভাৰ, পৃষ্ঠা ঃ ২১৮৫-৮৬, তৃতীয় খণ্ড, প্ৰথম প্ৰকাশ ঃ ২০০৭, সম্পাদনা - সূৰ্য হাজৰিকা)*

*(বৌদ্ধধৰ্মৰ 'জাতকমালা'ৰ একৈশটা সাধুৰ অসমীয়াকৰণেৰে ৰচনা কৰা 'ল'ৰাৰ জাতক' অতুলচন্দ্ৰ হাজৰিকাৰ উল্লেখনীয় পুথি। 'জাতকৰ সাধু' পৃথিৱীজুৰি জনপ্ৰিয় আৰু ই বহু ভাষালৈ অনুবাদিত হৈছে। ১৯৭৩ চনত প্ৰকাশিত 'ল'ৰাৰ জাতক'ৰ, সাধুবোৰ যদিও 'জাতক'ৰ, তথাপি এইবোৰ সম্পূৰ্ণ অসমীয়াকৰণেৰে শিশুৰ মনোপযোগী কৰিবলৈ ঘটনা একে ৰাখি নাম-কাল-স্থান আদি সলাই দিছে।)*

*পাঠটো প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে দফা-দফাকৈ পঢ়িবলৈ দিব। ছাত্ৰ-ছাত্ৰীৰ পঠন অৰ্হতা বিকাশ হোৱালৈ লক্ষ্য ৰাখিব।*

ক্রিয়া-কলাপ

## ক — পাঠভিত্তিক ক্রিয়া

১) **পাঠৰ কাহিনীভাগ নিজৰ কথাৰে কোৱা।**

২) **ছবিখনত কাহিনীটোৰ কোনটো অংশ প্ৰকাশ পাইছে বহলাই কোৱা।**



৩) **শব্দৰ অৰ্থ শিকি লোৱা।**

নামজ্বলা — প্ৰখ্যাত; ভাল নাম থকা।
চতুষ্পাঠী — বেদ বিদ্যালয়; টোল (টোলত ব্যাকৰণ, কাব্য, স্মৃতি আৰু দৰ্শন- এই চাৰিটা বিষয় পঢ়ুওৱা হয়)।
হৃষ্টচিত্তে — ৰঙেৰে; আনন্দৰে।
চৈত-ফুৰি — চ'ত মাহত ফুৰি সংগ্ৰহ কৰা ধন। (কামৰূপত চ'তক 'চৈত' মাহ বোলে)
সাউদ — মুদৈ; বেপাৰী; সদাগৰ।
মহলা — বিদ্যালয়ৰ শ্ৰেণী; পৰীক্ষা।
ছেগ — সময়ৰ ভাগ; কোনো কাম কৰিবৰ প্ৰকৃত সময়; ছল।
খোকোজা — কথা কওঁতে বা পঢ়োঁতে সহজে মুখেৰে কথা নোলোৱা।
আকৰ — কোনো বস্তু উৎপন্ন হোৱা ঠাই; খনি।
ভেঁটগুটীয়া — ভেঁট ফুলৰ গুটিৰ নিচিনা সৰু।

৪) **উত্তৰ দিয়া।**

(ক) ভাৰতৰ প্ৰাচীন বিশ্ববিদ্যালয় দুখনৰ নাম লিখা।

(খ) লুইতৰ দাঁতিৰ কোন ঠাইত এখন বিশ্ববিদ্যালয় আছিল?

(গ) বশিষ্ঠ আশ্ৰমৰ টোলৰ অধ্যাপকজনৰ নাম কি?

(ঘ) ছাত্ৰসকলে বছৰত একোবাৰ নগৰলৈ কিয় যাব লগা হৈছিল?

(ঙ) গুৰুৰ পৰামৰ্শ কোনজন ছাত্ৰে গ্ৰহণ কৰিব নোৱাৰিলে?

(চ) প্ৰকৃত গুৰুদক্ষিণা কোনে দিব পাৰিলে?

৫) **চমু উত্তৰ দিয়া।**

(ক) গুৰুৱে ছাত্ৰসকলক ওচৰলৈ মাতি আনি কি কৈছিল?

(খ) ছাত্ৰসকলক গুৰুৱে কি উপায়েৰে ধন গোটাই অনাৰ পৰামৰ্শ দিছিল?

(গ) গুৰুৰ পৰামৰ্শ পাই ছাত্ৰসকলে কি কৰিলে?

(ঘ) গুৰুৰ অনুমতি পাই সত্যব্ৰতে কি ক'লে?

৬) **কোনে কাক কেতিয়া কৈছিল লিখা।**

(ক) "বাছাহঁত! মই বুঢ়া হৈ আহিছোঁ। উপাৰ্জনো টুটি আহিছে। তহঁতক ইমানদিনে পঢ়াই শুনাই খুঁটি খাব পৰা কৰিবলৈ সদায় যত্ন কৰিছোঁ।"

(খ) "আপুনি মাথোন আমাক কৰ্তব্যহে সোঁৱৰাই দিছে। এতিয়া আমি কি উপায়েৰে ধন-সোণ গোটাই আনিম, অনুগ্ৰহ কৰি আমাক দিহা লগাই দিয়ক।"

(গ) "আপোনাৰ পৰাই আমি জানিব পাৰিছোঁ, পৃথিৱীত এনে ঠাই নাই, য'ত ঈশ্বৰ নাই।"

৭) **সাধুটো নিজৰ কথাৰে চমুকৈ লিখা।**

৮) **তলৰ কথাখিনিৰ মূলভাৱ লিখা।**

"সকলোতে থাকে তেওঁ প্ৰভু ভগৱান,
সকলোকে দেখে তেওঁ সৰ্বশক্তিমান।
সকলোকে জানে তেওঁ জ্ঞানৰ আকৰ,
সত্য তেওঁ, শিৱ তেওঁ, পৰম সুন্দৰ।"

☞ *কথাখিনি ছাত্ৰ-ছাত্ৰীক বুজাই দিব।*

## খ — ভাষা অধ্যয়ন (ব্যাবহাৰিক ব্যাকৰণ)

**৯) পাঠৰ পৰা যুৰীয়া শব্দবোৰ বিচাৰি উলিয়াই লিখা।**

যেনে— খুজি-মাগি

**১০) তলৰ শব্দবোৰৰ সমাৰ্থক শব্দ লিখা।**



ধনী —

দক্ষিণা —

উজু —

টুটি যোৰা —

ডাঙৰ —

**১১) বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।**

আনন্দ ধনী গুৰু উজু প্ৰাচীন

জানো আহা

"বেদকণ্ঠ বিদগ্ধ পণ্ডিত। ব্যাকৰণ, স্মৃতি, ন্যায়, দৰ্শন আদি সকলো শাস্ত্ৰৰ কথা তেওঁৰ জিভাৰ আগতেই। বেদকণ্ঠৰ চতুষ্পাঠীত দুকুৰিজনমান ছাত্ৰৰ আছিল।"

ওপৰৰ কথাখিনিৰ তলত আঁচ টনা পদকেইটালৈ মন কৰা।

**বেদকণ্ঠ** ঃ এই পদে নাম বুজাইছে। সেইবাবে ই **বিশেষ্য পদ**। ব্যক্তি, স্থান, গুণ, সময় আদিৰ নাম বুজোৱা পদেই **বিশেষ্য পদ**।

**বিদগ্ধ** ঃ 'বিদগ্ধ' পদে 'পণ্ডিত' পদৰ বিশেষ গুণ বুজাইছে। আন পদৰ গুণ, দোষ, সংখ্যা বা পৰিমাণ, অৱস্থা, আধিক্য, উচ্চতা আদি বুজোৱা পদকে **বিশেষণ পদ** বোলে।

**তেওঁৰ** ঃ এই পদক 'বেদকণ্ঠ'ৰ বিকল্প হিচাপে ব্যৱহাৰ কৰা হৈছে। বিশেষ্য পদৰ বিকল্প ৰূপে ব্যৱহৃত পদক **সৰ্বনাম পদ** বোলে।

**আছিল** ঃ এই পদে কৰ্তাৰ কাৰ্য সম্পন্ন হোৱা বুজাইছে। কৰ্তাৰ কাৰ্য বা উদ্দেশ্য সম্পূৰ্ণ বা অসম্পূৰ্ণভাৱে (অসমাপিকা আৰু নঞৰ্থকৰ ক্ষেত্ৰত) সম্পন্ন কৰা পদক **ক্ৰিয়া পদ** বোলা হয়।

**আদি** ঃ এনে পদ কেতিয়াও বিভক্তিযুক্ত নহয় আৰু সদায় একে ৰূপতে থাকে। বাক্যত কেতিয়াও ৰূপ সলনি নোহোৱা পদকে **অব্যয় পদ** বোলে।

১২) উপযুক্ত বিশেষণ পদেৰে তালিকাখন পূৰ কৰা।

উদাহৰণ—

| বিশেষণ | বিশেষ্য |
|---|---|
| প্ৰখ্যাত | বিশ্ববিদ্যালয় |
| | পণ্ডিত |
| | মানুহ |
| | হাতী |
| | গ্ৰন্থ |
| | মহিলা |
| | আম |
| | মাত |

## গ — জ্ঞান সম্প্ৰসাৰণ

১৩) 'গুৰুদক্ষিণা' পাঠত থকা 'ভেঁটগুটীয়া' শব্দটোৱে সৰু ল'ৰাক বুজাইছে। এই ভেঁটগুটীয়া শব্দটোৰ আধাৰত দলগতভাৱে এটি গল্প লিখা।

১৪) 'গুৰুদক্ষিণা' কাহিনীটোৰ কথাখিনি সংলাপ আকাৰে লিখা আৰু শ্ৰেণীকোঠাত অভিনয় কৰা। (সকলোৱে নাটকত ভাগ ল'বা। অভিনয় নকৰাসকলে নাটকৰ বাবে প্ৰয়োজনীয় কাম-কাজ কৰিবা।)

১৫) চাৰি/পাঁচজনীয়া দলত ভাগ হৈ এই বছৰৰ ৫ছেপ্তেম্বৰ দিনটো তোমালোকে কেনেদৰে পালন কৰিবা, তাৰ আঁচনি প্ৰস্তুত কৰা।

১৬) 'গুৰুদক্ষিণা' কাহিনীটোৰ পৰা আমাৰ পুৰণি শিক্ষাব্যৱস্থাৰ বিষয়ে পাঁচটা বাক্য লিখা।

১৭ ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিষয়ে শিক্ষকক সুধি জানি লোৱা।

☞ *সংলাপ লিখাত সহায় কৰিব*

জানো আহা

> পালিভাষাত লিখা বৌদ্ধধৰ্মৰ জাতকমালাই হৈছে 'জাতকৰ সাধু'ৰ মূল। জাতক শব্দৰ অৰ্থই জন্ম সম্পৰ্কীয় বিষয়ক বুজায়। 'জাতকমালা'ত ভগৱান বুদ্ধৰ ৫৪৭ টা জন্মৰ কথা উল্লেখ আছে। ইয়াৰ লিখক হিচাপে আচাৰ্য বুদ্ধঘোষকেই ভবা হয় যদিও ইয়াৰ লিখক আচলতে এজন নহয়। বেলেগ বেলেগ সময়ত ভিন ভিন লিখকে এইবোৰ ৰচনা কৰিছিল।
>
> জাতকবোৰ ঘাইকৈ নীতিকথামূলক। এই সাধুবোৰৰ পৰা পুৰণি ভাৰতবৰ্ষৰ বিষয়ে বহু কথা জানিব পাৰি।

১৮) ছবি দুখন চাই কি দেখিছা কোৱা।






১৯) ছবিখনত থকা শব্দৰে নালন্দা বিশ্ববিদ্যালয়ৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰা।




## ঘ — প্ৰকল্প

- ল'ৰাৰ জাতক, পঞ্চতন্ত্ৰ নাইবা বাতৰি কাকতৰ শিশু-শিতানত প্ৰকাশ পোৱা সাধু সংগ্ৰহ কৰি পঢ়া। তাৰে দুটা সাধুৰ নাম, লেখকৰ নাম আৰু সাধু দুটা চমুকৈ লিখা।

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- কোনো কাহিনী/গল্প সজাই-পৰাই নিজৰ কথাৰে ক'ব পৰা
- নতুন শব্দৰ অৰ্থ জনা আৰু বাক্য সাজিব পৰা
- পাঠটো শুদ্ধ উচ্চাৰণেৰে স্পষ্টকৈ পঢ়িব পৰা আৰু বুজি পোৱা
- বৰ্তমানৰ শিক্ষা ব্যৱস্থা আৰু পুৰণি শিক্ষা ব্যৱস্থাৰ বিষয়ে জনা
- শিক্ষকক সন্মান কৰিবলৈ শিকা
- অসৎ উপায়েৰে ধন ঘটাৰ মনোবৃত্তি ত্যাগ কৰিবলৈ শিকা
- যুৰীয়া শব্দ, সমাৰ্থক শব্দ লিখিব পৰা
- ছবি চাই বিষয়বস্তু ক'ব পৰা
- ল'ৰাৰ জাতক, পঞ্চতন্ত্ৰ নাইবা বাতৰি কাকতৰ সাধু পঢ়ি বুজি পোৱা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **সাধু** | সাধু শুনি নিজৰ কথাৰে ক'ব পৰা | সাধু পাঠ পঢ়ি বুজি পোৱা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | শব্দৰ অৰ্থ জনা | মূলভাব লিখিব পৰা | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | বাক্য সাজিব পৰা | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | সমাৰ্থক শব্দ লিখিব পৰা | পদৰ বিষয়ে জনা | বিশেষ্যক বিশেষণ পদলৈ নিব পৰা | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | জাতক কাক বোলে জনা | অভিনয় কৰিব পৰা | সংলাপ লিখিব জনা | দেশৰ বিখ্যাত বিশ্ববিদ্যালয়ৰ বিষয়ে জনা | ছবি চাই তাৰ বিষয়ে ক'ব পৰা | |
| | | | | | | |
| **প্ৰকল্প** | ল'ৰাৰ জাতক, পঞ্চতন্ত্ৰৰ বিষয়ে জনা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৬

R9G3F9

# মিত্ৰামিত্ৰ

*মানুহক জীৱশ্ৰেষ্ঠ বুলি অভিহিত কৰা হয়। কৰ্ম আৰু চিন্তা শক্তিৰ দিশৰ পৰা হয়তোবা কথাষাৰ মিছা নহয়। কিন্তু তথাকথিত বুদ্ধিমান মানুহে নিজ স্বাৰ্থৰ বাবে কৰিব নলগীয়া কাৰ্যত লিপ্ত হ'বও পাৰে। আনকি, আনৰ অনিষ্ট কৰিবলৈকো কুণ্ঠাবোধ নকৰে। জীৱ-জন্তুৰ ক্ষেত্ৰত এই কথা নাখাটে; কিয়নো, পোহনীয়া জীৱ-জন্তুৰ কথা বাদেই, বন্য জন্তুবোৰেও অনাহকত কাকো আক্ৰমণ নকৰে। 'মিত্ৰামিত্ৰ' নাটিকাখনিৰ মাধ্যমত মানুহৰ স্বাৰ্থান্বেষী চৰিত্ৰ আৰু জীৱ-জন্তুৰ কৃতজ্ঞতাবোধৰ কথা জানিব পাৰিবা।*



[*ৰাজ কাৰেঙৰ এটা কক্ষত মহাৰাজ অতি দুখ মনেৰে বহি আছে। কাষত বহি আছে মহামন্ত্ৰী।*]

**মহাৰাজ** — সকলো শেষ হৈ গ'ল মহামন্ত্ৰী!

**মহামন্ত্ৰী** — *(হুমুনিয়াহ এৰি)* আপোনাক সান্ত্বনা দিবলৈ মোৰো যে কোনো ভাষা নাই মহাৰাজ!

**মহাৰাজ** — এতিয়া কি হ'ব উপায়? এবাৰ প্ৰচণ্ড শোক পাই থৈছোঁৱেই। আৰু এটা শোক! হে ভগৱান! মই আৰু কিমান সহিম!

**মহামন্ত্ৰী** — ধৈৰ্য ধৰাটো ভাল মহাৰাজ। ভগৱানে কিবা উপায় দিবও পাৰে।

**মহাৰাজ** — আৰু কি উপায় বাকী থাকিব পাৰে মহামন্ত্ৰী? দেশ-বিদেশৰ উত্তম বেজসকলেও মহাৰাণীক জীয়াই তুলিব নোৱাৰিলে! হে ঈশ্বৰ!
*(এজন দ্বাৰপালে হেঁপাই-ফোঁপাই প্ৰৱেশ কৰে।)*

**দ্বাৰপাল** — মহাৰাজৰ জয় হওক। মহাৰাজৰ জয় হওক।

**মহাৰাজ** — কিবা খবৰ দ্বাৰপাল?

দ্বাৰপাল — এটা ভাল খবৰ আছে মহাৰাজ।

মহাৰাজ — ভাল খবৰ? শীঘ্ৰে কোৱা।

দ্বাৰপাল — মহাৰাজ, যজ্ঞদত্ত নামৰ ব্ৰাহ্মণ বন্দীজনৰ কথাকে ক'বলৈ বিচাৰিছোঁ, যিজনক কাইলৈ প্ৰত্যুষতে শূলবিদ্ধ কৰা হ'ব।

মহাৰাজ — ৰাজকোঁৱৰৰ ঘাতক বন্দীজনৰ কথাকে কৈছানে?

দ্বাৰপাল — হয় মহাৰাজ। তেওঁ বোলে মহাৰাণীক জীয়াই তুলিব পাৰিব!

মহাৰাজ, মহামন্ত্ৰী — কি ক'লা?



মহাৰাজ — যদি সেয়ে সত্য, তেন্তে শীঘ্ৰে তেওঁক কাৰাগাৰৰ পৰা মুকলি কৰি ৰাণীৰ ওচৰলৈ লৈ যোৱা।

দ্বাৰপাল — যিবা আজ্ঞা মহাৰাজ। (দ্বাৰপালৰ প্ৰস্থান)

মহাৰাজ — (মন্ত্ৰীৰ হাতত ব্যাকুলতাৰে ধৰি) এয়া সম্ভৱ জানো মহামন্ত্ৰী?

মহামন্ত্ৰী — অসম্ভৱ নহয় মহাৰাজ। ঈশ্বৰে ইচ্ছা কৰিলে অসম্ভৱকো সম্ভৱ কৰিব পাৰে।

*[ মহাৰাজৰ নিৰ্দেশত দ্বাৰপালে যজ্ঞদত্তক মহাৰাণীৰ ওচৰলৈ লৈ গ'ল আৰু যজ্ঞদত্তৰ পৰশত মহাৰাণী জী উঠিল]*

( নেপথ্যত কোনোৱে চিঞৰি উঠিব— "যজ্ঞদত্তৰ স্পৰ্শত মহাৰাণী জী উঠিল, মহাৰাণী জী উঠিল")

মহাৰাজ — (কাণ পাতি দূৰৈৰ পৰা অহা ধ্বনিবোৰ শুনাৰ চেষ্টা কৰিব) আপুনি কিবা শুনিছেনে মহামন্ত্ৰী?

**মহামন্ত্ৰী** — (মনোযোগেৰে শুনিব) হয় মহাৰাজ। ঈশ্বৰে নিশ্চয় আমাৰ আটাইৰে প্ৰাৰ্থনা শুনিলে। (ওপৰলৈ চাই সেৱা জনাব)

(নেপথ্যৰ পৰা 'যজ্ঞদত্তৰ জয় হওক,' 'মহাৰাণীৰ জয় হওক,' 'মহাৰাজৰ জয় হওক,' আদি ধ্বনি ভাঁহি আহিব)


**মহাৰাজ** — (ব্যাকুলতাৰে) ভাল খবৰ জনোৱা দ্বাৰপালজনক মই কি পুৰস্কাৰেৰে পুৰস্কৃত কৰিম?

**মহামন্ত্ৰী** — মহাৰাজ, আপুনি যজ্ঞদত্ত নামৰ বন্দীজনৰ কথাও ভাবক। যিজনে জীৱন দিব পাৰে, সেইজনে কাৰোবাৰ প্ৰাণ ল'ব পাৰেনে? স্বৰ্ণকাৰে সঁচা কথা কৈছিল জানো? নে পুৰস্কাৰৰ আশাত...

**মহাৰাজ** — (চিন্তা কৰি) এৰা! আপুনি হয়তো ঠিকেই ভাবিছে!

**(আঁৰ কাপোৰ পৰে।)**

**দ্বিতীয় দৃশ্য**



[*মহাৰাজৰ কক্ষত মহাৰাজ, মহামন্ত্ৰী আৰু যজ্ঞদত্তই আনন্দমনে কথা পাতি আছে। সন্মুখত সুস্বাদু খাদ্য*]

**মহাৰাজ** — আহাৰ গ্ৰহণ কৰক যজ্ঞদত্ত!

**যজ্ঞদত্ত** — (সেমেকা হাঁহি মাৰি) মহাৰাজ, মই হলোঁ দৰিদ্ৰ ব্ৰাহ্মণ। এনেবোৰ খাদ্য খোৱাৰ অভ্যাস মোৰ নাই! লোভতে গ্ৰহণ কৰিলেও পেটৰ অসুখহে হ'ব!

**মহাৰাজ** — (হাঁহি) আপুনি দেখোন বিদূষককো চেৰ পেলাব! আপুনি মহাৰাণীক জীয়াই তোলাৰ বাবে অশেষ ধন্যবাদ। (হাঁহি সামৰি) বাৰু, এতিয়া আমি আচল কথালৈ আহোঁ। (দুখ

মনেৰে) আপুনি আমাৰ নিৰুদ্দিষ্ট ৰাজকোঁৱৰৰ অলংকাৰবোৰ ক'ত পাইছিল?

**যজ্ঞদত্ত** — (অলপ গহীন হৈ, হুমুনিয়াহ পেলাই) এয়া বৰ দীঘলীয়া কাহিনী মহাৰাজ!

**মহামন্ত্ৰী** — হ'ব, আপুনি যেনেকৈ কয় কওক; তীক্ষ্ণ বুদ্ধিৰ মহাৰাজে সকলো বুজি পাব।

**যজ্ঞদত্ত** — তেন্তে শুনক মহাৰাজ। মই চমুৱাই কওঁ। মই বৰ দুখীয়া পৰিয়ালৰ লোক। আমি প্ৰায়েই লঘোনে থাকিবলগীয়া হয়। সেইবাবে মোক এলেহুৱা বুলি পত্নীয়ে সদায় ককৰ্থনা কৰে। তেওঁৰ ককৰ্থনা সহিব নোৱাৰি সেইদিনা মই ঘৰৰ পৰা ওলাই গ'লোঁ। এনেদৰে গৈ গৈ এখন ডাঠ হাবিত সোমালোঁ। এনেতে তাত বহুতো প্ৰাণীৰ আৰ্তনাদ শুনি মই ঘাঁহেৰে আবৃত্ত এটা কুঁৱাৰ কাষ পালোঁগৈ।

**মহামন্ত্ৰী** — তাৰ পাছত?

**যজ্ঞদত্ত** — তললৈ জুমি চাই দেখিলোঁ— সেই কুঁৱাটোত এটা বাঘ, এডাল সাপ, এটা বান্দৰ আৰু এজন মানুহ পৰি আবদ্ধ হৈ আছে।

**মহাৰাজ** — (উদ্বিগ্নতাৰে) আপুনি আটাইকে উদ্ধাৰ কৰিলেনে?

**যজ্ঞদত্ত** — হয় মহাৰাজ। সকলোকে উদ্ধাৰ কৰাৰ পাছত আটায়ে মোক কিবা-কিবি দিম বুলি প্ৰতিশ্ৰুতি দিলে। বান্দৰ, বাঘ আৰু সৰ্পই নিশ্চয়কৈ সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিলে। বান্দৰে মোক সুমিষ্ট ফল দিলে আৰু সি মোক বাঘৰ গুহালৈ লৈ গ'ল। বাঘে যথাবিধি সেৱা সৎকাৰ কৰি মোক এসোপামান অলংকাৰ দি ক'লে— "এয়া ৰাজকোঁৱৰৰ অলংকাৰ আছিল। আজিৰ পৰা এইবোৰ আপোনাৰ।"

**মহামন্ত্ৰী** — মহাৰাজ, মই ঠিকেই অনুমান কৰিছিলোঁ যে এইজন দৰিদ্ৰ ব্ৰাহ্মণে ধন-সোণৰ লোভত অপকৰ্ম কৰিব নোৱাৰে। ৰাজকুমাৰক এখেতে...

**মহাৰাজ** — কৈ যাওক ডাঙৰীয়া। কৈ যাওক।

**যজ্ঞদত্ত** — আমাৰ দৰিদ্ৰতা নিবাৰণৰ অৰ্থে সেই অলংকাৰখিনি লৈ মই গাঁতৰ পৰা উদ্ধাৰ কৰা স্বৰ্ণকাৰজনৰ ওচৰ পালোঁগৈ। তেওঁ ক'লে— "অলংকাৰখিনি এতিয়া মোক দিয়ক। ইয়াৰ শুদ্ধাশুদ্ধি পৰীক্ষা কৰি আনোগৈ। শুদ্ধ সোণ হ'লে আপোনাক উপযুক্ত মূল্য দিয়া হ'ব।" এই বুলি কৈ তেওঁ প্ৰস্থান কৰিলে আৰু...

**মহাৰাজ** — আৰু ৰাজসভা পালেহি। নহয়নে? তাৰ কথা বিশ্বাস কৰি মই আপোনাক বন্দী কৰিলোঁ! ছিঃ ছিঃ!

**মহামন্ত্ৰী** — (চিন্তা কৰি) কিন্তু... আপুনি মহাৰাণীক জীয়াই তুলিলে কেনেকৈ?

**যজ্ঞদত্ত** — বন্দী অৱস্থাতে মই অবিৰতভাৱে ঈশ্বৰৰ নাম স্মৰণ কৰিবলৈ ধৰিলোঁ। অৱশেষত গাঁতৰ পৰা উদ্ধাৰ পোৱা সৰ্প আহি মোৰ সন্মুখত উপস্থিত হ'লহি আৰু মোক ক'লে— "আপুনি চিন্তা নকৰিব। ঈশ্বৰৰ আদেশ আৰু মহাৰাণীৰ কপালৰ লিখন অনুসৰি মই তেওঁৰ গালৈ বিষবাণ মাৰিম। আপোনাৰ স্পৰ্শৰ বাহিৰে কোনো চিকিৎসাই তেওঁক জীৱন্ত কৰিব নোৱাৰিব।" সৰ্পৰ কথা মতেই কাম হ'ল।

**মহাৰাজ** — মই সকলো বুজি পালোঁ যজ্ঞদত্ত মহাশয়। আপুনি সম্পূৰ্ণ নিৰ্দোষী। আপোনাৰ নিৰ্দোষিতা প্ৰমাণৰ বাবে আৰু একোৰে প্ৰয়োজন নাই। আপোনাৰ কাৰ্যত সন্তুষ্ট হৈ মই এই মুহূৰ্তৰ পৰাই আপোনাক মন্ত্ৰিত্ব প্ৰদান কৰিলোঁ।

**যজ্ঞদত্ত** — (হাতযোৰ কৰি) অশেষ ধন্যবাদ মহাৰাজ!

**মহাৰাজ** — ধন্যবাদৰ প্ৰয়োজন নাই মন্ত্ৰীবৰ যজ্ঞদত্ত! (বাহিৰলৈ চাই চিঞৰি) কোন ক'ত আছ? (লৰা-ধপৰাকৈ দ্বাৰপালৰ প্ৰৱেশ।)

**দ্বাৰপাল** — আদেশ কৰক মহাৰাজ!

**মহাৰাজ** — (যজ্ঞদত্তলৈ আঙুলিয়াই) এখেতৰ পৰিয়ালটোক শীঘ্ৰেই সসন্মানে ৰাজ কাৰেঙলৈ অনাৰ ব্যৱস্থা কৰিবলৈ কোৱা। (খঙেৰে) সেই কৃতঘ্ন স্বৰ্ণকাৰজনক অতি শীঘ্ৰে বন্দী কৰি আনা।

**দ্বাৰপাল** — যিবা আজ্ঞা মহাৰাজ!

(দ্বাৰপালৰ প্ৰস্থান। মহাৰাজে আসনৰ পৰা উঠি কিবা চিন্তা কৰিব। তেওঁলৈ চাই মহামন্ত্ৰী আৰু যজ্ঞদত্তও থিয় হ'ব।)

**মহামন্ত্ৰী** — মহাৰাজ এতিয়া বা কি চিন্তাত নিমগ্ন হৈছে!

**মহাৰাজ** — চিন্তা কৰা নাই মহামন্ত্ৰী; তুলনাহে কৰিছোঁ। এমুঠি অন্নৰ বিনিময়ত সামান্য কুকুৰ এটায়ো তাৰ প্ৰভুভক্তিৰ পৰিচয় দিয়ে। ইয়াৰ বিপৰীতে জীৱনদাতাকো জীৱশ্ৰেষ্ঠ মনুষ্য জাতিয়ে তিলমাত্ৰ কৃতজ্ঞতাৰ উপহাৰ দিব নাজানে! তেন্তে শ্ৰেষ্ঠ কোন? মানুহ নে আন প্ৰাণী? এই প্ৰাণীবোৰক আমি অলপ মৰম-স্নেহ আৰু ভালপোৱা দিব নোৱাৰোঁনে?

**(আঁৰ কাপোৰ পৰে।)**

*[নাটিকাখন 'পঞ্চতন্ত্ৰ'ৰ প্ৰথম তন্ত্ৰ 'মিত্ৰভেদ'ৰ 'কৃতজ্ঞ প্ৰাণী আৰু কৃতঘ্ন মনুষ্য' নামৰ কাহিনীটোৰ আলমত শিশু উপযোগীকৈ ৰচনা কৰা হৈছে।]*

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

১) **শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰ বা অভিধান চাই জানি লোৱা।**

| | | |
|---|---|---|
| কক্ষ | নিৰুদ্দিষ্ট | কৃতজ্ঞ |
| প্ৰচণ্ড | ককৰ্থনা | প্ৰভুভক্ত |
| শীঘ্ৰে | প্ৰতিশ্ৰুতি | কৃতঘ্ন |
| প্ৰত্যুষতে | সুমিষ্ট | ন্যায়পৰায়ণ |
| শূলবিদ্ধ | যথাবিধি | উদাসীন |
| ঘাতক | সৎকাৰ | সহানুভূতিশীল |
| স্বৰ্ণকাৰ | নিমগ্ন | তিলমাত্ৰ |

২) **উত্তৰ দিয়া।**

(ক) যজ্ঞদত্তই উদ্ধাৰ কৰা মানুহজনৰ বৃত্তি কি?

(খ) সৰ্পই কাৰ শৰীৰত বিষবাণ মাৰিছিল?

(গ) বাঘে যজ্ঞদত্তক দিয়া অলংকাৰখিনি কাৰ আছিল?

(ঘ) মহাৰাণীক জীয়াই তোলাৰ পুৰস্কাৰ স্বৰূপে মহাৰাজে যজ্ঞদত্তক কি প্ৰদান কৰিলে?

(ঙ) কাৰ ককৰ্থনা সহিব নোৱাৰি দৰিদ্ৰ লোকজনে ঘৰ এৰি অৰণ্যত প্ৰৱেশ কৰিছিল?

৩) **নাটিকাখন ভালদৰে পঢ়ি ইয়াৰ অন্তৰ্নিহিত ভাবটো কোৱা।**

৪) **নাটিকাখন পঢ়িবলৈ চাৰিজনীয়া দল গঠন কৰা আৰু চাৰিজনৰ প্ৰত্যেকে মহাৰাজ, মহামন্ত্ৰী, যজ্ঞদত্ত আৰু দ্বাৰপালৰ চৰিত্ৰ ভগাই লৈ ক্ৰম ৰক্ষা কৰি নাটকীয়ভাৱে সংলাপবোৰ পঢ়া।**

৫) **কোনে কাক কৈছিল লিখা।**

(ক) "দ্বাৰপালজনক মই কি পুৰস্কাৰেৰে পুৰস্কৃত কৰিম?"

(খ) "এয়া ৰাজকোঁৱৰৰ অলংকাৰ আছিল। আজিৰ পৰা এইবোৰ আপোনাৰ।"

(গ) "আপুনি চিন্তা নকৰিব। ঈশ্বৰৰ আদেশ আৰু মহাৰাণীৰ কপালৰ লিখন অনুসৰি মই তেওঁৰ গালৈ বিষবাণ মাৰিম।"

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

জানো আহা

তোমালোকে আগৰ শ্ৰেণীসমূহত সন্ধিৰ বিষয়ে পাই আহিছা। তৎসম শব্দ সাধনৰ ক্ষেত্ৰত সন্ধিৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। বৰ্ণৰ লগত বৰ্ণৰ মিলনকে **সন্ধি** বোলা হয়। প্ৰথম শব্দৰ শেষৰ বৰ্ণ আৰু দ্বিতীয় শব্দৰ প্ৰথম বৰ্ণৰ মিলনৰ ফলত সন্ধিৰ সৃষ্টি হয়। যেনে-

মিত্ৰ + অমিত্ৰ = মিত্ৰামিত্ৰ (অ+অ=আ)

(ম+ই+ত+ৰ+অ+অ+ম+ই+ত+ৰ+অ= ম+ই+ত+ৰ+আ+ম+ই+ত+ৰ+অ)

সংস্কৃত ব্যাকৰণৰ নিয়ম অনুসৰি সন্ধি তিনি প্ৰকাৰৰ ঃ **স্বৰসন্ধি, ব্যঞ্জনসন্ধি** আৰু **বিসৰ্গ সন্ধি**।

স্বৰবৰ্ণৰ লগত স্বৰবৰ্ণৰ মিলনক **স্বৰসন্ধি** বোলা হয়। যেনে—

| | | | | |
|---|---|---|---|---|
| সূৰ্য | + | উদয় | = | সূৰ্যোদয় (অ+উ=ও) |
| নীল | + | উৎপল | = | নীলোৎপল (অ+উ=ও) |
| মৰু | + | উদ্যান | = | মৰুদ্যান (উ+উ=উ) |
| পৰ | + | অধীন | = | পৰাধীন (অ+অ=আ) |

ব্যঞ্জনবৰ্ণৰ লগত স্বৰবৰ্ণৰ আৰু ব্যঞ্জনবৰ্ণৰ লগত ব্যঞ্জনবৰ্ণৰ মিলনকে **ব্যঞ্জনসন্ধি** বোলা হয়। যেনে—

| | | | | |
|---|---|---|---|---|
| উৎ | + | নতি | = | উন্নতি (ব্য.+ ব্য.) |
| মৃৎ | + | ময় | = | মৃন্ময় (ব্য.+ ব্য.) |
| সৎ | + | আশয় | = | সদাশয় (ব্য.+ স্ব.) |
| প্ৰাক্ | + | ঐতিহাসিক | = | প্ৰাগৈতিহাসিক (ব্য.+ স্ব.) |

বিসৰ্গ (ঃ)ৰ লগত স্বৰ বা ব্যঞ্জনবৰ্ণৰ সন্ধিকে **বিসৰ্গসন্ধি** বোলে। যেনে—

মনঃ + যোগ = মনোযোগ, তিৰঃ + কাৰ = তিৰস্কাৰ

৬) **তলৰ শব্দবিলাকৰ সন্ধি ভাঙা আৰু কি সন্ধি লিখা।**

মিত্ৰামিত্ৰ ———— পুৰস্কাৰ ————

স্বৰ্ণালঙ্কাৰ ———— উদ্ধাৰ ————

শুদ্ধাশুদ্ধি ———— জগন্নাথ ————

৭) **শব্দবোৰৰ স্বৰসন্ধি, ব্যঞ্জনসন্ধি আৰু বিসৰ্গসন্ধি নিৰ্ণয় কৰি তালিকাভুক্ত কৰা।**

উদ্‌গতি (উৎ + গতি) সংস্কৃত (সম্ + কৃত)
জনৈক (জন + এক) গঙ্গোৰ্মি (গঙ্গা + ঊৰ্মি)
প্ৰত্যুত্তৰ (প্ৰতি + উত্তৰ) লোকাচাৰ (লোক + আচাৰ)
দেৱেশ্বৰ (দেৱ + ঈশ্বৰ) নিস্বাৰ্থ (নিঃ + স্বাৰ্থ)
দুৰ্নীতি (দুঃ + নীতি) উল্লাস (উৎ + লাস)
প্ৰত্যেক (প্ৰতি + এক) তপোবন (তপঃ + বন)

| স্বৰসন্ধি | ব্যঞ্জনসন্ধি | বিসৰ্গসন্ধি |
|---|---|---|
| জনৈক | উদ্‌গতি | দুৰ্নীতি |
| | | |

৮) **পাঠত সুস্বাদু আৰু সুমিষ্ট শব্দ দুটা আছে। এনেধৰণৰ 'সু' উপসৰ্গযুক্ত পাঁচটা শব্দ লিখি উলিওৱা।**

## গ — জ্ঞান সম্প্ৰসাৰণ

জানো আহা

'মিত্ৰামিত্ৰ'ক 'নাট' নুবুলি 'নাটিকা' বোলা হৈছে। 'নাটিকা' হ'ল 'নাট'ৰ ক্ষুদ্ৰ ৰূপ। 'নাট'ত থকা পূৰ্ণ আখ্যান বা কাহিনীৰ পৰিবৰ্তে 'নাটিকা'ত খণ্ডিত কাহিনী বা ঘটনাৰ বিকাশ ঘটোৱা হয়। নাট+ইকা=নাটিকা। এনেদৰে-'-ইকা' প্ৰত্যয়যুক্ত ৰূপবোৰে ক্ষুদ্ৰত্ব বুজায়। আমি আমাৰ ব্যৱহাৰিক জীৱনত এনে ক্ষুদ্ৰাৰ্থবোধক শব্দ প্ৰায়ে পাই থাকোঁ।

৯) **তলত দিয়া শব্দবোৰৰ ক্ষুদ্ৰাৰ্থবোধক ৰূপবোৰ লিখি অৰ্থ উল্লেখ কৰা।**

কণ - কণিকা, ক্ষুদ্ৰকণা, সৰু সৰু টোপাল। মণি -
পুস্তক - কথা -
পত্ৰ - লতা -

১০) ছবি চাই প্ৰশ্নৰ উত্তৰ দিয়া।




(ক) ছবিকেইখনত প্ৰকাশ পোৱা কাহিনীটো কোৱা।

(খ) দুজন বন্ধুৰ এজনে ভালুক দেখি ক'ত উঠিল?

(গ) আনজন বন্ধুৱে কি কৰিলে?

(ঘ) ভালুকটোৱে ওচৰ চাপি আহি কি কৰিলে?

(ঙ) শেষত বন্ধু দুজনে কি কথা পাতিলে?

১১) শিক্ষকক সুধি শ্ৰীশ্ৰীমাধৱদেৱৰ 'চোৰধৰা' অথবা 'পিম্পৰা গুচোৱা'ৰ কাহিনীটো জানি লোৱা আৰু শ্ৰেণীত সেই কাহিনী নিজৰ কথাৰে কোৱা।

১২) তলৰ কথাখিনি নাটকীয় সংলাপত লিখা।

*মহাৰাজে তেওঁৰ জীয়ৰী ৰাজকন্যা মণিমালাক বুজাইছে যে ফুলবোৰ প্ৰকৃতিৰ অনুপম সৃষ্টি। সেইবোৰ ছিঙিলে মৰহি যায়। কিন্তু গছত সেই ফুলবোৰ সজীৱ হৈ থাকে। নিজৰ খোপা সজাবলৈ বা গোন্ধ ল'বলৈ জধে-মধে ছিঙিব নালাগে।*

১৩) 'মিত্ৰামিত্ৰ' নাটিকাখনত মহাৰাজৰ ন্যায়-পৰায়ণতা প্ৰকাশ পাইছে। লগতে সাধাৰণ প্ৰাণীবোৰৰ প্ৰতি তেওঁৰ সহানুভূতি আৰু মৰম-চেনেহো প্ৰকাশিত হৈছে। জীৱ-জন্তুৰ প্ৰতি আমি কিয় দয়া-মৰম প্ৰদৰ্শন কৰিব লাগে, শিক্ষকৰ সহায়ত আলোচনাচক্ৰ পাতি নিজৰ নিজৰ মতামত দাঙি ধৰা।

জানি থওঁ আহা

শ্ৰীমন্ত শংকৰদেৱে **'চিহ্নযাত্ৰা'** নাট ৰচনাৰ যোগেদি অঙ্কীয়া নাটৰ পাতনি মেলিছিল বুলি চৰিত পুথিত উল্লেখ পোৱা যায়। 'চিহ্নযাত্ৰা'ৰ কোনো লিখিত ৰূপ উদ্ধাৰ হোৱা নাই। তেওঁৰ আনকেইখন নাট হ'ল— **পত্নীপ্ৰসাদ, কালিয়দমন, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাতহৰণ** আৰু **ৰামবিজয়**।

শ্ৰীশ্ৰীমাধৱদেৱে **চোৰধৰা, পিম্পৰা-গুচোৱা, ভোজন-বিহাৰ, অৰ্জুন-ভঞ্জন** আৰু **ভূমি-লেটোৱা** নাট ৰচনা কৰিছিল। **অৰ্জুন-ভঞ্জনৰ** বাহিৰে তেওঁৰ আন নাটকেইখনক **ঝুমুৰা** বোলা হয়।

গুণাভিৰাম বৰুৱাৰ **ৰামনৱমী** (১৮৫৭ চন) আৰু হেমচন্দ্ৰ বৰুৱাৰ **কানীয়া কীৰ্তন** (১৮৬১ চন) নাটৰ যোগেদি আধুনিক অসমীয়া নাট ৰচনা আৰম্ভ হৈছিল।

## ঘ — প্ৰকল্প

- শিক্ষকৰ সহযোগত তোমালোকৰ বিদ্যালয়ৰ আটাইতকৈ ওচৰত থকা সত্ৰলৈ বা নাট্য মন্দিৰলৈ গৈ নাট্যদলৰ নাটকৰ অভিনয় চোৱা। চাই কি কি দেখিলা, টোকাবহীত লিপিবদ্ধ কৰা।
- পাঠত থকা যিকোনো এবিধ জন্তুৰ ছবি আঁকি ৰং বোলোৱা।

*ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰিব।*

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- শিশু উপযোগী নাটিকা বা আন পুথি শুদ্ধকৈ পঢ়ি বুজিব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- নাটকৰ সংলাপ শুনি বুজি পোৱা
- নাটকীয় ভংগীৰে সংলাপ ক'ব পৰা
- উপদেশমূলক কথা শুনি সাৰমৰ্ম উপলব্ধি কৰিব পৰা
- মূল্যবোধ সম্পৰ্কীয় আলোচনাত অংশ লৈ নিজৰ বক্তব্য প্ৰকাশ কৰিব পৰা
- সংলাপ আদি ৰচনা কৰিব পৰা
- সন্ধিৰ বিষয়ে ধাৰণা লাভ কৰা
- উপসৰ্গৰ যোগত সৃষ্টি হোৱা বেলেগ বেলেগ শব্দ ভাবি উলিয়াব পৰা
- শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ অঙ্কীয়া নাটকেইখনৰ নাম জনা
- বন্যপ্ৰাণীৰ প্ৰতি প্ৰেম, সদাচাৰ, ন্যায়-পৰায়ণতা আদি মনোভাব গঢ়ি উঠা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **নাটিকা** | নাটিকাৰ সংলাপবোৰ নাটকীয়ভাৱে পঢ়িব পৰা | নাটিকাৰ অন্তৰ্নিহিত ভাব উপলব্ধি কৰিব পৰা | নাটকৰ চৰিত্ৰসমূহৰ চাৰিত্ৰিক পাৰ্থক্য বুজি পোৱা | | | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | সন্ধিৰ বিষয়ে ধাৰণা লাভ কৰিব পৰা | নিৰ্দ্দিষ্ট উপসৰ্গৰ যোগত সৃষ্ট বেলেগ বেলেগ শব্দ ক'ব পৰা | সন্ধি চিনাক্ত (স্বৰ নে ব্যঞ্জন নে বিসৰ্গ সন্ধি) কৰিব পৰা | | | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | 'নাটিকা' আদি ক্ষুদ্ৰাৰ্থবোধক শব্দৰ সৈতে পৰিচয় হোৱা | অঙ্কীয়া নাটৰ লগত পৰিচয় হোৱা | সংলাপ ৰচনা কৰিব পৰা | সজগুণৰ প্ৰতি আকৃষ্ট হোৱা | জীৱ-জন্তুৰ প্ৰতি মৰম ওপজা | |
| | | | | | | |
| **প্ৰকল্প** | নাটকৰ অভিনয় চাই নাটখনিৰ বিষয়ে লিখিব পৰা | জীৱ-জন্তুৰ ছবি আঁকিব পৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৭

# ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা

J3X2E6

*ভাষা-সাহিত্যৰ জৰিয়তে একোটা জাতিৰ গৰিমা প্ৰতিফলিত হয়। যি জাতিৰ উন্নত ভাষা-শৈলী থাকে, সেই জাতিৰহে বিকাশ হোৱাটো সম্ভৱ। অসমীয়া ভাষা-সাহিত্যৰ সমৃদ্ধিৰ অৰ্থে অবিৰতভাৱে চিন্তা আৰু কাৰ্য কৰা লোকসকলৰ ভিতৰত অন্যতম ব্যক্তি হ'ল লক্ষ্মীনাথ বেজবৰুৱা। এই পাঠটোৰ জৰিয়তে বেজবৰুৱাৰ ৰসাল ভাষা-শৈলীৰ চানেকি আৰু তেখেতৰ জীৱন সম্পৰ্কে কিছু কথা জানিব পাৰিবা।*

সাধু শুনি তোমালোকে ভাল পোৱানে? 'বুঢ়ী আইৰ সাধু' পুথিখনৰ সাধু ইতিমধ্যে তোমালোকে পঢ়িছা আৰু শুনিছাও। 'দীঘল-ঠেঙীয়া'ৰ সাধুটো মনত আছেনে? সেই যে বাঘে চোৰক আৰু চোৰে বাঘক দীঘল-ঠেঙীয়া বুলি ভাবি ভিৰাই লৰ মাৰিছিল! এনে ৰসাল কথাৰে সাধু পুথি লিখা ব্যক্তিগৰাকীয়েই হৈছে লক্ষ্মীনাথ বেজবৰুৱা। অকল সাধুৰেই নহয়, তেখেতে নিজৰ জীৱনৰ ঘটনাবোৰো বৰ ৰসালকৈ 'মোৰ জীৱন সোঁৱৰণ' নামৰ আত্মজীৱনীখনত লিখি থৈ গৈছে। তেখেতৰ আত্মজীৱনীত থকা তেনে এটি ৰসাল ঘটনাৰ একাংশ তোমালোকে পঢ়াচোন—



"তিৰোতাই আৰু ঘাইকৈ ঘৰৰ বোৱাৰী-জীয়ৰীয়ে চিঠি লেখাটো (নিজৰ স্বামী হ'লেও) সেই সময়ত অকৰণীয় অকাৰ্যৰ ভিতৰুৱা বুলি বিবেচিত হৈছিল। সেইদেখি ৰবৰৌৱে অতি সংগোপনে তেওঁৰ চিঠি লেখি তাক মোৰ হতুৱাই শুধৰাই চলিব পৰা কৰি, মোৰ হতুৱায়েই অতি গুপুতভাৱে ডাকত দিয়াইছিল। বুদ্ধিৰ ঢেঁকী-ঠোৰা মই কিন্তু তেওঁৰ প্ৰথমখন চিঠি ডাকত দিওঁতেই লগালোঁ জেঙা। চিঠিখন চেলেঙৰ তলত ভৰাই লৈ মই ডাকঘৰ পালোঁগৈ, কিন্তু ক'ত চিঠিখন পেলাব লাগে নাজানি ডাকঘৰৰ সন্মুখতে পৰি থকা ভগা পেৰা এটাৰ ভিতৰত দিলোঁ সুমাই। ওচৰতে এটা মানুহ আছিল, সি ক'লে, "সেইখন চিঠি ডাকত দিবলৈ আনি তাত সুমাই দিলা কিয়? ডাকত এইপিনে ইয়াতহে দিব লাগে।" মোৰ ভুল বুজিব পাৰি মুখ শুকাই গ'ল। সেই ভগা পেৰাটোৰ যি সুৰুঙাইদি চিঠিখন সুমাই দিছিলোঁ সেই সুৰুঙাত হাত নোসোমায়। মই মোৰ বিপদৰ কথা 'পোষ্ট মাষ্টৰ' বাবুক ক'লত, তেওঁ মোৰ মুখৰ ফালে অলপমান চাই থাকি দয়াপৰৱশ হৈ উঠি আহি বাকচটোৰ ভগাডোখৰ আৰু ভাঙি বহলাই লৈ চিঠিখন উলিয়াই আনি মোৰ হাতত দি ক'ত দিব লাগে দেখুৱাই দিলত, মই তাতে দি নিশ্চিন্ত মনেৰে ঘৰলৈ উভতি আহিলোঁ।"

বেজবৰুৱাৰ লেখাৰ প্ৰায়বোৰ কথাই এনেদৰে ৰসেৰে উপচি থকা বাবে তেখেতক 'ৰসৰাজ' উপাধি দিয়া হৈছিল। লক্ষ্মীনাথ বেজবৰুৱা আছিল বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি। তেখেতে সাধুকথা, হাস্যব্যংগাত্মক ৰচনাৰ লগতে কবিতা, গল্প, নাটক, জীৱনী, উপন্যাস, তত্ত্বগধুৰ প্ৰবন্ধ আদিও ৰচনা কৰিছিল। অসমীয়া সাহিত্যৰ প্ৰায় সকলো দিশলৈ আগবঢ়োৱা বৰঙণিৰ বাবে তেখেতক 'সাহিত্যৰথী' উপাধিৰে সন্মানিত কৰা হৈছিল।

অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ বাবে বেজবৰুৱাই যৎপৰোনাস্তি চেষ্টা কৰিছিল। সেই সময়ত কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰই অসমীয়া ভাষাৰ উন্নতিৰ বাবে 'অসমীয়া সাহিত্য চ'ৰা' স্থাপন কৰিছিল। এই সাহিত্য চ'ৰাই পাছলৈ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰূপে প্ৰতিষ্ঠা লাভ কৰে। লক্ষ্মীনাথ বেজবৰুৱাইও উচ্চ শিক্ষাৰ বাবে তেতিয়া কলিকতাত পঢ়ি আছিল। 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ মুখপত্ৰ স্বৰূপ 'জোনাকী' নামৰ কাকতৰ যোগেদি বেজবৰুৱাই অসমীয়া ভাষা সাহিত্যলৈ অৰিহণা যোগাইছিল।

বেজবৰুৱা আছিল এগৰাকী গীতিকাৰো। তেখেতৰ 'অ' মোৰ আপোনাৰ দেশ' গীতটি তোমালোকে বিভিন্ন অনুষ্ঠানত পৰিৱেশন কৰা শুনিছা। এনেধৰণৰ জাতীয় চেতনা জাগ্ৰত কৰা আন কবিতাও বেজবৰুৱাই লিখিছিল। তেনে এটি কবিতা হ'ল— 'অসম-সংগীত'। কবিতাটিৰ এটা অংশ গাওঁ আহাচোন—

আমি অসমীয়া, নহওঁ দুখীয়া,
কিহৰ দুখীয়া হ'ম?
সকলো আছিল, সকলো আছে,
নুবুজোঁ নলওঁ গম।
শঙ্কৰে দিলে বিশুদ্ধ ধৰম,
লাচিতে বাহুত বল,
সতী জয়মতী সতীত্ব তেজেৰে
অসমী আই প্ৰবল।
বাজক দবা, বাজক শঙ্খ
বাজক মৃদং খোল,
অসম আকৌ উন্নতি-পথত
'জয় আই অসম' বোল।



(উৎস ঃ বেজবৰুৱা- গ্ৰন্থাৱলী প্ৰথম খণ্ড, পৃষ্ঠা-২৮; দ্বিতীয় খণ্ড, পৃষ্ঠা ৯৯৩, সাহিত্য প্ৰকাশ, ট্ৰিবিউন বিল্ডিংছ, গুৱাহাটী-৩)

**লক্ষ্মীনাথ বেজবৰুৱাৰ চমু পৰিচয় (১৮৬৪-১৯৩৮ চন)** — লক্ষ্মীনাথ বেজবৰুৱাৰ পিতৃৰ নাম দীননাথ বেজবৰুৱা আৰু মাতৃৰ নাম থানেশ্বৰী দেৱী আছিল। তেখেতে শিৱসাগৰত স্কুলীয়া শিক্ষা সমাপ্ত কৰি কলিকতা (কলকাতা)ৰ চিটী কলেজৰ পৰা বি.এ. পাছ কৰে। চৰকাৰী চাকৰি প্ৰত্যাখ্যান কৰি বেজবৰুৱাই কাঠৰ ব্যৱসায় কৰে। ৰবীন্দ্ৰনাথ ঠাকুৰ পৰিয়ালৰ কন্যা প্ৰজ্ঞা সুন্দৰী দেৱীক তেখেতে বিয়া কৰায়। অসম সাহিত্য সভাৰ গুৱাহাটীত অনুষ্ঠিত সপ্তম অধিৱেশনত তেখেতে সভাপতিত্ব কৰে। অসমীয়া সাহিত্যত এটা যুগৰ সৃষ্টি কৰা বেজবৰুৱাৰ ৰচনাসমূহৰ কিছুমান হ'ল— **বুঢ়ী আইৰ সাধু, ককাদেউতা আৰু নাতি-ল'ৰা, জুনুকা, লিতিকাই, পাচনি, নোমল, বেলিমাৰ, চক্ৰধ্বজ সিংহ, জয়মতী কুঁৱৰী, শংকৰদেৱ, মোৰ জীৱন-সোঁৱৰণ** ইত্যাদি।

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া

১) উত্তৰ লিখা।

(ক) লক্ষ্মীনাথ বেজবৰুৱাক কিয় 'ৰসৰাজ' উপাধি দিয়া হৈছিল?

(খ) তেখেতৰ আত্মজীৱনীখনৰ নাম কি?

(গ) লক্ষ্মীনাথ বেজবৰুৱাক কোনে ডাকত চিঠি দিবলৈ দিছিল?

(ঘ) চিঠিখন লক্ষ্মীনাথ বেজবৰুৱাই ক'ত সুমুৱাই দিছিল?

(ঙ) শিশু লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতি কোন দয়াপৰৱশ হৈছিল?

(চ) লক্ষ্মীনাথ বেজবৰুৱাৰ দুখন সাধু পুথিৰ নাম লিখা।

২) চমু উত্তৰ দিয়া।

(ক) অসমীয়া ভাষাৰ উন্নতিৰ বাবে লক্ষ্মীনাথ বেজবৰুৱাই কি কৰিছিল?

(খ) লক্ষ্মীনাথ বেজবৰুৱাক কিয় 'সাহিত্যৰথী' উপাধিৰে সন্মানিত কৰা হৈছিল?

(গ) 'অ' মোৰ আপোনাৰ দেশ' গীতটিক কি সংগীত বোলে?

৩) পাঠত উল্লেখ থকা লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ৰ ঘটনাটো নিজৰ কথাৰে কোৱা আৰু লিখা।

৪) **কোনে কাক কি প্ৰসঙ্গত কৈছিল পাঠৰ আধাৰত লিখা।**

"সেইখন চিঠি ডাকত দিবলৈ আনি তাত সুমাই দিলা কিয় ?"

৫) **পাঠত থকা কঠিন শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰ বা অভিধান চাই জানি লোৱা।**

| | | | | |
|---|---|---|---|---|
| সংগোপন | দয়াপৰৱশ | যৎপৰোনাস্তি | হাস্যব্যংগাত্মক | বহুমুখী |
| তত্ত্বগধুৰ | পৰিগণিত | নিশ্চিন্ত | সুৰুঙা | ভিৰাই লৰ মাৰ্ |

৬) আমি অসমীয়া, নহওঁ দুখীয়া,
কিহৰ দুখীয়া হ'ম ?
সকলো আছিল, সকলো আছে,
নুবুজোঁ নলওঁ গম।

(ক) ওপৰৰ কবিতাফাকি কোনটো কবিতাৰ পৰা তুলি দিয়া হৈছে?

(খ) কবিতাফাকি কাৰ ৰচনা ?

(গ) কবিতাফাকিৰ জৰিয়তে কবিয়ে কি ক'বলৈ বিচাৰিছে?

৭) **লক্ষ্মীনাথ বেজবৰুৱাৰ বিষয়ে দহটা বাক্য লিখা।**

## খ — ভাষা অধ্যয়ন (ব্যাবহাৰিক ব্যাকৰণ)

৮) **তলত দিয়া শব্দবোৰ পঢ়া আৰু কোনটো কি পদ তালিকাখনত শ্ৰেণীভুক্ত কৰা।**

লক্ষ্মীনাথ তেওঁ মই কলকতা শ্ৰীমন্ত শংকৰদেৱ শ্ৰীশ্ৰীমাধৱদেৱ মোৰ কৰে ধুনীয়া তাই শুৱনি সি তোমালোক দুষ্টালি ৰসাল দীঘল মিঠা দয়া ডাকঘৰ ভগা পেৰা অথবা চন্দ্ৰকুমাৰ গুৱাহাটী আৰু মাৰিছিল যদি

| ক্ৰ. নং | বিশেষ্য | বিশেষণ | সৰ্বনাম | অব্যয় | ক্ৰিয়া |
|---|---|---|---|---|---|
| ১ | | | | | |
| ২ | | | | | |
| ৩ | | | | | |
| ৪ | | | | | |

জানো আহা

**বাপেকৰ চিলমিলকৈ টোপনি আহিছিল, পুতেকে তাৰ টোপনিত ব্যাঘাত কৰা দেখি সি আমনি পাই উত্তৰ দিলে, "মাখিয়ে মিঠে খাইছে যদি খাওক, তই মোক দিগদাৰি কৰি নাথাকিবি।"**

— এইটো এটা বাক্য। নিৰ্দিষ্ট ক্ৰমত আবদ্ধ, পাৰস্পৰিক সম্বন্ধযুক্ত, একোটা ভাব সম্পূৰ্ণকৈ প্ৰকাশ কৰিব পৰা পদৰ সমষ্টিক **বাক্য** বোলা হয়।

বাক্যৰ শ্ৰেণী বিভাজন কৰাৰ পদ্ধতি দুটা— (১) গঠন অনুসৰি আৰু (২) ভাব অনুসৰি।

**গঠন অনুসৰি তিনি প্ৰকাৰৰ বাক্য পোৱা যায়—**

**(ক) সৰল বাক্য ঃ** যি বাক্যৰ অংশ সেই বাক্যৰ আন অংশৰ অধীন নহয়, তাকে **সৰল বাক্য** বোলে। এনে বাক্যত এটা কৰ্তা আৰু এটা সমাপিকা ক্ৰিয়া থাকে।

**যেনে—** (১) আমি কিতাপ পঢ়িলোঁ। (২) সিহঁতে ফুটবল খেলিছে।

**(খ) মিশ্ৰ বা জটিল বাক্য ঃ** যি বাক্যত এটা প্ৰধান অংশ আৰু এটা বা ততোধিক অপ্ৰধান অংশ থাকে, তাকে **মিশ্ৰ বা জটিল বাক্য** বোলা হয়।

**যেনে—** তুমি যে আহিবা, মই ভাবিবই পৰা নাছিলোঁ।

— ইয়াত 'মই ভাবিবই পৰা নাছিলোঁ' প্ৰধান আৰু 'তুমি যে আহিবা' অপ্ৰধান বা অধীন অংশ।

**(গ) যৌগিক বা সংযুক্ত বাক্য ঃ** যি বাক্যত দুটা বা ততোধিক সৰল বা মিশ্ৰ বাক্য যোজক অব্যয়ৰ দ্বাৰা যুক্ত হৈ থাকে, সেই বাক্যকে **যৌগিক বাক্য** বোলা হয়।

**যেনে—** আমি ৰাতি ভাত খাওঁ আৰু ৰামুহঁতে ৰুটী খায়।

**কিছুমান যোজক অব্যয়ৰ উদাহৰণ ঃ** কিন্তু, যদি, এতেকে, কিয়নো, নাইবা, নতুবা, তেন্তে আৰু ইত্যাদি।

**ভাব বা অৰ্থ অনুসৰি বাক্য পাঁচ প্ৰকাৰৰ —**

**(ক) নিশ্চয়াত্মক বা নিৰ্দেশাত্মক বাক্য ঃ** সাধাৰণভাৱে মনৰ ভাব প্ৰকাশ কৰে।

**যেনে—** মই বজাৰলৈ যাওঁ। দেউতা আজি অফিচলৈ নাযায়।

**(খ) প্ৰশ্নবোধক বাক্যঃ** প্ৰশ্ন সোধা বুজায়।

**যেনে—** তোমালোকে কল খাই ভাল পোৱানে?

**(গ) ইচ্ছাত্মক বাক্য ঃ** আশীৰ্বাদ দিয়া, মঙ্গল কামনা কৰা, ইচ্ছা প্ৰকাশ কৰা আদি ভাব প্ৰকাশক বাক্য।

**যেনে—** ঈশ্বৰে তোমাৰ কল্যাণ কৰক!

**(ঘ) অনুজ্ঞাবোধক বাক্য ঃ** আদেশ, অনুৰোধ আদি প্ৰকাশ কৰে।

**যেনে—** (১) সদায় সঁচা কথা ক'বা। (২) শীঘ্ৰে আক্ৰমণ কৰা!

**(ঙ) ভাববোধক বাক্য ঃ** হৰ্ষ, বিষাদ, ক্ৰোধ, ঘৃণা আদিয়ে বিশেষ বিশেষ ভাব প্ৰকাশ কৰে।

**যেনে—** (১) বাঃ, কি সুন্দৰ চিত্ৰ! (২) ছিঃ, কেনে ঘৃণনীয় কাৰ্য!

৯)　সোঁ-ফালৰ খালী বাকচত একোটাকৈ বাক্য লিখা।

| | | | |
|---|---|---|---|
| এটা | সৰল | বাক্য | |
| | মিশ্ৰ | | |
| | যৌগিক | | |
| | নিশ্চয়াত্মক | | |
| | প্ৰশ্নবোধক | | |
| | ইচ্ছাত্মক | | |
| | অনুজ্ঞাবোধক | | |
| | ভাববোধক | | |

**১০) বাক্য পৰিৱৰ্তন কৰা।**

(ক) যিজন লোক চোৰ স্বভাৱৰ, তেওঁক সকলোৱে সন্দেহৰ চকুৰে চায়। (সৰল বাক্যলৈ নিয়া)

(খ) ৰমেনে মাকৰ কথা শুনি গাঁৱতে থাকি খেতি-বাতি কৰিবলৈ ধৰিলে। (যৌগিক বাক্যলৈ নিয়া)

(গ) আমি আজি নগৰলৈ যাম। (প্ৰশ্নবোধক বাক্যলৈ নিয়া)

(ঘ) তোমালোক ৰাতিপুৱা সোনকালে উঠা উচিত। (অনুজ্ঞাবোধক বাক্যলৈ নিয়া)

**১১) উপযুক্ত যোজক অব্যয়েৰে খালী ঠাই পূৰ কৰা।**

(ক) মই উদ্যানলৈ যাম __________ মুক্ত বায়ু সেৱন কৰিম। (কিন্তু/আৰু)

(খ) ৰাম স্কুললৈ নগ'ল, __________ ৰহিম গ'ল। (যদি/আৰু/কিন্তু)

(গ) আমি ফল-মূল কিনি খাম __________ ৰেষ্টোৰাঁত বহি চাহ, মিঠাই খাম। (কিন্তু/নাইবা/যদি)

১২) ফুলপাহত থকা শব্দবোৰ পঢ়া আৰু তাৰ পৰা শব্দ আনি তলৰ বাক্যবোৰ সম্পূৰ্ণ কৰা।




(ক) শ্ৰীৰামৰ ____________ সীতাও বনলৈ গৈছিল।

(খ) মাকে জীয়েকৰ ____________ কিতাপ কিনিছে।

(গ) তুমি ____________ সময়মতে আহা ____________ মই যাম।


(ঘ) মোৰ ____________ তুমি চিন্তা নকৰিবা।

(ঙ) প্ৰচণ্ড বৰষুণৰ ____________ ৰাস্তাত পানী জমা হৈছে।

(চ) তেওঁ ____________ তুমি গুৱাহাটীলৈ যাবা।

(ছ) তোমাক ____________ সিহঁতে বৰ ভাল পালে।


১৩) বাক্য ৰচনা কৰা।




## গ — জ্ঞান সম্প্ৰসাৰণ

১৪) পাঠটোত 'অসম-সংগীত' কবিতাটিৰ ছয়শাৰী দিয়া আছে। কবিতাটিৰ বাকী অংশ সংগ্ৰহ কৰি গোৱা।

১৫) পাতৰ বাক্যৰে গছ সজোৱা।




- গা-গছত এটা বাক্য সজাই দিয়া হৈছে। এতিয়া ডালত থকা খালী অংশত বাক্য সজোৱা।
- গছৰ বাক্যবোৰেৰে এটা দফা সজাই লিখা।

১৬) লক্ষ্মীনাথ বেজবৰুৱাই স্বাধীনচিতীয়াকৈ কাঠৰ ব্যৱসায়কে বৃত্তি হিচাপে গ্ৰহণ কৰিছিল। তুমি ডাঙৰ হৈ কি বৃত্তি লোৱাৰ কথা ভাবিছা চমুকৈ লিখা।

**১৭ ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'লট্‌কন' সাধুটোৰ এটা অংশ পঢ়োঁ আহা।**

## লট্‌কন

এখন দেশত লট্‌কন নামেৰে এটা বৰ দুখীয়া বামুণ আছিল। বামুণৰ ঘৈণীয়েকজনী বৰ মুখ চোকা আছিল। গিৰীয়েকে টকা কড়ি ঘটি আনিব নোৱাৰে দেখি তাই সদায় গিৰীয়েকক দপালি থাকে। ঘৈণীয়েকৰ দপালনি খাই খাই এদিন বামুণৰ মনত বৰকৈ বেজাৰ লাগিল। সি ভাবিলে, "মই ঘৰৰ পৰা ওলাই যাওঁ। ৰূপবান এগাল ঘটি আনিব নোৱাৰিলে আৰু মই ঘৰলৈ উভতি নাহোঁ।" ইয়াকে ভাবি বামুণ পুৱাই ঘৰৰপৰা গুচি গ'ল।




বামুণে যাওঁতে যাওঁতে বেলি দুপৰ হ'ল। তেতিয়ালৈকে তাৰ পেটিত খুদ-কণ এটিও পৰা নাই। ভোকে পিয়াহে বামুণক জৰ্জ্জৰিত কৰিলে। এনেতে আলিৰ কাষতে বামুণে এখন মিঠৈৰ দোকান দেখি ওচৰ চাপি গ'ল। দুপৰীয়া মিঠৈৰ দোকানৰ গৰাকীটোৱে খাই-বৈ উঠি তাৰ ৮ বছৰীয়া পুতেকক দোকান ৰখীয়া পাতি, সিটো কোঠালিত অলপ শুইছিল। বামুণ দোকানৰ ওচৰতে থিয় হ'লতে ল'ৰাটোৱে সুধিলে, "তোমাক কি লাগে? তোমাৰ নাম কি?" বামুণে উত্তৰ দিলে, "মই মিঠৈ খাবলৈ আহিছোঁ; মোৰ নাম মাখি।" এইবুলি বামুণে টপ্‌কৰে মিঠৈ মুখত সুমাবলৈ ধৰিলে। বামুণৰ কাম দেখি ল'ৰাটোৱে বাপেকক মাতি ক'লে, "বোপাই, বোপাই, মাখিয়ে মিঠৈ খাইছে।" বাপেকৰ চিলমিলকৈ টোপনি আহিছিল, পুতেকে তাৰ টোপনিত ব্যাঘাত কৰা দেখি সি আমনি পাই উত্তৰ দিলে, "মাখিয়ে মিঠৈ খাইছে যদি খাওক, তই মোক দিগদাৰি কৰি নাথাকিবি।" এই কথা শুনি বামুণে লাহেকৈ ক'লে, "শুনিলি এতিয়া? তোৰ বাপেৰে মোক মিঠৈ খাবলৈহে কৈছে।" এইবুলি বামুণে মিঠৈবোৰ খাই আধ্যা কৰিলে। ল'ৰাটোৱে দেখি সহিব নোৱাৰি আকৌ ৰিঙিয়াই বাপেকক ক'লে— "বোপাই, মাখিয়ে মিঠৈবোৰ খাই আধ্যা কৰিলে।" এইবাৰ বাপেকে ভেকাহি মাৰি দি ক'লে, "আধ্যা কৰিলে যদি কৰক, তই কেপ্‌কেপাই নাথাকিবি।"

*(উৎস : বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃষ্ঠা -৮৯৯, সাহিত্য-প্ৰকাশ, ১৯৮৮ চন)*

**১৮) সাধুটোৰ বাকী অংশ তোমালোকে নিজৰ ধৰণেৰে সজাই সম্পূৰ্ণ কৰা।**

*শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ মাজত সাধু কোৱাৰ প্ৰতিযোগিতা পাতিব। সকলো ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰিব।*

**বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ (১৮৬১- ১৯৪১ চন)**— কলিকতা (কলকাতা)ৰ জোৰাসাঁকোৰ ঠাকুৰ



পৰিয়ালত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম। ৰবীন্দ্ৰনাথ ঠাকুৰ একাধাৰে কবি, নাট্যকাৰ, ঔপন্যাসিক, চুটিগল্পকাৰ, সাহিত্য-সমালোচক, সংগীতকাৰ আৰু চিত্ৰশিল্পী। প্ৰতিটো বিভাগতে তেওঁৰ সৃষ্টি আছিল অসাধাৰণ শিল্পগুণেৰে সমৃদ্ধ। ১৯১৩ চনত ৰবীন্দ্ৰনাথে তেখেতৰ মহৎ গ্ৰন্থ 'গীতাঞ্জলি'ৰ বাবে নোবেল বঁটা লাভ কৰে। বহুমুখী সাহিত্যিক প্ৰতিভাৰ অধিকাৰী বিশ্বকবিৰ আন কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল— মানসী, ঘৰে বাইৰে, সোণাৰ তৰী, গোৰা, ডাক-ঘৰ। স্বদেশী আন্দোলনৰ সমৰ্থনত তেখেতে বহুত দেশপ্ৰেমমূলক গীত ৰচনা কৰিছিল। পৌৰাণিক ভাৰতৰ শিক্ষা পদ্ধতিৰ আৰ্হিত ১৯০৩ চনত তেখেতে বিশ্ববিখ্যাত শান্তিনিকেতন স্থাপন কৰে।

**মহাৰাজকুমাৰী বিনোদিনী (১৯২২-২০১১ চন)**— মণিপুৰী সাহিত্যৰ প্ৰসিদ্ধ লেখিকা




মহাৰাজকুমাৰী বিনোদিনীৰ দেউতাক আছিল চাৰ চড়াচনা মহাৰাজ। চুটি গল্প, উপন্যাস, ভ্ৰমণ কাহিনী, ৰেডিঅ' নাটক, চিত্ৰনাট্য আদি লিখাৰ উপৰি তেখেত এগৰাকী গীতিকাৰো আছিল। মহাৰাজকুমাৰী বিনোদিনীয়ে লাভ কৰা পুৰস্কাৰ আৰু উপাধিসমূহ হ'ল— য়ামিনী সুন্দৰ গুহো গোল্ড মেডেল, সাহিত্য অকাডেমী এৱাৰ্ড, কমল কুমাৰী নেচনেল এৱাৰ্ড আৰু পদ্মশ্ৰী সন্মান।

**যোগেন্দ্ৰ কুমাৰ বসুমতাৰী (১৯২০-২০১০ চন)** — আজীৱন বড়ো ভাষা সাহিত্যৰ উন্নয়নৰ



হকে সংগ্ৰাম কৰা যোগেন্দ্ৰ কুমাৰ বসুমতাৰীৰ প্ৰচেষ্টাতে বড়ো ভাষাই শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি লাভ কৰে। বড়ো ভাষাৰ লগতে অসমীয়া ভাষাতো তেখেতে কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। তদুপৰি ১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলন আৰু ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত তেখেতে যোগদান কৰিছিল। ভাৰত চৰকাৰৰ পৰা তেখেতে 'তাম্ৰপত্ৰ' আৰু অসম চৰকাৰৰ পৰা স্বাধীনতা যুঁজাৰু হিচাপে পেঞ্চন লাভ কৰাটো উল্লেখ্যযোগ্য।

**হৰিভক্ত কটুৱাল (১৯৩৫-১৯৮০ চন)**— বহুমুখী প্ৰতিভাসম্পন্ন নেপালী কবি হৰিভক্ত কটুৱাল।



অষ্টম শ্ৰেণীত পঢ়ি থকা সময়তে স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিছিল। তেখেত একাধাৰে কবি, গীতিকাৰ, নাট্যকাৰ, অভিনেতা আৰু চিত্ৰকৰ আছিল। তেখেতৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল— (১) সমঝ্না (গীতি সংগ্ৰহ), (২) সুধা, (৩) য়ো জিন্দগী খৈ কে জিন্দগী আৰু (৪) বদনাম মেৰা আঁখাহৰু। হৰিভক্ত কটুৱালে ৰয়েল অকাডেমী পদক, স্বৰ্ণপদক, শ্ৰেষ্ঠ কবি পুৰস্কাৰ আদি সন্মান লাভ কৰিছিল।

**হাৱাড দেনিচন মোমিন (১৯১৩ চন)** — গাৰো জাতিলৈ গৌৰৱ কঢ়িয়াই অনা আৰু প্ৰথম এম.



এ. পাছ কৰা গাৰো মানুহজনৰ নাম হ'ল শিক্ষাবিদ হাৱাড দেনিচন মোমিন। তেখেতৰ পিতৃৰ নাম দেনিচন মাৰাক আৰু মাতৃৰ নাম এলিছ মোমিন। তেখেতে বহুত কিতাপ লিখিছিল। তাৰ ভিতৰত অন্যতম হ'ল— (১) আচিক খুৰাং (২) মেচিক আৰো তামাখু (৩) দোখুৰা (৪) নাংখো গিছ্কি ৰাগেন (৫) ছেংৰতি (৬) দোমাছিখনি গীত (৭) বিলছি গিতাল আৰু (৮) কবিতা। ৰবীন্দ্ৰনাথ ঠাকুৰৰ কিতাপ 'গীতাঞ্জলি'খন গাৰো ভাষালৈ অনুবাদ কৰিছিল। সেই কাৰণে তেখেতক "নতুন যুগৰ গাৰো জাতিৰ লিখক" বুলি কোৱা হয়।

জানো আহা

'জোনাকী' কাকতৰ জৰিয়তে অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ সূচনা হয়। 'জোনাকী'ৰ সম্পাদক চন্দ্ৰ কুমাৰ আগৰৱালাৰ উপৰি আন দুজন ঘাই হোতা আছিল লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী। অসমীয়া সাহিত্যত এই তিনিওগৰাকী 'জোনাকীৰ ত্ৰিমূৰ্তি' ৰূপে খ্যাত। এই তিনিওগৰাকী কবি-সাহিত্যিকে অসমীয়া সাহিত্য জগতত ৰোমাণ্টিক আন্দোলনৰ পাতনি মেলে।

## ঘ — প্ৰকল্প

- তুমি জনা তিনিগৰাকী সাহিত্যিকৰ চমু পৰিচয় সংগ্ৰহ কৰি লিখা আৰু শ্ৰেণীকোঠাত পঢ়ি শুনোৱা।

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- জীৱনী পঢ়ি বুজি পোৱা
- নতুন শব্দৰ অৰ্থ জনা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- লক্ষ্মীনাথ বেজবৰুৱাৰ বিষয়ে জনা
- পাঠটোৰ জৰিয়তে লক্ষ্মীনাথ বেজবৰুৱাই লাভ কৰা বিভিন্ন উপাধিৰ বিষয়ে জনা
- লক্ষ্মীনাথ বেজবৰুৱাৰ ৰসাল পাঠ পঢ়ি তেনে ধৰণৰ অন্য পাঠ পঢ়িবলৈ আগ্ৰহী হোৱা
- লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতা পঢ়ি জাতীয় চেতনাৰ ভাব জাগ্ৰত হোৱা
- উপযুক্ত সংযোগী (অব্যয়) শব্দৰে বাক্য সম্পূৰ্ণ কৰিব পৰা
- বাক্য ৰচনা কৰিব পৰা
- বিশেষ্য, বিশেষণ, সৰ্বনাম, অব্যয়, ক্ৰিয়া পদ বাছি উলিয়াব পৰা
- বিভিন্ন কবি, সাহিত্যিকৰ বিষয়ে জনা
- কবি, সাহিত্যিকৰ তথ্য আহৰণ কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| জীৱনী পাঠ | জীৱনী পঢ়ি বুজি পোৱা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব আৰু লিখিব পৰা | শব্দৰ অৰ্থ জনা | লক্ষ্মীনাথ বেজবৰুৱাৰ বিষয়ে জনা | লক্ষ্মীনাথ বেজবৰুৱাই লাভ কৰা উপাধিৰ বিষয়ে জনা | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | সংযোগী শব্দৰে বাক্য সম্পূৰ্ণ কৰিব পৰা | বাক্য ৰচনা কৰিব পৰা | পদ বাছি উলিয়াব পৰা | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | কবি, সাহিত্যিকৰ বিষয়ে জনা | দফা সজাই ক্ৰম অনুসাৰে লিখিব পৰা | সাধু প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পৰা | | | |
| | | | | | | |
| প্ৰকল্প | কবি, সাহিত্যিকৰ তথ্য সংগ্ৰহ কৰি লিখিব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লৈ ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লৈ ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৮

# বেবেৰিবাং

শব্দৰ সাৰ্থক প্ৰয়োগে কবিতা ৰসাল কৰি তোলে। অনুৰূপ আৰু অনুকাৰ শব্দবোৰ অসমীয়া ভাষাৰ অনন্য সম্পদ। এনে শব্দৰ সাৰ্থক প্ৰয়োগেৰে আমাৰ কবিয়ে কেনেদৰে সৰু কাহিনী এটাক ৰসাল কবিতা এটিৰ ৰূপ দিছে, চাওঁ আহা।

ফুচুক ফাচাক কথা এটাই
চুচুক চামাক কৈ
জুপুক জাপাক বুঢ়াৰ পেটত
আছিল কথমপি ৰৈ।
*পোলোক পালাক চকুৰে চাই
মোলোক দেউ আহিল
গুজুক গাজাক কথাৰ মেল
তিনি পৰ মান বহিল।
ঘোটোক ঘাটাক চাহ্‌পানী খাই
তামোল মটক্ মাটাক,
মোলোক দেউ যাবলৈ ওলাল
খৰম খটক খাটাক।
ফুচুক ফাচাক কথাই ইফালে
ওলাব নোৱৰা হৈ
ভাত উতলাদি উতলি আছিল
ভুতুক ভাতাক কৈ।





ভল ভলীয়া বুঢ়া সলসলীয়া মুখ

এবাৰ সুৰুঙা পাই

★ঢোলোক ঢালাক বাগৰি পৰিল

ফুচুক ফাচাক কাই।

টুপুক টাপাক বুটলি লৈ

পেটত ভৰালে ঠাহি

মোলোক দেউৰে বাট বুলিলে

মুচুক মাচাক হাঁহি।



*কবি— ড° নিৰ্মলপ্ৰভা বৰদলৈ*

*(উৎস ঃ মকৰা ফুল, পৃষ্ঠা- ২৫৭, সম্পাদনা- নৱকান্ত বৰুৱা, পঞ্চম প্ৰকাশ-২০০৮, প্ৰকাশক - অসম প্ৰকাশন পৰিষদ)*

*★ কবিতাটিত 'পোলোক পালাক', 'ঢোলোক ঢালাক' ৰূপ আছে যদিও অভিধান মতে 'পুলুক্ পালাক্' আৰু 'ঢুলুক্ ঢালাক্' হ'ব লাগে।*

**কবি পৰিচয়**

**ড° নিৰ্মলপ্ৰভা বৰদলৈ (১৯৩৩-২০০৬ চন)**— ড° নিৰ্মলপ্ৰভা বৰদলৈ একাধাৰে কবি, গীতিকাৰ, প্ৰবন্ধকাৰ, শিশু-সাহিত্যিক, ঔপন্যাসিক আৰু অসমীয়া সাহিত্যৰ গৱেষক আছিল। 'বন ফৰিঙৰ ৰং', 'দিনৰ পাছত দিন', 'সমীপেষু', 'অন্তৰংগ', 'সুদীৰ্ঘ দিন আৰু ঋতু' আদি তেখেতৰ উল্লেখযোগ্য কবিতা সংকলন। তেখেতে 'সুদীৰ্ঘ দিন আৰু ঋতু' নামৰ কবিতা পুথিখনৰ বাবে ১৯৮৩ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। বৰদলৈৰ শিশু-সাহিত্যৰ ভিতৰত 'ওমলা গীত', 'কথা সৰিৎসাগৰ', 'সুৰদীমাত', 'সুৰীয়া মাত', 'শালিকা ৰটৌ টৌ' ইত্যাদি উল্লেখযোগ্য। 'চিল চিল চিলা' শিশু পুথিখনৰ বাবে তেখেতে ৰাষ্ট্ৰীয় বঁটা লাভ কৰে। তদুপৰি অসমৰ বিভিন্ন প্ৰান্তৰ দৌল-দেৱালয় আৰু দেৱীকেন্দ্ৰিক গ্ৰন্থ 'দেৱী'ৰ কাৰণে তেখেতে অসম সাহিত্য সভাৰ বঁটা লাভ কৰে। ড° নিৰ্মলপ্ৰভা বৰদলৈ দুধনৈত অনুষ্ঠিত অসম সাহিত্য সভাৰ সভাপতি হৈছিল। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ ৰীডাৰ, প্ৰফেছাৰ আৰু 'জৱাহৰলাল নেহৰু প্ৰফেছাৰ' ৰূপে কাৰ্যনিবাহ কৰি অৱসৰ লয়।

ক্ৰিয়া-কলাপ

## ক — পাঠভিত্তিক ক্ৰিয়া

১) **কবিতাটি স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়া আৰু আবৃত্তি কৰা।**

২) **দলত ভাগ হৈ কবিতাফাকিৰ পৰা তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ লিখা।**

(ক) ফুচুক ফাচাক কথা এটাই
চুচুক চামাক কৈ
জুপুক জাপাক বুঢ়াৰ পেটত
আছিল কথমপি ৰৈ।

- কেনেকুৱা কথাই চুচুক চামাককৈ ৰৈ আছিল?
- কাৰ পেটত কথাটো কথমপি ৰৈ আছিল?

(খ) পোলোক পালাক চকুৰে চাই
মোলোক দেউ আহিল
গুজুক গাজাক কথাৰ মেল
তিনি পৰ মান বহিল।

- পোলোক পালাক চকুৰে চাই কোন আহিছিল?
- কথাৰ মেল কিমান পৰ বহিছিল?

(গ) কবিতাটিৰ কথাখিনি গদ্য ৰূপত কোৱা আৰু লিখা।



৩) ভল ভলীয়া বুঢ়া সলসলীয়া মুখ
এবাৰ সুৰুঙা পাই
ঢোলোক ঢালাক বাগৰি পৰিল
ফুচুক ফাচাক কাই।

— কথাখিনিৰ ভাৱ বহলাই লিখা।

৪) **কবিতাটিৰ পৰা 'ক' বৰ্ণৰে শেষ হোৱা শব্দবোৰ বাছি উলিয়াই লিখা।**

৫) উত্তৰ দিয়া।

(ক) ভাত উতলাদি ভুতুক ভাতাক কৈ বুঢ়াৰ পেটত উতলি থাকি কোন ওলাব নোৱৰা হৈ আছিল ?

(খ) মোলোক দেউ কেনেকৈ যাবলৈ ওলাল ?

(গ) মোলোক দেউৱে কেনেদৰে বাট বুলিছিল ?

## খ — ভাষা অধ্যয়ন (ব্যাবহাৰিক ব্যাকৰণ)

৬) ভাত উতলাদি উতলি আছিল

ভুতুক ভাতাক কৈ।

**ভাত** শব্দটো বিশেষ্য পদ। ইয়াৰ বিশেষণৰ ৰূপটো **ভতুৱা**।

**এনে ধৰণৰ শব্দ আৰু সেই শব্দৰ প্ৰয়োগেৰে বাক্য গঠন কৰি তলৰ তালিকাখন পূৰ কৰা।**

| বিশেষ্য | বিশেষণ | বাক্য |
|---|---|---|
| বন | বনুৱা | বনুৱাজনে ঘাঁহ কাটিছে। |
| বণ | | |
| ঘৰ | | |
| সাৰ | | |
| খাৰ | | |
| পলস | | |
| বজাৰ | | |

### জানো আহা

আচল **শব্দৰ** বল বৃদ্ধি কৰিবলৈ তাৰ লগত কেতিয়াবা অনুৰূপ আকৃতিৰ ওপৰঞ্চি শব্দ ব্যৱহাৰ কৰা হয়। এই শব্দবিলাকক **অনুৰূপ** শব্দ বোলে। ধ্বনিক অনুকৰণ কৰি যিবোৰ শব্দৰ সৃষ্টি কৰা হয় তাকে **ধ্বন্যাত্মক** বা **অনুকাৰ** শব্দ বোলে।

৭) দুজনীয়া দলত বিভক্ত হৈ উদাহৰণ চাই অন্ত্যমিল থকা আন আন শব্দ গঠন কৰিবলৈ চেষ্টা কৰা।

কৈ → গৈ → ৰৈ............... ............... ............... ............... ...............

মুচুক মাচাক → [ ] → [ ] → [ ] →

টুপুক টাপাক → [ ] → [ ] → [ ] →

কুৰুক কাৰাক → [ ] → [ ] → [ ] →

চল্‌চলীয়া → [ ] → [ ] → [ ] →

কিচ্‌কিচীয়া → [ ] → [ ] → [ ] →

৮) কবিতাকেইফাকি পঢ়া আৰু অনুৰূপ শব্দবোৰত ◯ চিন দিয়া।

(ঘৰ চৰ) ভাঙি নিলে
বৰদৈচিলাই
ৰহিমলাই কান্দি আছে
ইনাই বিনাই।
চাউল টাউল একো নাই
খৰিবোৰো তিতা
ছাগলী টাগলী কেনি গ'ল
ছেদেলি ভেদেলি ভিঠা।



৯) কবিতাটিত তোমালোকে 'তিতা' শব্দটো পাইছা। এই 'তিতা' শব্দটোৱে বাক্য ভেদে বেলেগ বেলেগ অৰ্থ প্ৰকাশ কৰে। তলৰ বাক্য দুটালৈ মন কৰা আৰু 'তিতা' শব্দটোৱে কোনটো বাক্যত কি অৰ্থ কৰিছে লিখা।

(ক) তিতা কাপোৰবোৰ ৰ'দত দিয়া।

(খ) পংকজে তিতা বস্তু খাবলৈ বেয়া পায়।

১০) **শব্দৰ লগত অৰ্থ মিলোৱা।**

| শব্দ | |
|---|---|
| আটা | |
| আতা | |
| কাণ | |
| কান | |

অৰ্থ

- শুনা ইন্দ্ৰিয়
- কান্ধ
- ঘেঁহুৰ গুড়ি
- পিতাকৰ পিতাক

১১) **চকৰিটোত থকা শব্দৰে কবিতা দুফাকি সম্পূৰ্ণ কৰা।**




(ক) নিজৰা বৈ যায়

.................... কৈ

ভোমোৰাই উৰি ফুৰে

.................... কৈ।

বতাহত বাঁহ জোপাই

.................... কৰে।

আকাশত তৰাবোৰে

.................... কৰে।

(খ) নপঢ়িলে দেউতাই

.................... কৰে।

.................... হাঁহি মাৰি

ভাইটি লৰ মাৰে।

আইতা আছে ওচৰ চাপি

.................... কৰি।

ভণ্টিও আছে বিস্কুট খাই

.................... কৰি।

গ — জ্ঞান সম্প্ৰসাৰণ

১২) কবি লীলা গগৈৰ 'অঘাইটং ল'ৰা' নামৰ কবিতাটিৰ পৰা কিছু অংশ দিয়া হৈছে; পঢ়ি চোৱা আৰু ভোটাৰামৰ বিষয়ে কোৱা।



পঢ়াশালিত ভোটাৰাম
ঘৰত মাতে ভটং,
ল'ৰা নহয় এলাপেচা
বৰ অঘাইটং।

এদিনাখন ভটং বোপাই
ঘটং ঘটং কৰি,
হাত এখনি পতং পেলালে
গছৰ পৰা পৰি।

কলং নদীৰ দলং খনত
তলং ভলং কৰি,
জপং কৰে ভটং বোপাই
দিয়ে পানীত পৰি।

ৰংমনে খং কৰি
ৰং লগাই কয়,
ভটং বোপাই খাটাং কথা
মনত পেলাই থয়।

*(উৎস ঃ মকৰা ফুল, পৃষ্ঠা - ২৩৪, সম্পাদনা - নৰকান্ত বৰুৱা, প্ৰকাশক ঃ অসম প্ৰকাশন পৰিষদ)*

১৩) দলত বহি তলত দিয়া শব্দসমূহ ব্যৱহাৰ হোৱাকৈ একোটিকৈ কবিতা লিখিবলৈ যত্ন কৰা।

| | | |
|---|---|---|
| খট্ খট্ | টং টং | জক্ মক্ |
| গুৰুম্ গুৰুম্ | মুৰুক্ মাৰাক্ | খপ্ জপ্ |
| টিক্ টিক্ | বক্ বক্ | ঢলং পলং |

১৪) দলত আলোচনা কৰি কাষৰ বাকচৰ ভিতৰত থকা শব্দ খুঁটুৱাই তলৰ দফাটো সম্পূৰ্ণ কৰা।

নয়ন এজন ...................... লৰা। পিচে সি ...................... কাপোৰ পিন্ধি ভাল নাপায়। তাৰ কাম-কাজবোৰ .......................... । কাম কৰোঁতে সি ...................... নকৰে। কোনো কথাতে তাৰ ..................... অৱস্থা নহয়। সি তাৰ মনৰ ভাব .................................. কৈ প্ৰকাশ কৰিব পাৰে। তাৰ মাতটোও .......................... । এদিন এখন সভাত সি ছহিদসকলৰ বিষয়ে কৈ আছিল। তাৰ ভাষণ শুনি লগৰীয়াৰ চকু .......................... হৈছিল।

| |
|---|
| গল্গলীয়া |
| সল্সলীয়া |
| চল্চলীয়া |
| পৰিপাটি |
| ৰং চঙীয়া |
| তজ্বজীয়া |
| খদম্দম্ |
| খপ্জপ্ |

## ঘ — প্ৰকল্প

- পাঁচটা খেমেলীয়া কবিতা সংগ্ৰহ কৰা। সেই কবিতাৰ নাম আৰু কবি পৰিচয় দি এখন প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰা আৰু সকলোৱে পঢ়িব পৰাকৈ শ্ৰেণীকোঠাৰ বেৰত আঁৰি থোৱা।
- দৈনন্দিন জীৱনত কথা কওঁতে সচৰাচৰ ব্যৱহাৰ কৰা বিশটাকৈ বিশেষ্য পদ আৰু অনুৰূপ শব্দ তলৰ তালিকাত লিখা।

| বিশেষ্য পদ | অনুৰূপ শব্দ |
|---|---|
| | |

## পাঠটোৰ পৰা আহিব লগীয়া অৰ্হতাসমূহ

- উপযুক্ত লয়, ছন্দেৰে কবিতাটি পঢ়িব পৰা আৰু আবৃত্তি কৰিব পৰা
- কবিতাটি পঢ়ি, বুজি নিজৰ কথাৰে ক'ব আৰু লিখিব পৰা
- ধেমেলীয়া/হাস্যৰসযুক্ত কবিতা পঢ়াৰ প্ৰতি আগ্ৰহী হোৱা
- নতুন শব্দ গঠন কৰিব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- অনুকাৰ আৰু অনুৰূপ শব্দৰ বিষয়ে জনা আৰু প্ৰয়োগ কৰিব পৰা
- বাক্য ৰচনা কৰিবলৈ শিকা
- উপযুক্ত শব্দ ব্যৱহাৰ কৰি দফা একোটা সম্পূৰ্ণকৈ লিখিব পৰা
- ধেমেলীয়া কবিতা সংগ্ৰহ কৰিবলৈ আগ্ৰহী হোৱা
- কবিতাৰ নাম আৰু কবি পৰিচয়সহ প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰিবলৈ শিকা
- দৈনন্দিন জীৱনত বিশেষ্য পদ আৰু অনুৰূপ শব্দ ব্যৱহাৰ কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| ধেমেলীয়া কবিতা | কবিতা পঢ়িব পৰা | আবৃত্তি কৰিব পৰা | কবিতা পঢ়ি বুজি নিজৰ কথাৰে ক'ব আৰু লিখিব পৰা | ধেমেলীয়া কবিতা পঢ়িবলৈ আগ্ৰহী হোৱা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ কৰিব পৰা | নতুন শব্দৰ অৰ্থ জনা |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | বিশেষ্য পদ বিশেষণ পদলৈ নিব পৰা | অনুৰূপ শব্দৰ বিষয়ে জনা আৰু প্ৰয়োগ কৰিব পৰা | এটা শব্দই যে বেলেগ বেলেগ অৰ্থ প্ৰকাশ কৰে সেই বিষয়ে জনা | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | উপযুক্ত শব্দ ব্যৱহাৰ কৰি দফা সম্পূৰ্ণ কৰিব পৰা | ধেমেলীয়া কবিতা পঢ়ি আনন্দ লাভ কৰা | ধেমেলীয়া কবিতা লিখিব পৰা | | | |
| | | | | | | |
| প্ৰকল্প | ধেমেলীয়া কবিতা সংগ্ৰহ কৰিব পৰা | কবিতাৰ নাম আৰু কবি পৰিচয়সহ প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰিব পৰা | দৈনন্দিন জীৱনত বিশেষ্য পদ আৰু অনুৰূপ শব্দৰ ব্যৱহাৰ কৰিব পৰা | | | |
| | | | | | | |

*অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৯

# আইতাক মই কিদৰে পঢ়িবলৈ শিকালোঁ

K4Q7J2

*আমাৰ সমাজ আৰু পৰিয়ালত এনে কিছুমান বয়োজ্যেষ্ঠ ব্যক্তি আছে যিসকলে শিক্ষা লাভৰ প্ৰতি আগ্ৰহী হৈয়ো সা-সুবিধাৰ অভাৱত জীৱনৰ আদি কালছোৱাত শিক্ষা লভিব নোৱাৰিলে। প্ৰাপ্তবয়স্ক ব্যক্তিক শিক্ষা দান কৰাটো এটা মহৎ কাৰ্য; এই কাৰ্যই তেনে ব্যক্তিৰ ইচ্ছা পূৰ কৰাৰ লগতে দেশৰো উপকাৰ সাধন কৰে। পাঠত দিয়া বাস্তৱ কাহিনীটো পঢ়ি তোমালোকেও নিশ্চয় তোমালোকৰ পৰিয়াল আৰু সমাজৰ পৰা নিৰক্ষৰতা দূৰ কৰিবলৈ অনুপ্ৰেৰণা পাবা।*

সেই সময়ত মই বাৰ বছৰীয়া। ককাদেউতা-আইতাৰ লগত মই তেতিয়া উত্তৰ কৰ্ণাটকৰ এখন গাঁৱত বাস কৰিছিলোঁ। সেই সময়ত যোগাযোগ ব্যৱস্থা ইমানেই বেয়া আছিল যে ৰাতিপুৱাৰ বাতৰি কাকতখন আবেলি পৰতহে হাতত পৰেহি। প্ৰতিদিনে এখন বাছত চহৰৰ পৰা কাকত-পত্ৰবোৰ আহিছিল। আমি সকলোৱে অধীৰ আগ্ৰহেৰে সেই বাছখনলৈ অপেক্ষা কৰি আছিলোঁ।

সেই সময়ত কন্নড় ভাষাৰ জনপ্ৰিয় লেখক আছিল ত্ৰিবেণী। তেখেতে মানুহৰ মনৰ জগতখনৰ সমস্যাবোৰক লৈ লিখিছিল। সেই সময়ত 'কাশীযাত্ৰী' নামৰ তেখেতৰ এখন উপন্যাস কন্নড় ভাষাৰ সাপ্তাহিক বাতৰি কাকত 'কৰ্মবীৰ'ত ধাৰাবাহিক হিচাপে প্ৰকাশিত হৈছিল। এগৰাকী বৃদ্ধাক কেন্দ্ৰ কৰি উপন্যাসখন ৰচনা কৰা হৈছিল। কাশীলৈ যাবলৈ বৃদ্ধাগৰাকীৰ প্ৰবল আগ্ৰহ আছিল। অধিকাংশ হিন্দুৰ দৰে বৃদ্ধাগৰাকীয়েও ভাবিছিল যে এবাৰ কাশীলৈ গৈ বিশ্বনাথ বাবাৰ শিৰত পানী ঢালিব পাৰিলে খুব পুণ্যৰ কাম হ'ব। কিমান প্ৰতিবন্ধকতা অতিক্ৰম কৰি বৃদ্ধাগৰাকী কাশীলৈ যাবলৈ ওলাইছিল, সেয়া আছিল উপন্যাসখনৰ মূল কথা।



উপন্যাসখনৰ আন এটা চৰিত্ৰ আছিল— এজনী বিবাহোপযোগী অনাথ ছোৱালী। ছোৱালীজনীৰ

বিয়া ঠিক হৈছিল। কিন্তু সেই বিয়া পাতিব পৰাকৈ তাইৰ ঘৰৰ অৱস্থা স্বচ্ছল নাছিল। ছোৱালীজনীৰ সেই দুৰৱস্থাৰ কথা জানিব পাৰি বৃদ্ধাগৰাকীয়ে কাশীযাত্ৰাৰ পৰিকল্পনা বাতিল কৰিলে আৰু সাঁচি থোৱা সমস্ত ধন সেই ছোৱালীজনীক দি দিলে। বৃদ্ধাগৰাকীৰ মতে— "বাবা বিশ্বনাথৰ শিৰত পানী ঢলাতকৈ সেই অনাথ ছোৱালীজনীৰ আনন্দৰ মূল্য বহুগুণে বেছি।"

মোৰ আইতাৰ নাম আছিল কৃষ্ণতাৰা। তেখেতে কোনোদিনে বিদ্যালয়ৰ কোঠা গচকি পোৱা নাছিল। গতিকে তেখেতে পঢ়িবও নোৱাৰিছিল। প্ৰতি সপ্তাহে সাপ্তাহিক বাতৰি কাকতখন হাতত আহি পৰিলে মই আইতাক উপন্যাসখন পঢ়ি শুনাইছিলোঁ। উপন্যাসখন আইতাই ইমানেই ভাল পাইছিল যে সকলো কাম-কাজ বাদ দি তেখেতে একান্তমনে 'কাশীযাত্ৰী' নামৰ উপন্যাসখন শুনি শুনি মুখস্থ কৰি পেলাইছিল। মোৰ আইতায়ো কোনোদিনে কাশীলৈ যোৱা নাছিল। উপন্যাসখনত বৰ্ণনা কৰা বৃদ্ধাৰ জীৱনৰ লগত তেখেতে নিজৰ জীৱনৰ মিল থকা যেন পাইছিল। ফলস্বৰূপে সাপ্তাহিক কাকতখন আহি পালেই উপন্যাসখন শুনিবলৈ তেখেত উদ্‌গ্ৰীৱ হৈ পৰিছিল। আইতাক উপন্যাসৰ কথাখিনি পঢ়ি শুনাই উঠিহে মই খেলিবলৈ গৈছিলোঁ। গাঁৱৰ মন্দিৰৰ চৌহদত মই বন্ধুসকলৰ লগত লুকা-চুৰি খেলিছিলোঁ আৰু আইতাই আন বৃদ্ধাসকলৰ লগত বহি উপন্যাসৰ কাহিনীটোৰ বিষয়ে আলোচনা কৰিছিল।



এবাৰ ভাইটি-ভণ্টিহঁতৰ লগত মই ওচৰৰে গাঁও এখনৰ বিয়ালৈ গৈছিলোঁ। বিয়াখনৰ পৰা আহি দেখিলোঁ যে আইতাৰ দুচকুত চকুপানী। মই অবাক। নানা কঠিন পৰিস্থিতিতো আইতাক মই কোনোদিনে কন্দা দেখা নাই। "কি হৈছে আইতা? আপোনাৰ গা বেয়া লাগিছে নেকি?" — মই উদ্বিগ্নতাৰে প্ৰশ্ন কৰিলোঁ।

আইতা আহি মোৰ কাষতে বহিলহি আৰু মোৰ মূৰত তেখেতৰ স্নেহময় হাতখন থৈ বৈ থাকিল। মই বুজিলোঁ যে তেখেতে মোক কিবা ক'বলৈ বিচাৰিছে। মই সুধিলোঁ— "কিবা ক'ব আইতা?"

আইতাই লগে লগে উত্তৰ দিলে— "যেতিয়া মই সৰু আছিলোঁ, তেতিয়াই মাতৃহাৰা হৈছিলোঁ। ডাঙৰ হ'লোঁ কাৰো যত্ন নোপোৱাকৈ। সেই সময়ত কোনোৱেই এই কথা নাভাবিছিল যে ছোৱালীবোৰেও

শিক্ষা গ্ৰহণ কৰা উচিত। ছোৱালী হিচাপে ময়ো বিদ্যালয় দেখা নাপালোঁ। খুব কম বয়সতে মোৰ বিয়া হৈছিল। মোৰ নিজৰ লেখা-পঢ়া নহ'ল। কিন্তু মোৰ ল'ৰা-ছোৱালীবোৰে যাতে ভাল শিক্ষা-দীক্ষা পায়, সেই সম্পৰ্কত মই বৰ সতৰ্ক আছিলোঁ।"

আইতাক মই খুব ভাল পাইছিলোঁ। আইতাৰ মুখলৈ চাই দেখিলোঁ— তেখেতৰ চকুত তেতিয়াও চকুপানী! মই আইতাৰ গাত ধৰি ক'লোঁ— "নাকান্দিব আইতা! আপোনাৰ কি হৈছে মোক কওকচোন! মই আপোনাক কিবা প্ৰকাৰে সহায় কৰিব পাৰোঁ নেকি?"

"নিশ্চয় পাৰিবা, মই তোমাৰেই সহায় বিচাৰিছোঁ। তুমি যেতিয়া বিয়াঘৰত আছিলা, তেতিয়া 'কৰ্মবীৰ' কাকতখন আহিছিল। মই দুহাতেৰে সেইখন খুলি চাইছিলোঁ। কিন্তু 'কাশীযাত্ৰী' উপন্যাসৰ কাহিনীৰ লগত থকা ছবিখনহে দেখা পালোঁ; তাত কি লিখা আছে একো বুজি নাপালোঁ। কি লিখিছে সেয়া বুজি পাবলৈ বাৰম্বাৰ পৃষ্ঠাটোৰ ওপৰত হাত ফুৰালোঁ; কিন্তু একো নুবুজিলোঁ। মনে-প্ৰাণে তুমি উভতি অহালৈ অপেক্ষা কৰিলোঁ। গাঁৱৰ যিকোনো শিক্ষিত মানুহৰ ওচৰলৈ গৈ মই সেই কাহিনীটো শুনি আহিব পাৰিলোঁহেতেন। কিন্তু নগলোঁ। মোৰ নিজৰ অক্ষমতাৰ ওপৰত ধিক্কাৰ জন্মিল। তেতিয়াই মোৰ ভাব হৈছিল যে শিক্ষা-দীক্ষা লাভৰ স্বাধীনতা নাথাকিলে ধন-সম্পত্তিবোৰৰ মূল্যনো কি!"



মোৰ উত্তৰলৈ বাট নাচাই আইতাই পুনৰ কৈ গ'ল— "মই সিদ্ধান্ত গ্ৰহণ কৰিছোঁ যে কাইলৈৰ পৰা কন্নড় বৰ্ণমালা শিকিবলৈ আৰম্ভ কৰিম। জেদ কৰি হ'লেও শিকিম আৰু সৰস্বতী পূজাৰ দিনাখন মোৰ শিকন সমাপ্ত কৰিম। মই শিকিব লাগিবই যাতে আনৰ সহায় নোলোৱাকৈ নিজেই উপন্যাস পঢ়িব পাৰোঁ। শিক্ষাৰ ক্ষেত্ৰত মই স্বাধীন হ'বই লাগিব।"

আইতাৰ দৃঢ় সংকল্প দেখি মই হাঁহি সামৰিব নোৱাৰিলোঁ। হাঁহি হাঁহি ক'লোঁ— "বাষষ্ঠি বছৰ বয়সত আপুনি লিখা-পঢ়া শিকিব আইতা? আপোনাৰ আটাইবোৰ চুলি পকিছে। হাত-মুখৰ ছাল সোঁতোৰা-সোঁতোৰ হৈ পৰিছে আৰু চকুত কোন কাহানিবাই চচ্‌মা পিন্ধিছে। এইবোৰৰ উপৰি ৰান্ধনিঘৰৰ কাম! পাৰিব আপুনি?"

মোৰ কথা শুনি আইতায়ো সামান্য হাঁহি ক'বলৈ ধৰিলে— "পাৰিম। ভাল কামৰ বাবে যদি প্ৰতিজ্ঞাবদ্ধ হোৱা তেন্তে শতেক বাধা-বিঘিনি অতিক্ৰম কৰি তুমি লক্ষ্যত উপনীত হ'ব পাৰিবা।

যিমানেই কষ্টকৰ হওক, মই পাৰিমেই। শিক্ষাৰ বাবে কোনো বয়স নাই।”

কথা মতেই কাম। পাছদিনাৰ পৰাই মোৰ শিক্ষক জীৱনৰ সূত্ৰপাত হ'ল। দেখিলোঁ যে ভাল ছাত্ৰ-ছাত্ৰীৰ সকলো গুণেই আইতাৰ আছে। 'গৃহকৰ্ম' কৰিবলৈ তেখেতে ক্লান্তি অনুভৱ নকৰিছিল। একোটা বাক্য মনত ৰাখিবলৈ তেখেতে বাৰে বাৰে পঢ়িছিল। পঢ়া হৈ গ'লে মনে মনে আওৰাইছিল। ময়েই তেখেতৰ একমাত্ৰ শিক্ষয়িত্ৰী আৰু তেখেত আছিল মোৰ একমাত্ৰ ছাত্ৰী।



যথাসময়ত সৰস্বতী পূজা আৰম্ভ হ'ল। তেতিয়ালৈ 'কাশীযাত্ৰী' উপন্যাসখন গ্ৰন্থ হিচাপে প্ৰকাশ হৈ ওলাইছে। মই গোপনে সেইখন কিনিলোঁ। পূজাৰ দিনা আইতাই মোক মণ্ডপলৈ নি এখন টুলৰ ওপৰত বহিবলৈ দিলে। এটা ফ্ৰকৰ কাপোৰ মোৰ হাতত দি তেওঁ মোৰ ভৰি স্পৰ্শ কৰিলে। মই চক্ খাই উঠিলোঁ। কাৰণ মই কেতিয়াও ডাঙৰে সৰুৰ ভৰি স্পৰ্শ কৰা দেখা নাছিলোঁ।



আইতাই ক'লে— “মই মোৰ শিক্ষয়িত্ৰীৰহে ভৰি চুইছোঁ, নাতিনীৰ নহয়। মোক মৰম-চেনেহেৰে পঢ়োৱা দৰদী শিক্ষয়িত্ৰীৰ ভৰি চুইছোঁ। তেওঁৰ পৰা মই অতি অমূল্য শিক্ষা পাইছোঁ আৰু সেই শিক্ষা ইমানেই কাৰ্যকৰী হৈছে যে মই এতিয়া সাৱলীলভাৱে উপন্যাস পঢ়িব পাৰোঁ। যি শিক্ষাই আজি মোক পঢ়াৰ স্বাধীনতা দিলে, সেই শিক্ষা দান কৰা শিক্ষয়িত্ৰীক মই কিয়বা সন্মান নকৰিম!”

ময়ো মোৰ প্ৰথম ছাত্ৰীগৰাকীক প্ৰণাম কৰিলোঁ আৰু যিটো পুৰস্কাৰ তেখেতৰ বাবে গোপনে কিনি থৈছিলোঁ, সেইটো তেখেতৰ হাতত তুলি দিলোঁ। উপন্যাসখনৰ প্ৰথম পৃষ্ঠাটো লুটিয়াই আইতাই অনৰ্গল পঢ়ি যাবলৈ ধৰিলে। মই বুজি পালোঁ যে মোৰ প্ৰথম ছাত্ৰীগৰাকী 'ডিষ্টিংচন'সহ উত্তীৰ্ণ হৈছে।

*কাহিনীটোৰ মূল লেখক ঃ সুধা মূৰ্তি* (কৰ্ণাটক)

*অনুবাদক ঃ অঞ্জন শৰ্মা*

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

১) **পাঠটো মনোযোগেৰে পঢ়া। পাঠৰ কোনখিনি কথা তোমাৰ আটাইতকৈ ভাল লাগিছে আৰু কিয় ভাল লাগিছে কোৱা।**

২) **সৰু সৰু দলত ভাগ হোৱা। এতিয়া, প্ৰতিটো দলৰ সদস্যসকলে পাঠৰ প্ৰথম দফাটো পঢ়া আৰু আলোচনা কৰি তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া।**

(ক) দফাটোৰ প্ৰথম বাক্যটোত উল্লেখ কৰা 'মই' শব্দটোৱে কাক বুজাইছে?

(খ) সেই সময়ত যোগাযোগ ব্যৱস্থা কেনে আছিল?

(গ) প্ৰতিদিনে কাকত-পত্ৰবোৰ চহৰৰ পৰা কিহেৰে আহিছিল?

(ঘ) বাছখন গাঁও আহি পোৱালৈ অধীৰ আগ্ৰহেৰে বাট চাই থকাৰ কাৰণ কি?

☞ *এইদৰে পাঠটোৰ প্ৰতিটো দফা পঢ়োৱাৰ পাছত সেই দফাটোৰ পৰা প্ৰশ্ন সুধিব আৰু লিখিবলৈ দিব।*

৩) **উত্তৰ লিখা।**

(ক) পাঠত উল্লেখ থকা সাপ্তাহিক কাকতখনৰ নাম লিখা।

(খ) আইতাকে কাকতখন কিয় ভাল পাইছিল?

(গ) আইতাকে লোৱা দৃঢ় সংকল্পটো কি?

৪) **পাঠটোত থকা কিছুমান শব্দ বাঁও-ফালে দিয়া হৈছে। সোঁ-ফালে শব্দবোৰৰ অৰ্থ আছে। সৰু সৰু দলত বহি সেইবোৰৰ অৰ্থ মিলাই লিখা। প্ৰয়োজন হ'লে শিক্ষকৰ সহায় ল'বা।**

| বাঁও-ফাল | সোঁ-ফাল |
|---|---|
| স্বচ্ছল   অতিক্ৰম   উদ্‌গ্ৰীৱ | কঠোৰ পণ, নিশ্চিত সংকল্প। |
| দৃঢ়সংকল্প   অক্ষম   প্ৰচেষ্টা | পাৰ হৈ যোৱা কাৰ্য। |
| সিদ্ধান্ত | বিশেষ চেষ্টা, যত্ন। |
| | ব্যগ্ৰ, উৎকণ্ঠিত, আগ্ৰহান্বিত। |
| | নোৱৰা, অপাৰগ। |
| | সুচল অৱস্থা, ফট্‌ফটীয়া। |
| | নিৰ্ধাৰণ, মীমাংসা। |

**৫) দুজনীয়া দলত ভাগ হোৱা আৰু পাঠটোৰ কোনটো অংশত আইতাৰ মনৰ দৃঢ়তা প্ৰকাশ পাইছে, আলোচনা কৰি কোৱা।**

**৬) তলৰ বাক্যকেইটা কোনে, কেতিয়া আৰু কিয় কৈছিল?**

— "ভাল কামৰ বাবে যদি প্ৰতিজ্ঞাবদ্ধ হোৱা তেন্তে শতেক বাধা-বিঘিনি অতিক্ৰম কৰি তুমি লক্ষ্যত উপনীত হ'ব পাৰিবা।"

— "যি শিক্ষাই আজি মোক পঢ়াৰ স্বাধীনতা দিলে, সেই শিক্ষা দান কৰা শিক্ষয়িত্ৰীক মই কিয়বা সন্মান নকৰিম!"

জানো আহা

এটা ভাষাৰ পৰা আন এটা ভাষালৈ বিভিন্ন লেখা ভাঙনি বা ৰূপান্তৰ কৰাকে **অনুবাদ** কৰা বুলি কোৱা হয়। পুৰণি অসমীয়া ভাষাৰ অধিকাংশ ৰচনাই সংস্কৃত ভাষাত ৰচিত পুৰাণ, উপনিষদ, মহাকাব্য আদিৰ অনুবাদ বা ভাবানুবাদ। অসমীয়া ৰামায়ণ, মহাভাৰত আদি গ্ৰন্থবোৰো সংস্কৃত মহাকাব্য, পুৰাণ আদিৰ ভাবানুবাদহে। অনুবাদ কেতিয়াবা আক্ষৰিক আৰু কেতিয়াবা মুকলি অনুবাদ বা ভাবানুবাদ হ'ব পাৰে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' নামৰ সাধুকথাৰ পুথিখনি ইংৰাজীৰ উপৰি বাংলা, নেপালী আদি অন্যান্য ভাৰতীয় ভাষালৈ অনুবাদিত হোৱাটো উল্লেখযোগ্য।

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**৭) পাঠটোৰ পৰা যুক্তাক্ষৰযুক্ত শব্দবোৰ বিচাৰি উলিয়াই তালিকা কৰা। যুক্তাক্ষৰবিলাক ভাঙি দেখুওৱা।**

**৮) উপযুক্ত স্থানত যতি চিহ্ন বহুৱাই তলৰ দফাটো পুনৰ লিখা।**

আইতাৰ দৃঢ় সংকল্প দেখি মই হাঁহি সামৰিব নোৱাৰিলোঁ হাঁহি হাঁহি ক'লো বাষষ্ঠি বছৰ বয়সত আপুনি লিখা-পঢ়া শিকিব আইতা আপোনাৰ আটাইবোৰ চুলি পকিছে হাত-মুখৰ ছাল সোঁতোৰা-সোঁতোৰ হৈ পৰিছে আৰু চকুত কোন কাহানিবাই চচ্‌মা পিন্ধিছে এইবোৰৰ উপৰি ৰান্ধনিঘৰৰ কাম পাৰিব আপুনি

**৯) পাঠটোৰ পৰা পাঁচটা বিশেষণ পদ বাছি উলিয়াই লিখা।**

**১০) পাঠটোত থকা যুৰীয়া শব্দবোৰ চিনাক্ত কৰা।**

জানি লওঁ আহা

"ককাদেউতা-আইতাৰ লগত মই তেতিয়া উত্তৰ কৰ্ণাটকৰ এখন গাঁৱত বাস কৰিছিলোঁ।"

— এই বাক্যত 'আইতা' শব্দত 'ৰ' বিভক্তি যুক্ত হৈ 'আইতাৰ' পদ নিষ্পন্ন হৈছে আৰু 'কৰ্' ধাতুৰ লগত '-ইছ্' আৰু '-ইল্' দশাবাচক ৰূপৰ পাছত 'ওঁ' বিভক্তি যুক্ত হৈ 'কৰিছিলোঁ' পদ হৈছে। বিভক্তিয়ে পদৰ লগত পদৰ সংগতি স্থাপন কৰে। প্ৰাতিপদিকৰ লগত যুক্ত হোৱা বিভক্তিক **শব্দ বিভক্তি** আৰু ধাতুৰ লগত যুক্ত হোৱা বিভক্তিক **ক্ৰিয়া বিভক্তি** বোলা হয়।

অসমীয়া ভাষাত কাৰকবাচক বিভক্তিবোৰ শব্দ বিভক্তিৰ অন্তৰ্ভুক্ত। যেনে —

**তগৰে মাছ কিনিবলৈ গৈছে। (তগৰ + এ)**

**হৰিয়ে গৰুক ঘাঁহ খুৱাইছে। (গৰু + ক)**

**সি চামুচেৰে ভাত খাইছে। (চামুচ + এৰে)**

**আইতালৈ কল আনিছোঁ। (আইতা + লৈ)**

**সিহঁতৰ ঘৰত কোনো নাই। (সিহঁত + ৰ)**

**ঘৰত কোন আছে? (ঘৰ + ত)** ইত্যাদি।

অসমীয়াত সম্বন্ধবাচক বিশেষ্যত লগ লগা পুৰুষবাচক বিভক্তিবোৰো শব্দ বিভক্তি। যেনে—

**তোৰ মাৰ (মা + ৰ)**

**তোমাৰ মাৰা (মা + ৰা)**

**তেওঁৰ/তাৰ মাক (মা + ক) ইত্যাদি।**

আনহাতে, ধাতুৰ ৰূপত ব্যৱহাৰ হোৱা পুৰুষবাচক বিভক্তিসমূহ ক্ৰিয়া বিভক্তি। যেনে—

**মই কৰোঁ (কৰ্ + ওঁ)**

**তুমি কৰা (কৰ্ + আ)**

**তেওঁ কৰে (কৰ + এ)**

আকৌ, অসমাপিকা ক্ৰিয়াপদ সাধনৰ 'ই' বিভক্তিও ক্ৰিয়া বিভক্তি। যেনে—

**মই ভাত খাই ফুৰিবলৈ যাম। (খা + ই)**

১১) তলৰ বাক্যকেইটাৰ পদৰ লগত যুক্ত বিভক্তিবোৰ বাছি উলিওৱা আৰু কোনবোৰ ক্রিয়া বিভক্তি আৰু কোনবোৰ শব্দ বিভক্তি লিখা।

(ক) ৰামে লক্ষ্মণ আৰু সীতাৰ সৈতে বনবাস খাটিছিল।

(খ) বনত তেওঁলোকে ফল-মূল খাই জীৱন নির্বাহ কৰিলে।

(গ) চৈধ্য বছৰৰ পাছত তেওঁলোক অযোধ্যালৈ উভতি আহিল।

## গ — জ্ঞান সম্প্রসাৰণ

১২) অসমৰ কেইখনমান দৈনিক আৰু সাপ্তাহিক বাতৰি কাকতৰ নাম লিখা।

১৩) চাৰি/পাঁচজনীয়া দলত ভাগ হোৱা। প্রতিটো দলে তলৰ যিকোনো এটাৰ বিষয়ে স্থানীয় দৈনিক বাতৰি কাকতত দিবলৈ এটি বাতৰি যুগুত কৰা।

(ক) তোমালোকৰ অঞ্চলত এটা বাঘ ওলাইছে।

(খ) তোমালোকৰ বিদ্যালয়ৰ প্রধান শিক্ষকে ৰাষ্ট্রীয় পুৰস্কাৰ লাভ কৰিছে।

(গ) এই বছৰৰ গ্রন্থমেলাত কেইবাখনো শিশু-উপযোগী পুথি প্রকাশ পাইছে।

(ঘ) বৰষুণৰ পানীয়ে তোমালোকৰ বিদ্যালয়ৰ চৌহদ বুৰাই পেলাইছে।

১৪) এখন দৈনিক বাতৰি কাকত এসপ্তাহৰ বাবে ভালদৰে চোৱা আৰু কোন দিনা কি কি শিতান থাকে, সেয়া বাৰৰ নামেৰে সৈতে এখন তালিকা যুগুত কৰা। যেনে—

বাতৰি কাকতৰ নাম ঃ

| বাৰ | শিতান | | | | |
|---|---|---|---|---|---|
| সোমবাৰ | সম্পাদকীয় | সম্পাদকলৈ চিঠি | সংবাদ-প্রবাহ | খেলৰ পৃথিৱী | ধাৰাবাহিক গল্প/উপন্যাস |
| মঙ্গলবাৰ | | | | | |
| বুধবাৰ | | | | | |
| বৃহস্পতিবাৰ | | | | | |
| শুক্রবাৰ | | | | | |
| শনিবাৰ | | | | | |
| ৰবিবাৰ | | | | | |

১৫) ছবি পৰ্যৱেক্ষণ কৰি উত্তৰ দিয়া।






(ক) ছোৱালীজনীয়ে কি কৰি আছে?

(খ) আইতাই কৰি থকা কামটো তোমালোকৰ ঘৰত কোনে কোনে কৰি ভাল পায়?

## ঘ — প্ৰকল্প

- গৰমৰ বন্ধত দুই/তিনিজনীয়া দলত ভাগ হৈ পৰিয়ালৰ বা ওচৰ চুবুৰীয়াৰ কোনো নিৰক্ষৰ লোকক আখৰ পঢ়িবলৈ আৰু লিখিবলৈ শিকাবা। সেই কাৰ্যটোৰ এখন দিনলেখা প্ৰস্তুত কৰি শিক্ষকক জমা দিবা।

- তোমাৰ অঞ্চলত নিৰক্ষৰ লোক আছে নেকি অনুসন্ধান কৰা। যদি আছে, তেওঁলোকৰ নিৰক্ষৰতাৰ কাৰণ জানিবলৈ চেষ্টা কৰা। কাৰণবোৰ টোকা বহীত লিখা।

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পাঠ শুদ্ধ, স্পষ্ট আৰু খৰকৈ পঢ়িব পৰা
- বাস্তৱ কাহিনীমূলক লেখা পঢ়ি বুজি উপলব্ধি কৰা
- জটিল শব্দৰ অৰ্থ শিকা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা
- শিশু শিক্ষা আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰা
- ক্ৰিয়া বিভক্তি আৰু শব্দ বিভক্তিৰ লগত পৰিচয় হোৱা
- যতি চিহ্নৰ যথাযথ ব্যৱহাৰ শিকা
- নিৰক্ষৰ লোকক সাক্ষৰ কৰাৰ প্ৰতি আগ্ৰহী হোৱা
- বাতৰি কাকতৰ বিভিন্ন শিতান সম্পৰ্কে অৱগত হোৱা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| বাস্তৱ কাহিনীমূলক প্ৰবন্ধ | প্ৰবন্ধ পঢ়ি উপলব্ধি কৰা | পাঠ শুদ্ধ, স্পষ্ট আৰু খৰকৈ পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | নতুন শব্দৰ অৰ্থ জনা | শিশু শিক্ষা আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ গুৰুত্ব উপলব্ধি কৰা |
|---|---|---|---|---|---|
| | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | যতি চিহ্নৰ ব্যৱহাৰ শিকা | ক্ৰিয়া বিভক্তি আৰু শব্দ বিভক্তিৰ লগত পৰিচয় হোৱা | বিশেষণ, যুৰীয়া শব্দ চিনাক্ত কৰিব পৰা | | |
| | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | বাতৰি কাকত পঢ়াৰ প্ৰতি আগ্ৰহী হোৱা | বাতৰি কাকতৰ বিভিন্ন শিতান সম্পৰ্কে অৱগত হোৱা | স্থানীয় বাতৰি যুগুত কৰিব পৰা | | |
| | | | | | |
| প্ৰকল্প | নিৰক্ষৰ প্ৰাপ্তবয়স্ক লোকক সাক্ষৰ কৰা | নিৰক্ষৰ লোকৰ নিৰক্ষৰতাৰ কাৰণ সম্পৰ্কে জানিবলৈ আগ্ৰহী হোৱা | | | |
| | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১০

U1E6X1

# মহীয়সী হেলেন কেলাৰ

*বিশেষভাৱে সক্ষম ব্যক্তিসকলো দেশ তথা সমাজৰ সম্পদ। পিতৃ-মাতৃ, অভিভাৱক তথা সমাজৰ দ্বাৰা অনুপ্ৰাণিত হ'লে তেওঁলোকৰ মাজত লুকাই থকা প্ৰতিভা জাগ্ৰত হৈ উঠে আৰু দেশবাসীৰ লগতে বিশ্ববাসীৰ কল্যাণ সাধন কৰিবলৈ তেওঁলোকো আগবাঢ়ি আহে। বিশেষভাৱে সক্ষম ব্যক্তি হোৱা সত্ত্বেও প্ৰখৰ বুদ্ধি, অসাধাৰণ কৰ্মদক্ষতাৰে হেলেন কেলাৰে সকলো বাধা অতিক্ৰম কৰি কেনেদৰে মানৱ সেৱাত ব্ৰতী হৈছিল, সেই সম্পৰ্কে পাঠটো পঢ়ি জানিব পাৰিবা।*

১৯৫৪ চনৰ এটি বিশেষ দিনৰ ঘটনা। এখন জনবহুল সভাত ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে ভাষণ দি আছিল। এনেতে এগৰাকী মহিলা মঞ্চলৈ উঠি গ'ল। তেখেতে নেহৰুৰ ওঁঠ দুটি আঙুলিৰে স্পৰ্শ কৰিলে আৰু নেহৰুৱে কোৱা কথাৰ উমান ল'লে। মহিলাগৰাকীৰ এই কাৰ্যত পণ্ডিত নেহৰু হতভম্ব হ'ল। তেখেতৰ কাৰ্যই সভাত উপস্থিত থকা সকলোকে অবাক কৰিলে। এই দুঃসাহসী তথা আত্মিক শক্তিৰে বলীয়ান নাৰীগৰাকীয়েই হ'ল সুদূৰ আমেৰিকাৰ হেলেন কেলাৰ।



মাৰ্কিন যুক্তৰাষ্ট্ৰৰ এক মধ্যবিত্ত পৰিয়ালৰ প্ৰথম সন্তান আছিল হেলেন কেলাৰ। ১৮৮০ চনত জন্ম গ্ৰহণ কৰা হেলেন কেলাৰ ডেৰ বছৰ বয়সত মেনিনজাইটিছ্ ৰোগত আক্ৰান্ত হৈছিল। মৃত্যুৰ দুৱাৰডলিৰ পৰা কোনোমতে উভতি আহিছিল যদিও তেখেতৰ শৰীৰত খুঁত ৰৈ গৈছিল। তেখেতে কাণেৰে নুশুনা আৰু চকুৰে নেদেখা হৈছিল আৰু বাক্শক্তিও লোপ পাইছিল। কিন্তু তেখেতৰ বুদ্ধিমত্তা আছিল অতি প্ৰখৰ।

অন্ধ আৰু মূক-বধিৰ হোৱা বাবে পৃথিৱীৰ হাঁহি-কান্দোন, ৰূপ-সৌন্দৰ্যৰ লগত হেলেন কেলাৰে সম্পৰ্ক সাধন কৰিব নোৱাৰি হতাশাত ভুগিছিল। সশব্দে হাঁহি আৰু অস্বাভাৱিক অংগ-ভংগী কৰি তেখেতে মনৰ ভাব ব্যক্ত কৰিবলৈ চেষ্টা কৰিছিল। সন্তানৰ এনে বিষাদপূৰ্ণ অৱস্থা দেখি মাক-দেউতাকৰ মন ভাগি পৰিছিল। বিভিন্ন ধৰণেৰে ছোৱালীজনীৰ মনত সাহস আৰু আত্মবিশ্বাস জগাই তুলিবলৈ তেখেতসকলে আপ্ৰাণ চেষ্টা কৰিছিল। সামৰিক বিষয়া দেউতাকে হেলেন কেলাৰক বিভিন্ন চিকিৎসকৰ

ওচৰলৈ লৈ গৈছিল। তেখেতৰ বিশ্বাস আছিল যে কৰ্ম-প্ৰৱণতা আৰু দক্ষতাৰ বলত যিকোনো ব্যক্তিয়ে বিভিন্ন কাৰ্যৰ জৰিয়তে সফল হ'ব পাৰে। চিকিৎসকসকলৰ চিকিৎসাই কোনো কাম নিদিলে। তেতিয়া দেউতাকে হেলেন কেলাৰক টেলিফোন যন্ত্ৰৰ আৱিষ্কাৰক আলেকজেণ্ডাৰ গ্ৰাহাম বেলৰ ওচৰলৈ লৈ গ'ল। গ্ৰাহাম বেলে হেলেন কেলাৰৰ শাৰীৰিক সমস্যাৰ কথা মন দি শুনিলে। তেখেতে ভালকৈ



উপলব্ধি কৰিছিল যে বিশেষ-ভাৱে সক্ষম ব্যক্তিসকলৰ বাবে ধন-বিততকৈ মৰম, চেনেহ আৰু আত্মবিশ্বাসৰহে বেছি প্ৰয়োজন। তেখেতে হেলেন কেলাৰক এনি চুলিভান নামৰ শিক্ষয়িত্ৰী এগৰাকীৰ ওচৰলৈ লৈ গ'ল। চুলিভান অত্যন্ত আত্মবিশ্বাসী, সাহসী আৰু মৰমিয়াল আছিল। গ্ৰাহাম বেলে চুলিভানক ওঁঠৰ কঁপনি অনুভৱ কৰি মনৰ ভাব বুজি পোৱাৰ কৌশল শিকাইছিল। তেখেতে চুলিভানৰ হাতত হেলেন কেলাৰকো শিকোৱাৰ দায়িত্ব দিলে। চুলিভানে এই কৌশলটো অতি মৰমেৰে হেলেন কেলাৰক শিকাই দিলে। কম দিনতে হেলেন কেলাৰে এই কৌশল আয়ত্ত কৰিলে। ওঁঠৰ কঁপনিৰে ভাব প্ৰকাশৰ অভ্যাস কৰি কৰি হেলেন কেলাৰে শিশু পাঠ্যপুথি শিকি পঢ়িব আৰু লিখিব পৰা হ'ল। স্পৰ্শানুভূতিৰে, অৰ্থাৎ আঙুলিৰে ওঁঠ চুই তেখেতে আনৰ লগত ভাব বিনিময় কৰিব পৰা হ'ল। আঠ বছৰ বয়সত আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰি ১৯০৪ চনত তেখেতে কলা শাখাৰ স্নাতক ডিগ্ৰীও ল'লে।

বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ শিক্ষাৰ বিকাশ আৰু উন্নতিৰ বাবে প্ৰতিষ্ঠিত এখন শিক্ষা প্ৰতিষ্ঠানত হেলেন কেলাৰ অধ্যক্ষ ৰূপে নিযুক্ত হ'ল। তাত তেখেতে তেনে ব্যক্তিসকলৰ স্বাস্থ্য, শিক্ষা, সংস্থাপন আদিৰ বাবে কাম কৰাৰ সুযোগ লাভ কৰিলে। এইসকল লোকৰ মংগলৰ বাবে তেখেতে নানা দেশ ভ্ৰমণ কৰিলে আৰু বিভিন্ন আলোচনীত প্ৰবন্ধ-পাতি লিখিলে। তেনে

উদ্দেশ্য আগত ৰাখিয়েই হেলেন কেলাৰে নানা ধৰণৰ অনুষ্ঠান আৰু সংগঠন গঢ়ি তোলাৰ উপৰি মানৱ জাতিৰ কল্যাণৰ অৰ্থে 'চুলিভানৰ জীৱনী', 'মোৰ জীৱন কাহিনী', 'মোৰ ধৰ্ম', 'মধ্য সোঁত' আদি কেইবাখনো গ্ৰন্থ ৰচনা কৰিলে। দ্বিতীয় মহাযুদ্ধত আহতসকলৰ প্ৰতিও হেলেন কেলাৰে নিঃস্বাৰ্থ সেৱা আগবঢ়ালে।



হেলেন কেলাৰে নিজৰ জন্মস্থানত এটি পুথিভঁৰালৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছিল। সেয়েহে নিজৰ কিতাপ-পত্ৰৰ সৈতে তেখেতে এটা পুথিভঁৰাল মুকলি কৰি শিক্ষাৰ পথ সহজ কৰি তুলিছিল। তেখেতে অ'ৰ-ত'ৰ পৰা পুথি সংগ্ৰহ কৰি আনি পুথিভঁৰালৰ কলেৱৰ বঢ়াইছিল। নিঃস্বাৰ্থ আৰু পবিত্ৰ প্ৰেমেৰে তেখেতে আনৰ কাৰণে সমগ্ৰ জীৱন উৎসৰ্গা কৰিলে। বিশেষভাৱে সক্ষম ব্যক্তিসকল সমাজৰ সম্পদ— এই কথাৰ জলন্ত প্ৰমাণ হ'ল এইগৰাকী বিশ্ববৰেণ্য নাৰী হেলেন কেলাৰ।

১৯৬৮ চনত আঠাশী বছৰ বয়সত এইগৰাকী প্ৰতিভাশালী নাৰীয়ে শেষ নিশ্বাস ত্যাগ কৰিলে। নিঃস্বাৰ্থ, মানৱপ্ৰেমী, শিশুপ্ৰেমী, প্ৰকৃতিপ্ৰেমী হিচাপে হেলেন কেলাৰৰ নাম বিশ্ব ইতিহাসত চিৰদিন জিলিকি থাকিব।

জানো আহা

| |
|---|
| বিভিন্ন শাৰীৰিক আৰু মানসিক বাধাগ্ৰস্ততাক বৰ্তমান সময়ত বিশেষভাৱে সক্ষম ব্যক্তি/শিশু বুলি কোৱা হয়। কিয়নো জন্মতে কোনো শিশুৱে বাধাগ্ৰস্ত হৈ জন্ম নলয়। প্ৰথমে মানুহ হিচাপেহে জন্ম লয়। কিন্তু পাছলৈ প্ৰয়োজনৰ তাগিদাত যেতিয়া শিশুটি বাধাগ্ৰস্ত বুলি জনা যায়, তেতিয়া তেওঁক সহায়ৰ প্ৰয়োজন হয়। এই সহায়ৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলৈ সহায় আগবঢ়োৱা হয়। এই আপাহতে তেনে ব্যক্তিক/শিশুক বিশেষভাৱে সক্ষম ব্যক্তি/শিশু বোলা হয়। |

ক্ৰিয়া-কলাপ

## ক — পাঠভিত্তিক ক্ৰিয়া

**১) পাঠটো শুদ্ধ উচ্চাৰণেৰে খোকোজা নলগাকৈ পঢ়া।**

**২) পাঠটো পঢ়ি তুমি বুজি নোপোৱা শব্দবোৰৰ অৰ্থ অভিধান বা শব্দ সম্ভাৰ চাই লিখা।**

**৩) তলৰ বাক্যশাৰী পঢ়ি কোনে, কেতিয়া, কিয় আপ্ৰাণ চেষ্টা কৰিছিল কোৱা আৰু লিখা।**

"বিভিন্ন ধৰণেৰে ছোৱালীজনীৰ মনত সাহস আৰু আত্মবিশ্বাস জগাই তুলিবলৈ তেখেতসকলে আপ্ৰাণ চেষ্টা কৰিছিল।"

**৪) পাঠটো পঢ়ি উপযুক্ত শব্দ আৰু চন খালী ঠাইত বহুওৱা।**

(ক) .................. চনত দিল্লীৰ এখন বিশেষ সভাত জৱাহৰলাল নেহৰুৱে ভাষণ দি থাকোঁতে এগৰাকী মহিলাই তেওঁৰ ওঁঠ দুটি .............. কৰি সকলোকে .............. কৰিলে।

(খ) ............... চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ এক ................. পৰিয়ালত জন্ম হোৱা হেলেন কেলাৰে ডেৰ বছৰ বয়সত .................... ৰোগত আক্ৰান্ত হৈছিল।

(গ) নিঃস্বাৰ্থ আৰু পবিত্ৰ প্ৰেমেৰে ................. সকলৰ কল্যাণৰ কাৰণে কাম কৰা হেলেন কেলাৰৰ মৃত্যু হয় ................ চনত।

(ঘ) .................. ভালকৈ উপলব্ধি কৰিছিল যে বিশেষ প্ৰয়োজন সম্পন্ন ব্যক্তিসকলৰ বাবে ধন-বিততকৈ মৰম, ........... আৰু .............. বেছি প্ৰয়োজন।

**৫) মহীয়সী নাৰীগৰাকীৰ জীৱন বৃত্তান্ত তোমাৰ কথাৰে লিখা।**

**৬) দলত আলোচনা কৰি উত্তৰ লিখা।**

"চুলিভানে গ্ৰাহাম বেলৰ পৰা শিকা কৌশলটো অতি মৰমেৰে হেলেন কেলাৰকো শিকাই দিলে।"

(ক) চুলিভান বুলি ইয়াত কাৰ কথা কোৱা হৈছে?

(গ) চুলিভানে গ্ৰাহাম বেলৰ পৰা কি শিকিছিল?

(ঘ) চুলিভানে হেলেনক কি শিকাইছিল?


## খ - ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**৭) তলৰ শব্দবোৰ সন্ধি ভাঙি পঢ়োঁ আহা।**

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| হিমাচল | = | হিম | + | অচল | পৰীক্ষা | = | পৰি | + | ঈক্ষা |
| বিদ্যালয় | = | বিদ্যা | + | আলয় | অত্যাচাৰ | = | অতি | + | আচাৰ |
| হিমালয় | = | হিম | + | আলয় | যথেষ্ট | = | যথা | + | ইষ্ট |
| মণীন্দ্ৰ | = | মণি | + | ইন্দ্ৰ | যথোপযুক্ত | = | যথা | + | উপযুক্ত |
| অতীন্দ্ৰিয় | = | অতি | + | ইন্দ্ৰিয় | নাৱিক | = | নৌ | + | ইক |

**৯) পাতখিলাত থকা শব্দবোৰ অভিধানৰ দৰে বৰ্ণমালাৰ ক্ৰমত সজোৱা। প্ৰয়োজন হ'লে শিক্ষকৰ সহায় ল'বা।**

**উদাহৰণ—** অধ্যক্ষ, অবাক, আনুষ্ঠানিক, আপ্ৰাণ



৮) ইচ্ছাশক্তি, কল্যাণ, নিঃস্বাৰ্থ, আত্মবিশ্বাস, প্ৰয়োজন, প্ৰবল, সহায়, কৰ্মপ্ৰৱণতা, দুঃসাহসী

— এই শব্দকেইটা ব্যৱহাৰ কৰি অতি কমেও পাঁচটা বাক্য সাজা।

উদাহৰণ — প্ৰবল ইচ্ছাশক্তি আৰু আত্মবিশ্বাসৰ দ্বাৰা ছোৱালীজনীয়ে জীৱনত সফলতা লাভ কৰিব পাৰিলে।

১০) তলত দিয়াবোৰৰ পুংলিংগ, স্ত্ৰীলিংগ আৰু উভয়লিংগ নিৰ্ণয় কৰি তালিকা প্ৰস্তুত কৰা।

মহিলা, নাৰী, শিক্ষক, সন্তান, প্ৰধানমন্ত্ৰী, ছোৱালী, পিতৃ, মাতৃ, শিক্ষয়িত্ৰী, শিশু, অধ্যক্ষ, ব্যক্তি, দেউতা, কেঁচুৱা, পুৰুষ, লোক

উদাহৰণ—

| পুলিংগ | স্ত্ৰীলিংগ | উভয়লিংগ |
|---|---|---|
| পুৰুষ | মাতৃ | কেঁচুৱা |
| | | |

## গ — জ্ঞান সম্প্ৰসাৰণ

১১) "বিশেষভাৱে সক্ষম ব্যক্তিসকল সমাজৰ সম্পদ"—এইসকলৰ বাবে তুমি কি কৰিবা, দলত আলোচনা কৰি লিখা।

১২) "বিশেষভাৱে সক্ষম ব্যক্তিসকল দেশ তথা সমাজৰ সম্পদ"— এই বিষয়ে তোমাৰ শ্ৰেণীকোঠাত এটি বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা।

১৩) শ্ৰুতলিপি লিখা।

*শিক্ষকে প্ৰয়োজন অনুসৰি সহায় কৰিব। পাঠৰ পৰা শ্ৰুতলিপি দিব।*

জানো আহা

**ষ্টিফেন হকিং—** বিজ্ঞান জগতৰ এটি প্ৰাতঃস্মৰণীয় নাম ষ্টিফেন উইলিয়াম হকিং। মাত্ৰ একৈশ বছৰ বয়সতে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈও তেখেতে বিজ্ঞান জগতলৈ আগবঢ়াইছে কেইবাখনো অমূল্য গ্ৰন্থ।

বহু সন্মান আৰু বঁটাৰ অধিকাৰী ষ্টিফেন হকিঙৰ জন্ম ১৯৪২ চনৰ ৮ জানুৱাৰীত ইংলেণ্ডৰ অক্সফোৰ্ডত। ৰোগত আক্ৰান্ত হোৱাৰ পাছত তেখেতৰ শৰীৰৰ প্ৰায়বোৰ অংগ অচল হৈ পৰে। মাত্ৰ এখন হাতৰ দুটা আঙুলি লৰচৰ কৰি সেই দুটা আঙুলিৰেই তেখেতে হুইলচেয়াৰত সংলগ্ন কম্পিউটাৰ চলায়। বেছি ভাগ জটিল অংক তেখেতে মনতে কৰি পেলাব পাৰে। তেখেতে ১৯৬২ চনত অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰ স্নাতক ডিগ্ৰী, ১৯৬৬ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা পি. এইচ. ডিগ্ৰী লাভ কৰে। ষ্টিফেন হকিঙৰ বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি ৰহস্য সম্পৰ্কীয় গৱেষণাই বিজ্ঞানজগতক সমৃদ্ধ কৰিছে। বিশিষ্ট বিজ্ঞানীগৰাকীয়ে লাভ কৰা কেইটামান সন্মান আৰু পুৰস্কাৰ—

- ১৯৮১ চনত 'আমেৰিকান ফ্ৰেংকলীন' মেডেল।
- ১৯৮২ চনত 'কমাণ্ডাৰ অব দ্য ব্ৰিটিছ্ এম্পায়াৰ' সন্মান।
- ২০০২ চনত বি. বি. চি. এ তেখেতক '১০০ জন মহান ব্ৰিটিছৰ এজন' বুলি অভিহিত কৰে।
- ২০০৬ চনত ৰয়েল ছ'ছাইটিৰ পৰা 'কপ্‌লে মেডেল' বঁটা
- ২০১২ চনত 'ৰাছিয়ান ফাণ্ডামেণ্টেল ফিজিক্স' প্ৰাইজ।



## ঘ — প্ৰকল্প

- **তোমাৰ অঞ্চলত থকা বিশেষভাৱে সক্ষম ব্যক্তিক লগ কৰি তেখেতসকলৰ নাম আৰু সমাজলৈ আগবঢ়োৱা বৰঙণিৰ বিষয়ে চমুকৈ লিখা।**
- **বিশেষভাৱে সক্ষম ব্যক্তিৰ ছবি সংগ্ৰহ কৰি এলবাম প্ৰস্তুত কৰা। ব্যক্তিসকলৰ চমু চিনাকি দিবা।**

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা আৰু বুজি পোৱা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- হেলেন কেলাৰ আৰু তেনে আন ব্যক্তিসকলৰ জীৱনৰ পৰিচয় পোৱা
- বিশেষভাৱে সক্ষম ব্যক্তিসকলো যে সমাজৰ মূল্যবান সম্পদ, সেই কথা উপলব্ধি কৰা
- বাক্য ৰচনা কৰিব পৰা
- সন্ধি ভাঙিব পৰা
- লিংগ নিৰ্ণয় কৰিব পৰা
- বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ প্ৰতি সেৱাৰ মনোভাব জাগ্ৰত হোৱা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| জীৱনীমূলক প্ৰবন্ধ | পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | জীৱনীমূলক প্ৰবন্ধ পঢ়ি বুজি পোৱা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | সন্ধি ভাঙিব পৰা | বৰ্ণমালাৰ ক্ৰম অনুসৰি বিভিন্ন শব্দ সজাব পৰা | লিংগ নিৰ্ণয় কৰিব পৰা | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ বিষয়ে জানিবলৈ আগ্ৰহী হোৱা | | অভিধান চোৱাৰ অভ্যাস গঢ়ি উঠা | | | |
| | | | | | | |
| প্ৰকল্প | বিশেষভাৱে সক্ষম ব্যক্তিসকল যে সমাজৰ সম্পদ, সেই কথা উপলব্ধি কৰা | | বক্তৃতা অনুষ্ঠানত ভাগ ল'ব পৰা | বিশেষভাৱে সক্ষম ব্যক্তিৰ ফটো সংগ্ৰহ কৰি এলবাম প্ৰস্তুত কৰিব পৰা | | |
| | | | | | | |

*অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১১

# সঞ্চয়

সঞ্চয়ৰ অভ্যাসে সকলোকে সমৃদ্ধ কৰে। মৌ-মাখিয়ে পা-পোৱালিৰ বাবে কৰা সঞ্চয়ৰ পৰাই আমি মৌ-ৰস পাওঁ। কিন্তু উঁইবোৰে মাটি সঞ্চয় কৰিলে ইয়াৰ ৰস-পম নাইকিয়া হয়। সেয়েহে, সঞ্চয় কৰা ডাঙৰ কথা নহয়; সঞ্চিত সামগ্ৰী কেনেকৈ ব্যৱহৃত হয়, সেয়াহে গুৰুত্বপূৰ্ণ কথা। দেশ আৰু দহৰ বাবে সঞ্চয় কৰাটোহে লক্ষ্য হোৱা আৱশ্যক। এই পাঠটিৰ মাধ্যমত, ভিন্নজনৰ সঞ্চয়ৰ লক্ষ্য আৰু তাৰ পৰিণতি সম্পৰ্কে কিছু কথা জানিব পাৰিবা।



উঁইৰ সঞ্চয় মাটি কৰকৰা,
মৌৰ সঞ্চয় বিচনীখন।
উঁইৰ সঞ্চয়ে মাটি-ৰস হৰে,
মৌৰ সঞ্চয়ত মধু বৰ্ষণ।।

বাঢ়ে কৃপণৰ সঞ্চয়ত নিতে
আন্ধাৰ মাথোন চোৰ-চাণ্ডত।
জ্ঞানৰ সঞ্চয়ে পোহৰ বিলাই,
মনৰ নেদেখা কুন্দিবোৰত।।



পুণ্যতোয়া গঙ্গাজল সাঁচি থ'লে,
হয় শান্তিয়নী পৱিত্ৰ জল।
সোণৰ পাত্ৰতো ম'হৰ ঘুলিৰ
জল সাঁচি থ'লে নহয় নিৰ্ম্মল।।
সাঁচি থোৱাকেই সঞ্চয় নকয়—
যদি তাৰে হিত সাধন নহয়।



**কবি — নীলমণি ফুকন**

*(উৎস : 'মানস-প্ৰতিমা', পৃষ্ঠা- ৩৭, প্ৰকাশক— শ্ৰী বংশীধৰ শৰ্মা, গুৱাহাটী বুক ষ্টল, গুৱাহাটী- ৩, প্ৰথম প্ৰকাশ- ডিচেম্বৰ ১৯৭১ চন)*

### কবি পৰিচয়

**নীলমণি ফুকন (১৮৮০-১৯৭৭ চন)**— নীলমণি ফুকনৰ পিতৃ লম্বোদৰ ফুকন। কবিগৰাকীয়ে ডিব্ৰুগড়ৰ পৰা এন্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হৈ পাছত ক্ৰমে কটন কলেজ আৰু কোচবেহাৰ কলেজত অধ্যয়ন কৰি স্নাতক ডিগ্ৰী লয়। তেখেতে ডিব্ৰুগড়ৰ জৰ্জ স্কুলত শিক্ষকতাৰে চাকৰি জীৱনৰ পাতনি মেলে। নীলমণি ফুকনে 'আলোচনী', সাদিনীয়া 'বাতৰি' (পাছত 'দৈনিক বাতৰি'), 'ন-জোন' (শিশু আলোচনী) আদি সম্পাদনা কৰে।

ভাটি বয়সত সাহিত্য সৃষ্টি আৰম্ভ কৰা নীলমণি ফুকনে 'জ্যোতিকণা', 'মানসী' 'গুটিমালি', 'জিঞ্জিৰি', 'সন্ধানী', 'অমিত্ৰা', 'আহুতি', 'শতধাৰা', 'মৰা ডালৰ কুঁহিপাত' আৰু 'মানস-প্ৰতিমা' কবিতা পুথিৰ উপৰি 'চিন্তামণি' আৰু 'সাহিত্য-কলা' নামৰ উৎকৃষ্ট প্ৰবন্ধ পুথিও ৰচনা কৰে।

'ককা নীলমণি ফুকন' নামেৰে পৰিচিত বিশিষ্ট কবিগৰাকীক সৰ্বজন স্বীকৃত বাক্‌পটুতাৰ বাবে 'বাগ্মীবৰ' নামেৰেও জনা যায়।

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া

১) কবিতাটি স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়া।

২) কবিতাটি লয়, ছন্দ আৰু তালৰ লগত সংগতি ৰাখি আবৃত্তি কৰা।

৩) তলত দিয়া শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰ বা অভিধানত চাই লিখা।

কৰকৰা, বৰ্ষণ, কৃপণ, কুন্ধি,
পুণ্যতোয়া, শান্তিয়নী, ঘুলি, নিৰ্মল, হিত

৪) কবিতাটিৰ মূলভাব লিখা।

৫) কি কৰিলে প্ৰকৃত সঞ্চয় হোৱা বুলি কবিতাটিত কোৱা হৈছে?

৬) জ্ঞানৰ সঞ্চয়ে পোহৰ বিলাই,

মনৰ নেদেখা কুন্ধিবোৰত।।

'কুন্ধি' শব্দটোৱে সাধাৰণতে নাৱৰ খোটালিক বুজায়। কবিতাফাকিত থকা 'কুন্ধি' শব্দটোৱে কিহৰ খোটালিক বুজাইছে?



৭) **উত্তৰ দিয়া।**

(ক) উঁয়ে কি সঞ্চয় কৰে?

(খ) মৌ-মাখিৰ সঞ্চয়ৰ ফলত কি বৰ্ষণ হয়?

(গ) উঁইৰ সঞ্চয়ৰ ফলত কি হয়?

(ঘ) জ্ঞানৰ সঞ্চয়ে মনৰ নেদেখা কুন্ধিবোৰত কি বিলায়?

(ঙ) জল ক'ত সাঁচি থ'লে নিৰ্মল নহয়?

৮) **কবিতাফাকি পঢ়া আৰু উত্তৰ দিয়া।**

(ক) পুণ্যতোয়া গঙ্গাজল সাঁচি থ'লে,

হয় শান্তিয়নী পবিত্ৰ জল।

— পুণ্যতোয়া শব্দটোৱে কি বুজাইছে?

— গঙ্গাজল সাঁচি থ'লে কি হয়?

(খ) বহলাই লিখা।

সাঁচি থোৱাকেই সঞ্চয় নকয়—

যদি তাৰে হিত সাধন নহয়।



**জানো আহা**

| | | |
|---|---|---|
| চোৰ-চাং | ঃ | চোৰ সোমাব নোৱৰা কৰিবৰ নিমিত্তে ডাঠ বেৰেৰে আবৃত কৰা চাং; তেনে চাঙত গাঁৱৰ মানুহে ধন ৰাখে। |
| কুন্ধি | ঃ | নাৱৰ ভিতৰৰ খোটালি। |
| পুণ্যতোয়া | ঃ | পবিত্ৰ পানী থকা নদী (গঙ্গা, যমুনা, গোদাবৰী, সৰস্বতী, নৰ্মদা, সিন্ধু আৰু কাবেৰী— এই সপ্ত নদীক পুণ্যতোয়া নদী বোলে)। |

## খ— ভাষা অধ্যয়ন (ব্যাবহাৰিক ব্যাকৰণ)

**৯) বাঁও-ফালে থকা শব্দবোৰ সোঁ-ফালৰ বিপৰীতাৰ্থক শব্দবোৰৰ লগত মিলাই লিখা।**

| বাঁও-ফাল | |
|---|---|
| অসাধু | — |
| পোহৰ | — |
| জ্ঞান | — |
| নেদেখা | — |
| হিত | — |

সোঁ-ফাল

ব্যয়, সাধু, আন্ধাৰ, অজ্ঞান, মলিয়ন, দেখা, অহিত

**জানো আহা**

কৰ্তাৰ কাৰ্য সমাপ্ত হোৱা-নোহোৱাৰ ওপৰত ভিত্তি কৰি দুই প্ৰকাৰৰ ক্ৰিয়া পোৱা যায়— **সমাপিকা ক্ৰিয়া** আৰু **অসমাপিকা ক্ৰিয়া**। বাক্য এটাত কৰ্তাৰ কাৰ্য সম্পূৰ্ণ কৰা ক্ৰিয়াক **সমাপিকা ক্ৰিয়া** বোলে। যেনে— "আমি ভাত **খালোঁ**।" আনহাতে বাক্যৰ মাজত থকা, কৰ্তাৰ কাৰ্য সম্পূৰ্ণ নোহোৱা ক্ৰিয়াক **অসমাপিকা ক্ৰিয়া** বোলা হয়। যেনে— "আমি ভাত **খাই** বজাৰলৈ গ'লোঁ।" অসমাপিকা ক্ৰিয়াৰ বিভক্তিটো হ'ল '**ই**'। ইয়াৰ 'ঐ' আদি ৰূপো হ'ব পাৰে। যেনে—

খা + **ই** = খাই

কৰ্ + **ই** = কৰি

নাচ্ + **ই** = নাচি ইত্যাদি।

সমাপিকা ক্ৰিয়াৰ বিভক্তিটো কৰ্তাৰ পুৰুষ অনুসৰি ধাতুৰ লগত যুক্ত হয়। যেনে—

"**মই** ভাত খাওঁ (খা + ওঁ)।

**তই** ভাত খা**ব** (খা + অ)।

**তুমি** ভাত খো**ৱা** (খা + আ)।

**সি/তেওঁ/তেখেতে** ভাত **খায়** (খা + এ)।

**আপুনি** ভাত খায় (খা + এ)।

১০) খাই, কৰি, বাই, থৈ, উঠি

এই অসমাপিকা ক্ৰিয়াপদকেইটা ব্যৱহাৰ কৰি একোটাকৈ বাক্য ৰচনা কৰা।

১১) কবিতাটিৰ পৰা পাঁচটা ক্ৰিয়াপদ বাছি উলিওৱা।

১২) কবিতাটিৰ পৰা যুক্তাক্ষৰ থকা পাঁচটা শব্দ বিচাৰি তাত থকা যুক্তাক্ষৰকেইটাৰে একোটাকৈ আন শব্দ লিখা।

উদাহৰণ—

| সঞ্চয় | ঞ্চ | বাঞ্চা |
|---|---|---|
| | | |
| | | |
| | | |
| | | |
| | | |

## গ— জ্ঞান সম্প্ৰসাৰণ

১৩) মৌ-মাখিৰ দৰে আন বহুতো কীট-পতঙ্গই অলেখ পৰিশ্ৰম কৰি ভৱিষ্যতৰ বাবে খাদ্যবস্তু সংগ্ৰহ কৰে। তুমি জনা তেনে এবিধ কীট-পতঙ্গৰ বিষয়ে পাঁচটা বাক্য লিখা।

১৪) "কৃপণে সঞ্চয় কৰা ধন অথলে যায়। কিন্তু সৎ লোকে সঞ্চয় কৰা ধনেৰে সমাজৰ হিত সাধন হয়।" এই বিষয়ে দলত আলোচনা কৰা।

জানি থোৱা

> 'মৌ' শব্দটো সংস্কৃত 'মধু' শব্দৰ পৰা ওলাইছে। 'সঞ্চয়' কবিতাটিত 'মৌ' শব্দটোৰে 'মৌ-মাখি'ক বুজোৱা হৈছে।

১৫) ‘মৌ’ শব্দটোৰে আৰম্ভ হোৱা শব্দবোৰ চোৱা।



মৌ-কুঁৱৰী (মৌ-বাহৰ ৰাণী)
মৌ-কোঁহ
মৌ-গুটি
মৌ-চাক
মৌ-চেপা
মৌ-জোল
মৌ-জোলোঙা
মৌ-পিয়া
মৌ-বাহ
মৌ-বিচনী
মৌ-মাখি
মৌ-সিতা ইত্যাদি।

**কি হয় কোৱা**
মৌ নহয় ভোমোৰা নহয়
ফুলে ফুলে ফুৰে,
নাকৰ আগত দীঘল বেজী
ওলোটাকৈ উৰে।

**অভিধান চাই এই শব্দবিলাকৰ অৰ্থ আয়ত্ত কৰা। একেদৰে ‘মুখ’ শব্দটোৰে আৰম্ভ হোৱা শব্দবিলাকৰ অৰ্থ অভিধানত চোৱা আৰু আয়ত্ত কৰা।**

১৬) তলৰ কবিতাটি পঢ়া।



বৰুৱাৰ ঘৰতে পৰুৱা সোমাই
নিলে ভঁৰালৰ ধান,
বাৰিষা আহিলে আকাল পৰিব
পৰুৱাই বচাব প্ৰাণ।
ফৰিঙে সুধিলে-“কষ্ট কৰি দেহা
কিয়নো কৰিছা নষ্ট?”
পৰুৱা ৰাণীয়ে হাঁহি মাৰি ক’লে-
“সময়ত পস্তাবা মস্ত।”
আহিল বাৰিষা ফেনে-ফোটোকাৰে
পৰুৱা উঠিল গছত,

যত ধান, কণী আৰু পোৱালি
সকলোকে নিলে লগত।
ফৰিং বপুৰা উটি উটি গৈ
পৰিল পানীৰ পাকত,
ৰাণীৰ আদেশত মাউথে উটি
পৰুৱাই ধৰিলে ঠেঙত।
সুধিলে ৰাণীয়ে-"ফৰিং বোপাই
বল কিয় নাইকিয়া?"
হাতযুৰি ক'লে-"ক্ষমা মহাৰাণী,
ভোকতে হ'লোঁ মই চিয়া।
এতিয়া বুজিলোঁ সঞ্চয়ৰ বল
আন গৰ্বতকৈ চৰা,
কৰিম সঞ্চয় ভাল কামলৈ
নিশ্চয় আজিৰ পৰা!"



—ওপৰৰ কবিতাটিৰ কোনকেইটা পংক্তিৰ ভাব 'সঞ্চয়' কবিতাটিৰ শেষৰ পংক্তি দুটাৰ লগত মিলে ভাবি উলিওৱা।

—ওপৰৰ কবিতাটিৰ দৰে তোমালোকেও প্ৰচলিত কাহিনী, সাধুকথা আদিৰ আলমত সঞ্চয়ৰ সু-অভ্যাসৰ ভিত্তিত কবিতা ৰচনা কৰা আৰু শিক্ষকক দেখুওৱা।

**১৭) মানুহে অলপ অলপকৈ সঞ্চয় কৰা ধনেৰে ভৱিষ্যতে কি কি ভাল কাম কৰিব পাৰে লিখা।**

## ঘ — প্ৰকল্প

- আমাৰ চৌপাশে থকা জীৱ-জন্তু, চৰাই-চিৰিকটি, কীট-পতঙ্গবোৰ পৰ্যবেক্ষণ কৰা আৰু সিহঁতে কি কি সঞ্চয় কৰে, এখন তালিকাত লিখা। প্ৰত্যেকৰে তালিকাবোৰ মিলাই এখন ডাঠ কাগজত লিখি উলিওৱা আৰু শ্ৰেণীকোঠাত আঁৰি থোৱা।

- **"ঔৰে গছতে মৌৰে ৰাহে ল'লে ককাই পাৰি দিয়া খাওঁ।।"**

  অসমৰ থলুৱা গীত-মাতত 'মৌ' শব্দটোৰ বহুল ব্যৱহাৰ দেখা যায়। তুমিও তেনেধৰণৰ 'মৌ' শব্দটো থকা গীত-মাত সংগ্ৰহ কৰা।

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- কবিতা শুনি, পঢ়ি বুজি পোৱা
- কবিতা শুদ্ধকৈ আৰু স্পষ্টকৈ পঢ়িব আৰু আবৃত্তি কৰিব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- কবিতাটি পঢ়ি সঞ্চয়ৰ মনোভাৱ গঢ়ি উঠা
- অভিধান, শব্দ সম্ভাৰ চাই শব্দৰ অৰ্থ উলিয়াব পৰা
- কোনো আলোচনাত অংশ লৈ নিজৰ বক্তব্য প্ৰকাশ কৰিব পৰা
- কবিতা, পদ্য আদি ৰচনা কৰিব পৰা
- ক্ৰিয়াৰ লগত পৰিচয় হৈ প্ৰয়োগ কৰিব জনা
- শব্দভাণ্ডাৰ বৃদ্ধি পোৱা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| কবিতা | কবিতা শুনি বুজি পোৱা | শুদ্ধ আৰু স্পষ্টকৈ কবিতা পঢ়িব আৰু আবৃত্তি কৰিব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | অভিধান/শব্দসম্ভাৰ চাই শব্দৰ অৰ্থ উলিয়াব পৰা | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | সমাপিকা আৰু অসমাপিকা ক্ৰিয়াৰ ধাৰণা পোৱা | বাক্যত ক্ৰিয়াপদ নিৰ্ণয় কৰিব পৰা | বিপৰীতাৰ্থক শব্দ মিলাই লিখিব পৰা | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | আলোচনাত অংশ লৈ নিজৰ বক্তব্য তুলি ধৰিব পৰা | কবিতা, পদ্য আদি ৰচনা কৰিব পৰা | সঞ্চয়ৰ প্ৰতি আগ্ৰহী হোৱা। | সাঁথৰ আদিৰ উত্তৰ দিব পৰা | | |
| | | | | | | |
| প্ৰকল্প | চৌপাশৰ প্ৰাকৃতিক পৰিৱেশৰ উপাদানসমূহ পৰ্যৱেক্ষণ কৰিব জনা | প্ৰাণীৰ আচৰণ সম্বন্ধে জ্ঞান আহৰণ কৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১২

# মনোৰম মাজুলী

N2B4F5

*ভ্ৰমণ শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। ভ্ৰমণৰ জৰিয়তে কেৱল যে জ্ঞানৰ পৰিসৰ বৃদ্ধি হয়, এনে নহয়; বৰং ইয়াৰ লগে লগে আনন্দও পাব পাৰি। 'মনোৰম মাজুলী' পাঠটিৰ জৰিয়তে তোমালোকে মাজুলীৰ বিষয়ে জানিব পাৰিবা। মাজুলী পাঠটিৰ পঠনে তোমালোকক আন আন সাংস্কৃতিক কেন্দ্ৰসমূহ ভ্ৰমণ কৰিবলৈ উৎসাহী কৰিব।*

ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মনত অপাৰ আনন্দ। গৰমৰ বন্ধত সিহঁত পৃথিৱীৰ অন্যতম বৃহৎ নদীদ্বীপ মাজুলী চাবলৈ যাব। ইতিমধ্যে ছাৰ-বাইদেউসকলে মাজুলীত গৈ থকাৰ ব্যৱস্থাও কৰি থৈছে।

নিৰ্দিষ্ট দিনত ছাৰ-বাইদেউসকলে কোৱাৰ দৰে ষষ্ঠ শ্ৰেণীৰ দহজনীয়া ছাত্ৰ-ছাত্ৰীৰ দলটো বিদ্যালয়ৰ খেল-পথাৰত সমবেত হ'লহি। ইতিমধ্যে আহি পোৱা গাড়ীখনত তেওঁলোক বহি মাজুলীলৈ যাত্ৰা আৰম্ভ কৰিলে। তেওঁলোকৰ লগতে শিক্ষক বৰুৱা ছাৰ আৰু গগৈ বাইদেউও গাড়ীত বহিল। লাহে লাহে গাড়ীয়ে বিদ্যালয় চৌহদ এৰি মাজুলীলৈ যাবৰ কাৰণে নিমাতীঘাটলৈ আগবাঢ়িল। গগৈ বাইদেৱে ছাত্ৰ-ছাত্ৰীৰ লগত ভূপেন হাজৰিকাৰ "মহাবাহু ব্ৰহ্মপুত্ৰ" গীতটি গাই পৰিৱেশটো অধিক মধুৰ কৰি তুলিলে। তাৰ পাছত বাইদেৱে মাজুলীৰ প্ৰলয়ংকাৰী বানপানী আৰু গৰাখহনীয়াৰ কথা ক'লে। এনেতে বাছ আহি নিমাতীঘাট পালেহি। ঘাটত যেন ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে অপাৰ বিস্ময় গোট খাই আছিল। বিশাল ব্ৰহ্মপুত্ৰ নীৰৱে-নিতালে বৈ আছে। পাৰত বয়-বস্তুৰে অগণন মানুহ। তেওঁলোক গৈ



ফেৰীত বহিল। ফেৰীত বহি তেওঁলোকে দেখিলে গাড়ী, বাইক, চাইকেল আৰু গৰু-ম'হ লৈ অজস্ৰ মানুহ ফেৰীত উঠিছে। ফেৰীত উঠিবলৈ পাই ছাত্ৰ-ছাত্ৰীসকলৰ মনত অসীম আনন্দ আৰু উত্তেজনা।

বিশাল ব্ৰহ্মপুত্ৰৰ বুকুৰেদি নাঙলৰ সীৰলুৰ দৰে পানী কাটি কাটি ফেৰীখন আগুৱাই গৈ থাকিল। ফেৰীত বহি তেওঁলোকে ব্ৰহ্মপুত্ৰৰ মনোৰম দৃশ্য উপভোগ কৰিলে।



ব্ৰহ্মপুত্ৰৰ বিশাল জলৰাশি পুৱাৰ সূৰুজৰ পোহৰ পৰি ৰঙীন মুকুতা-মণিৰ দৰে জিলিকি উঠিছে। মাজে মাজে পানীত লুকা-ভাকু খেলা শিহুবোৰক দেখি ছাত্ৰ-ছাত্ৰীসকল উল্লাসিত হৈ পৰিল। দুৰৈত সৰু সৰু নাৱত উঠি মাছমৰীয়াসকলে মাছ মৰা দৃশ্যও তেওঁলোকে উপভোগ কৰিলে।

ব্ৰহ্মপুত্ৰৰ বুকুৰেদি আহি আহি এইবাৰ ৰবীনহঁত কমলাবাৰী ঘাট পালেহি। ঘাটত আগৰ দৰে অগণন মানুহ দেখি অৰুণে বৰুৱা ছাৰক সুধিলে— "ছাৰ, ইয়াতো ইমান মানুহ!" ছাৰে ক'লে— "এৰা, মাজুলীলৈ আহ-যাহ কৰিবলৈ এই জল-পথৰ বাহিৰে অন্য ব্যৱস্থা নাই। ইয়ালৈ আহিবলৈ মাত্ৰ দুটা পথ আছে— এটা নিমাতীঘাটৰ পৰা আৰু আনটো উত্তৰ লক্ষীমপুৰৰ পৰা লুইত খাবলু হৈ মাজুলীলৈ। সেইবাবেই ঘাটত ইমান মানুহ। আমি এতিয়া কমলাবাৰী সত্ৰলৈ যাওঁ ব'লা। তাতেই উত্তৰ কমলাবাৰী সত্ৰৰ অতিথিশালাত নিশা কটাম।"

কিছুসময়ৰ পাছত তেওঁলোক কমলাবাৰী সত্ৰত উপস্থিত হ'লগৈ। এই সত্ৰখন শিল্পকলা, সাহিত্যকৰ্ম আৰু আন আন সত্ৰীয়া সম্পদসমূহৰ সংৰক্ষণৰ বাবে বিখ্যাত। সত্ৰগৃহৰ শিল্প-কলাৰ নিদৰ্শন দেখি সকলো অবাক হ'ল। জয়শ্ৰীয়ে গগৈ বাইদেউলৈ লক্ষ্য কৰি ক'লে— "ইয়াৰ ছবিবোৰ ইমান ধুনীয়া বুলি ভবাই নাছিলোঁ বাইদেউ।" বাইদেৱে ক'লে— "হয়, সত্ৰৰ শিল্পকৰ্মৰ এক সুকীয়া শৈলী আছে। বিদেশী লোকেও এনে শৈলীক প্ৰশংসা কৰে।"



ছাত্র-ছাত্রীসকলে সত্ৰত মণিকূটৰ পৰা আৰম্ভ কৰি চাৰি প্ৰসংগ অনুষ্ঠিত কৰা বিশেষ স্থানলৈকে সকলোবোৰ চালে। ডেকা সত্ৰাধিকাৰৰ নিৰ্দেশক্ৰমে বিজ্ঞ ভকত এজনাই দলটোৰ সৈতে থাকি সত্ৰ-পৰিচালনাৰ বিষয়ে সকলো কথা বুজাই দিলে।

সত্ৰখন পৰিভ্ৰমণ কৰাৰ পাছত হিমশিখৰে বৰুৱা ছাৰক সুধিলে— "ছাৰ, মাজুলীত মুঠতে কিমানখন সত্ৰ আছে?" হিমশিখৰৰ প্ৰশ্নৰ উত্তৰত ছাৰে অলপ দুখেৰে ক'বলৈ ধৰিলে— "বৰ্তমান



মাজুলীত সৰু-বৰ বাইশখন সত্ৰ আছে। আগতে অৱশ্যে পঁয়ষষ্ঠিখন সত্ৰ আছিল। সত্ৰৰ সংখ্যা কমি গৈছে যদিও মাজুলীক এতিয়াও 'সত্ৰ নগৰী' বোলা হয়।" সংগীত স্বৰগমে ছাৰৰ কথা গভীৰ মনোযোগেৰে শুনি আছিল। সি টপৰাই সুধিলে— "ছাৰ, পঁয়ষষ্ঠিখনৰ ভিতৰত মাত্ৰ বাইশখনহে আছেগৈ; বাকীকেইখন কি হ'ল?" ছাৰে ক'লে— "কি ক'বা! ইয়াত মানুহৰ সপোনে পোখা মেলে, কিন্তু বানপানী আৰু গৰাখহনীয়াই সেই পোখা মোহাৰি পেলায়। মাজুলীৰ বহু মাটি ব্ৰহ্মপুত্ৰই খহাই নিছে, খহনীয়াত সত্ৰও নিশ্চিহ্ন হৈ গৈছে। তেনেকৈয়ে সত্ৰৰ সংখ্যা কমিছে।"

ইতিমধ্যে ভোক আৰু ভাগৰে সকলোকে অৱশ কৰি তুলিছিল। সেয়েহে তেওঁলোকৰ খোৱাৰ ব্যৱস্থা কৰা হ'ল। জিৰাই-শঁতাই সকলোৱে গড়মূৰ সত্ৰলৈ বুলি যাত্ৰা কৰিলে। এই গড়মূৰতে আহোমৰ দিনৰ বৰটোপবোৰ সংৰক্ষিত হৈ আছে। যাত্ৰাকালত তেওঁলোকে মাজুলীত বসবাস কৰা মিছিংসকলৰ আটোম-টোকাৰিকৈ সজা চাংঘৰবোৰ দেখি আচৰিত হ'ল। বাঁহেৰে সজা চাংঘৰবোৰত কেনেকৈ



উঠে আৰু কেনেকৈ নামে, সেই বিষয়ে জানিবলৈ কৰবীয়ে গগৈ বাইদেউক সুধিলে। কৰবীৰ প্ৰশ্নৰ উত্তৰত গগৈ বাইদেৱে ক'লে যে মিছিংসকলে চাংঘৰত উঠা-নমা কৰোঁতে বাঁহৰ জখলা ব্যৱহাৰ কৰে।

ইয়াৰ পাছত তেওঁলোকে কাষৰীয়া জলাশয় এখনলৈ যাত্ৰা কৰিলে। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাত এই জলাশয়বোৰৰ বিশেষ

ভূমিকা আছে। ইয়াত নানা জলজ উদ্ভিদৰ লগতে মাছ, কাছ, সাপ, বেং আদিকে ধৰি অসংখ্য প্ৰাণীও আছে। এই জলাশয়ৰ মাছ বা আন প্ৰাণী খাবলৈ নানা চৰায়ে পাৰত চোপ লৈ থাকে। শামুকভঙা, বৰটোকোলা, হাড়গিলা, বগলী, কণামুচৰি, শৰালি, দল-ম'ৰা, দৰিক, ডাউক্, পানীকাউৰী, মণিয়ৰী,



কাউৰী, কুৰুৱা আৰু শিলকপৌকে ধৰি অনেক চৰাই জলাশয়বোৰৰ আশে পাশে থাকে। বিভিন্নধৰণৰ চৰাই দেখি ছাত্ৰ-ছাত্ৰীসকল আনন্দত জপিয়াই উঠিল। হঠাৎ আল্পনাই সুধিলে—"ছাৰ, আপুনি যে শ্ৰেণীত কৈছিল পৰিভ্ৰমী চৰাইৰ কথা...।" তাইৰ কথাযাৰৰ ভাবটো বুজি বৰুৱা ছাৰে ক'লে— "এৰা, মাজুলীলৈ বিভিন্ন সময়ত পৰিভ্ৰমী চৰাই আহে। বিশেষকৈ শৰতকালতে এই চৰাইবোৰৰ আগমন আৰম্ভ হয়।"

আবেলিৰ বেলিয়ে মাজুলীৰ খলা-বমা, গছ-লতা সকলোতে এক ৰহণ সানিলেহি। চালে চাই থাকিবৰ মন যোৱা অপূৰ্ব সেই দৃশ্য। কিন্তু নিশাৰ আশ্ৰয় স্থানলৈ যাবই লাগিব। সেয়েহে গধূলিৰ আগে আগে দলটো কমলাবাৰীৰ অতিথি গৃহত উপস্থিত হ'ল। তাতে হাত-ভৰি ধুই জা-জলপান খোৱাৰ পাছত সকলোটি সত্ৰলৈ ওলাল। সেই দিনা সত্ৰত অনুষ্ঠিত 'কেলিগোপাল' ভাওনা চাই সকলোৱে আনন্দ পালে।



তাৰ পাছত আলহী গৃহত সকলোটি বহিলহি। খোৱা-লোৱাৰ বাবে কিছুসময় বাকী থকাত বৰুৱা ছাৰে সমূহীয়াকৈ ক'লে— "এই সত্ৰসমূহে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ সুমধুৰ স্মৃতি বহন কৰে। বিৰল প্ৰতিভাৰ অধিকাৰী

গুৰু দুজনাৰ মিলনক 'মণিকাঞ্চন' সংযোগ বোলা হয়। কথিত আছে, বেলগুৰি সত্ৰত তেখেত দুগৰাকীৰ প্ৰথম সাক্ষাৎ হৈছিল। মহাপুৰুষ দুজনাই অসমৰ জাতি, বৰ্ণ আৰু ধৰ্মৰ সংকীৰ্ণ বেৰ আঁতৰাই নৱ বৈষ্ণৱ ধৰ্মৰ উদাৰ নীতিৰে কলা, সাহিত্য, সংস্কৃতি আৰু সমাজখনকো সংস্কাৰ কৰি থৈ গৈছে।



তোমালোকে জানি থোৱা, এই সত্ৰসমূহত বৰগীত চৰ্চাৰ লগতে বিভিন্ন সত্ৰীয়া নৃত্য, যেনে— ঝুমুৰা নাচ, চালি নাচ, নটুৱা নাচ, দশাৱতাৰ নৃত্য, কৃষ্ণ নাচ আদিৰ চৰ্চা হয়। পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা সংস্কৃতি-প্ৰেমী ব্যক্তি আহি ইয়াত সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ লয়। আমাৰ কাৰণে অতি গৌৰৱৰ কথা যে মহাপুৰুষজনাৰ অপূৰ্ব সৃষ্টি সত্ৰীয়া নৃত্যই ২০০০ চনত শাস্ত্ৰীয় নৃত্য হিচাপে স্বীকৃতি লাভ কৰে। তদুপৰি 'ৰাসলীলা'ৰ মনোমুগ্ধকৰ পৰিৱেশনো সত্ৰত হয়। এতিয়া ব'লা, সকলোৱে অন্ন এমুঠি গ্ৰহণ কৰোঁ। কাইলৈ পুৱাতে উঠিব লাগিব, তেতিয়াহে বৰগীত শুনিব পাৰিবা।"

পাছদিনা সূৰ্যোদয়ৰ পূৰ্বেই সকলোৱে সত্ৰৰ পুৱাৰ প্ৰসংগৰ স্থান পালেগৈ। ভকতে তেতিয়া শুদ্ধ সাজ পৰিধান কৰি আৰম্ভ কৰিছিল, "তেজৰে কমলাপতি পৰভাত নিন্দ।। তেৰি চান্দ মুখ পেখো উঠৰে গোবিন্দ।।"— এই বৰগীতটি। পুৱাৰ শান্ত, সৌম্য আৰু মায়াময় পৰিৱেশত বৰগীতৰ সুৰে সকলোৰে হিয়া, মন চুই গ'ল। কথা চহকী প্ৰভাতে বৰুৱা ছাৰক মাজতে সুধিলে— "ছাৰ, মাজুলীত প্ৰধানকৈ কি কি উৎসৱ পালন কৰা হয়?" কথাষাৰ শুনি ছাৰে দোহাৰিলে— "বিহু, ৰাস উৎসৱ, পালনাম, ভাওনা, সবাহৰ উপৰি আলি-আয়ে-লৃগাং, ৰাজকেবাং, বাথৌ আদি লোক উৎসৱো ইয়াত পালন কৰা হয়।"



কথা পাতি পাতি গৈ থাকোঁতে তেওঁলোকে এটি সুঁতিত এখন হাত নাও দেখা পালে। বৰুৱা ছাৰে লগে লগে যন্ত্ৰ

চালিত নাও আৰু হাত নাৱৰ বিষয়ে তেওঁলোকক বুজাই ক'লে।



সেইদিনাৰ ভ্ৰমণ সূচীত চামগুৰি সত্ৰলৈ যোৱাৰ কথা। যোৱাৰ পথত বৰুৱা ছাৰে কৈ গ'ল— "বুজিছা, মাজুলীৰ সত্ৰসমূহৰ ভিতৰত দক্ষিণপাট, গড়মূৰ, আউনীআটি, কমলাবাৰী, বেঙেনাআটি, চামগুৰি আদি প্ৰতিখন সত্ৰৰে সুকীয়া সুকীয়া বৈশিষ্ট্য আছে। পালনাম আৰু অপ্সৰা নৃত্য আউনীআটি সত্ৰৰ অসমীয়া সংস্কৃতিলৈ বিশিষ্ট অৱদান। ইয়াৰ উপৰি অসমীয়া ঠাঁচৰ আ-অলংকাৰ আৰু বাচন-বৰ্তনৰ বাবেও ই বিখ্যাত। কমলাবাৰী সত্ৰ আকৌ শিল্প, সাহিত্য আৰু নানান সত্ৰীয়া শৈলীৰ সংৰক্ষণ থলী। বেঙনাআটিকে ধৰি মাজুলীৰ প্ৰায়বোৰ সত্ৰতেই সাঁচিপাতৰ পুথি আৰু হাতীদাঁতৰ বিভিন্ন অলংকাৰ, হাতীদাঁতৰ পাটী আদিও সংৰক্ষিত হৈ আছে।"



চামগুৰি সত্ৰত উপস্থিত হৈ আটায়ে ভাওনাৰ বাবে সাজু কৰি ৰখা মুখাবোৰ দেখি কিৰীলি পাৰি উঠিল। ভাওনাৰ বিভিন্ন চৰিত্ৰৰ সাৰ্থক প্ৰতিফলনৰ বাবে এই মুখাবোৰ অপৰিহাৰ্য।

চামগুৰিতে আটায়ে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি কমলাবাৰী সত্ৰৰ আলহী গৃহ পালেহি। সেইদিনা গধূলি স্থানীয় ৰাইজে অনুষ্ঠিত কৰা ভাওনা, লগতে গীতা আৰু কৰবীয়ে পৰিৱেশন কৰা লোকগীত আৰু বনগীত সকলোৱে উপভোগ কৰিলে। বৰুৱা ছাৰে হেমেন, চন্দ্ৰশেখৰ, অৰুণ, ৰবীন, হিমশিখৰহঁতৰ লগতে ছোৱালীকেইজনীকো মহো-হো গীত গাবলৈ দিলে। মাজুলী ভ্ৰমণৰ বাস্তৱ অভিজ্ঞতা বুকুত সাৰটি লৈ পাছদিনা পুৱাতে আটায়ে ওভতনি যাত্ৰা আৰম্ভ কৰিলে।

ক্ৰিয়া-কলাপ

## ক — পাঠভিত্তিক ক্ৰিয়া

**১) দলত ভাগ হৈ পাঠটো মনোযোগেৰে পঢ়া আৰু তলত উল্লেখ কৰা দিশসমূহ ক'ত আৰু কেনেদৰে প্ৰতিফলিত হৈছে— আলোচনা কৰি লিখা।**

— প্ৰাকৃতিক দিশ (চৰাই-চিৰিকটি আদি)

— সাংস্কৃতিক দিশ

— পুৰাৰ আধ্যাত্মিক দিশ

**২) বিহু, ৰাস উৎসৱ, পালনাম, ভাওনা, সবাহ আদিৰ উপৰি মাজুলীত আৰু কি উৎসৱ পালন কৰা হয়?**

**৩) পাঠটো পঢ়া আৰু লিখা।**

ক) "কি ক'বা! ইয়াত মানুহৰ সপোনে পোখা মেলে, কিন্তু বানপানী আৰু গৰাখহনীয়াই সেই পোখা মোহাৰি পেলায়।"— কথাষাৰ কোনে কি প্ৰসঙ্গত আৰু কিয় কৈছিল?

খ) "বুজিছা, মাজুলীৰ সত্ৰসমূহৰ ভিতৰত দক্ষিণপাট, গড়মূৰ, আউনীআটি, কমলাবাৰী, বেঙেনাআটি, চামগুৰি আদি প্ৰতিখন সত্ৰৰে সুকীয়া সুকীয়া বৈশিষ্ট্য আছে।"— কোনখন সত্ৰৰ কি কি বৈশিষ্ট্য আছে?

**৪) 'মনোৰম মাজুলী' ভ্ৰমণ কাহিনীটো তোমাৰ আইতা আৰু মাৰা-দেউতাৰাৰ আগত বৰ্ণনা কৰা।**

**৫) পাঠত পোৱা কঠিন শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰ অথবা অভিধান চাই জানি লোৱা।**

**৬) মাজুলীৰ বিষয়ে দহটা বাক্য লিখা।**

### জানো আহা

প্ৰাক্ শংকৰী যুগৰে পৰা অসমৰ প্ৰাচীন কবিসকলে সাঁচিপাতত কাব্য লিখিছিল। সাঁচিপাত হ'ল সাঁচি গছৰ ছাল। এইবোৰ ঘূণে নধৰিবৰ বাবে হেঙুল-হাইতাল বোলাই লিখাৰ উপযোগী কৰা হৈছিল।

## খ — ভাষা অধ্যয়ন (ব্যাবহাৰিক ব্যাকৰণ)

জানো আহা

অসমীয়া ভাষাৰ মা, দেউতা, আই, পিতা, ককা, আইতা, মামী, পেহা, ককাই আদি সম্বন্ধবাচক বিশেষ্যত পুৰুষবাচক বিভক্তি লগোৱা হয়। আইন ভাষাত তেনে নহয়।

যেনে— তোমাৰ মাৰা (মা + ৰা)।

পুৰুষ তিনিটা ঃ প্ৰথম পুৰুষ, দ্বিতীয় বা মধ্যম পুৰুষ আৰু তৃতীয় পুৰুষ।

প্ৰথম পুৰুষ ঃ মই, আমি।

দ্বিতীয় পুৰুষ ঃ তই, তুমি, তহঁত, তোমালোক।

তৃতীয় পুৰুষ ঃ সি, তেওঁ, সিহঁত, তেওঁলোক।

অতি মান্য দ্বিতীয় পুৰুষ 'আপুনি/আপোনালোক'ৰ নিজা পুৰুষবাচক বিভক্তি নাই; তৃতীয় পুৰুষৰ বিভক্তিহে গ্ৰহণ কৰে। যেনে— আপোনাৰ মাক।

**সম্বন্ধবাচক বিশেষ্যত যুক্ত পুৰুষবাচক বিভক্তি**

| সম্বন্ধবাচক শব্দ | প্ৰথম পুৰুষ | দ্বিতীয় পুৰুষ (তুচ্ছ) | দ্বিতীয় পুৰুষ (মান্য) | তৃতীয় পুৰুষ |
|---|---|---|---|---|
| আ-কাৰান্ত (পেহা) | × | -ৰ (পেহাৰ) | -ৰা (পেহাৰা) | -ক (পেহাক) |
| অন্য স্বৰান্ত (বাই) | × | -এৰ (বায়েৰ) | -এৰা (বায়েৰা) | -এক (বায়েক) |

৭) **উপযুক্ত পুৰুষবাচক বিভক্তিৰে বাক্য পূৰ কৰা।**

(ক) ছাৰ, আপোনাৰ দেউতা __________ কোন আছিল?

(খ) গগৈ বাইদেৱে ক'লে— "তগৰ, তোমাৰ মা __________ আহিছে।"

(গ) তোৰ ককা __________ৰ বয়স কিমান হ'ল?

(ঘ) তোমাৰ পেহী __________ক চিনি পাওঁ?

(ঙ) প্ৰভাতৰ আইতা __________ আহিব।

৮) **পাঠৰ পৰা যুৰীয়া শব্দবোৰ বিচাৰি লিখা।**

যেনে— খলা-বমা।

৯) বাক্য সাজা।

পৰিভ্ৰমী, ৰহণ, সংৰক্ষণ, মণিকূট, সীৰলু, মায়াময়, কিৰীলি

১০) সমাৰ্থক শব্দ লিখা।

পৃথিৱী, সুচল, আনন্দ, লেখীয়া, চুই, শেষ, বেছি, বিখ্যাত, নিশা

## গ — জ্ঞান সম্প্ৰসাৰণ

### জানো আহা

মাজুলীৰ সত্ৰসমূহৰ দৰে বৰপেটা সত্ৰও শংকৰী কলা কৃষ্টিৰ মিলনভূমি আৰু আধ্যাত্মিক, সাংস্কৃতিক ভাৱধাৰাৰ মুখ্যস্থান বুলিব পাৰি। শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ পদধূলাৰ পবিত্ৰতা আৰু আতা পুৰুষসকলৰ শ্ৰদ্ধা আৰু আন্তৰিক প্ৰচেষ্টাৰ স্বাক্ষৰ আজিও বৰপেটা ধামে বহন কৰি আছে।

'বৰপেটা' নামটোৰ ইতিহাস আছে। কিছুলোকৰ মতে 'বৰপেটা' ঠাইখিনি এসময়ত ব্ৰহ্মপুত্ৰৰ পেট অৰ্থাৎ মাজ আছিল। কালক্ৰমত ঠাইখিনি বাম হ'লত বৰপেট বা বৰপেটা বোলা হ'ল। কিছুৱে কয়— এই ঠাইখিনিত ডাঙৰ এটি পিট আছিল আৰু সেই অনুসাৰে ইয়াৰ নাম হৈ পৰিল বৰপিট কালক্ৰমত বৰপেট বা বৰপেটা। আন অধিক সংখ্যক লোকে কয় শংকৰী কলা-কৃষ্টিকে আদি কৰি পবিত্ৰ বৈষ্ণৱ একশৰণ ভাগৱতী ধৰ্ম তথা হৰিনাম ধৰ্মৰ আটাইখিনি বস্তুৰ ইয়াতে ভঁৰাল আৰু সেই হিচাপে এই পবিত্ৰ ভূমিখণ্ডৰ নাম হ'ল— বৰপাট-বৰপাটা-বৰপেটা। 'বৰ' (প্ৰধান) 'পাট' (বেদী)। বৰপেটাৰ পুৰণি নাম তাঁতীকুছি।

*(উৎস : 'বৰপেটা সত্ৰৰ ইতিহাস', পৃষ্ঠা - ২,৩, গোকুল পাঠক, আমাৰ দেশ প্ৰকাশন, বৰপেটা, সপ্তম প্ৰকাশ)*

১১) ভ্ৰমণ কিয় কৰিব লাগে ? এই ভ্ৰমণৰ পৰা মানুহৰ কি কি লাভ হয় পাঠৰ আধাৰত লিখা।

১২) অসমৰ এখন প্ৰসিদ্ধ তীৰ্থস্থান বৰদোৱা। বৰদোৱা কিয় প্ৰসিদ্ধ, দলত আলোচনা কৰি লিখা।

১৩) ভাওনাৰ উপৰি মুখা অন্য কি কি কামত ব্যৱহাৰ হয়, দুজনে লগ হৈ আলোচনা কৰি লিখা।



১৪) তলৰ কবিতাংশ পঢ়া আৰু প্ৰশ্নসমূহৰ উত্তৰ লিখা।



অসমৰ কাশীপুৰী দ্বাৰকা মথুৰাপুৰী
অসমৰ বৰপেটা ধাম,
চাই যোৱা বাটৰুৱা পৰাণ জুৰাই যোৱা
শুনি যোৱা হৰিগুণ নাম।
চউপাশে তাল-খোল মৃদঙ্গৰ মহাৰোল
থানে থানে হৰি সংকীৰ্ত্তন,
সুখী দুখী পাপী তাপী চাই যোৱা কাষ চাপি
মানৱৰ ই মহামিলন।



নাই পূজা আৱাহন নাই বলি বিসৰ্জন
উচ্চ-নীচ ভেদাভেদ জ্ঞান,
নাই কাৰো উচ্চাসন নাই কাৰো নীচাসন
হৰিভক্ত সকলো সমান।

*কবি— শৈলধৰ ৰাজখোৱা*

*(উৎস ঃ 'সোণৰ সফুৰা', সংকলক- ভৱকান্ত শইকীয়া, প্ৰকাশক- শ্ৰীমতী কমল কুমাৰী বৰুৱা চেৰিটেবুল ফাউণ্ডেচন, পৃষ্ঠা - ৩৪২-৩৪৩)*



ক) বৰপেটা ধামক কিহৰ লগত তুলনা কৰিছে?
খ) কবিয়ে বাটৰুৱাক কি শুনি যাবৰ বাবে কৈছে?
গ) কবিয়ে কাক কাক কাষ চাপি কি চাই যাবলৈ কৈছে?
ঘ) কবিয়ে ক'ত সকলো সমান বুলি কৈছে?

## ঘ — প্ৰকল্প

- দুই বা তিনিজনীয়া দল হৈ ডাঠ কাগজ, কুহিলা আদিৰে চৰাই, বান্দৰ, বাঘ, হাতীৰ মুখা প্ৰস্তুত কৰা।

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পাঠটো পঢ়ি বুজি পোৱা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- শব্দৰ অৰ্থ শিকি বাক্যত প্ৰয়োগ কৰিব পৰা
- মাজুলী সম্পৰ্কে সম্যক ধাৰণা লাভ কৰা
- সত্ৰীয়া সংস্কৃতিৰ বিষয়ে প্ৰাথমিক ধাৰণা লাভ কৰা
- মাজুলীৰ দৰে বৰপেটাও যে সত্ৰীয়া সংস্কৃতিৰ কেন্দ্ৰ, সেই সম্পৰ্কে জনা
- বৰপেটা কবিতাটি পঢ়ি তেনেধৰণৰ আন কবিতা পঢ়িবলৈ আগ্ৰহী হোৱা
- যুৰীয়া শব্দ লিখিব পৰা
- সমাৰ্থক শব্দ লিখিব পৰা
- সম্বন্ধবাচক বিশেষ্যত পুৰুষবাচক বিভক্তিৰ ব্যৱহাৰ শিকা
- উপযুক্ত পুৰুষবাচক বিভক্তিৰে খালী ঠাই পূৰ কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | |
|---|---|---|---|---|---|
| **ভ্ৰমণ কাহিনী** | ভ্ৰমণ কাহিনী পঢ়ি বুজি পোৱা | মাজুলীৰ বিষয়ে জনা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা। | নতুন শব্দৰ অৰ্থ জনা | |
| | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | যুৰীয়া শব্দ লিখিব পৰা | সমাৰ্থক শব্দ লিখিব পৰা | সম্বন্ধবাচক বিশেষ্যত পুৰুষবাচক বিভক্তিৰ প্ৰয়োগ জনা | উপযুক্ত পুৰুষবাচক বিভক্তিৰে খালী ঠাই পূৰ কৰিব পৰা | বাক্য ৰচনা কৰিব পৰা |
| | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | সত্ৰীয়া সংস্কৃতিৰ বিষয়ে প্ৰাথমিক ধাৰণা পোৱা | সত্ৰীয়া সংস্কৃতিৰ অন্যতম কেন্দ্ৰ বৰপেটাৰ বিষয়ে অৱগত হোৱা | 'বৰপেটা' কবিতাটি পঢ়ি আৰু তেনে কবিতা পঢ়িবলৈ আগ্ৰহী হোৱা | | |
| | | | | | |
| **প্ৰকল্প** | কাগজ, কুহিলা আদিৰে চৰাই, বান্দৰ, বাঘ আদিৰ মুখা প্ৰস্তুত কৰিব জনা | | | | |
| | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১৩

B3L7C3

# আৱিষ্কাৰৰ কাহিনী

*অধ্যৱসায়ৰ দ্বাৰা মানুহে অসাধ্যও সাধন কৰিব পাৰে। অদম্য মানসিক দৃঢ়তা আৰু প্ৰবল কৰ্মস্পৃহা থাকিলে মানুহে সৰু ঠাই এখনৰ পৰা গৈ আন্তৰ্জাতিক পৰ্যায়তো নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। গুৰুপ্ৰসাদ দাস তেনে ব্যক্তিৰ এটি উজ্জ্বল নিদৰ্শন। তেখেতে মটৰ গেৰেজত 'মেকানিক'ৰ যোগালি হিচাপে কৰ্মজীৱন আৰম্ভ কৰি শেষত ৰে'ল-গাড়ীৰ 'ভেকুৱাম ব্ৰে'ক' উদ্ভাৱনেৰে বিশ্বত প্ৰসিদ্ধি লাভ কৰিলে। এই উদ্ভাৱনৰ ফলত ৰে'ল যাতায়াতত বিশ্বজুৰি নতুন যুগৰ সূচনা হ'ল। পাঠটিৰ জৰিয়তে এই মহান বিজ্ঞানীগৰাকীৰ বিষয়ে জানিব পাৰিবা।*

'অভাৱেই আৱিষ্কাৰৰ মূল'— বুলি এষাৰ কথা আছে। অভাৱৰ ক্ষেত্ৰ অনেক। কাৰিকৰী দিশত থকা অভাৱ পূৰ কৰিবলৈ উদ্ভাৱকসকলে অহৰহ প্ৰচেষ্টা চলাই আহিছে। কালক্ৰমত পৰিবহণৰ ইতিহাসত ৰে'ল-গাড়ী, মটৰ-গাড়ী, উৰাজাহাজ আদিৰ উদ্ভাৱন হয় যদিও চলাচলৰ ক্ষেত্ৰত উন্নত যন্ত্ৰ-পাতি, সা-সৰঞ্জাম আৰু প্ৰায়োগিক কৌশলৰ অভাৱ পৰিলক্ষিত হয়। ৰে'ল-গাড়ীৰ ক্ৰমবিকাশত দৃষ্টিগোচৰ হোৱা অভাৱ আৰু অসুবিধাসমূহ দূৰ কৰিবলৈ উদ্ভাৱকসকলে নিতৌ ন ন উদ্ভাৱনেৰে যাতায়াত ব্যৱস্থা সুচল কৰি তুলিছে।



কৰ্ণেল গুৰুপ্ৰসাদ দাস

ৰে'ল সেৱা অধিক সুচল আৰু নিৰাপদ কৰিবলৈ নেৰানেপেৰা চেষ্টা আৰু কষ্টসাধ্য গৱেষণাৰে 'ভেকুৱাম ব্ৰে'ক' উদ্ভাৱন কৰা বিজ্ঞানীগৰাকী হ'ল গুৰুপ্ৰসাদ দাস। আন্তৰ্জাতিক খ্যাতিসম্পন্ন এইগৰাকী বিজ্ঞানী কেৱল অসমৰে নহয়, ভাৰতৰো গৌৰৱ।

প্ৰযুক্তিবিদ গুৰুপ্ৰসাদ দাসে যাতায়াত ব্যৱস্থাৰ নিৰাপদ আৰু সুবিধাজনক দিশটোলৈ লক্ষ্য ৰাখিয়েই ভেকুৱাম ব্ৰে'ক উদ্ভাৱন কৰে। যন্ত্ৰ এটা যদি মানুহে প্ৰয়োজন অনুসাৰে নিয়ন্ত্ৰণ কৰিব নোৱাৰে, তেনে যন্ত্ৰ মানুহৰ বিশেষ উপকাৰত নাহে। চলি থকা বাহন এখন হঠাতে ৰখাবলৈ ব্ৰে'কৰ প্ৰয়োজন হয়। ৰে'ল-গাড়ী



ভেকুৱাম ব্ৰে'ক

এখন চলাবলৈ তাৰ ইঞ্জিনৰ যিমান গুৰুত্ব, ৰে'লখন প্ৰয়োজনবোধে ৰখাবলৈ ব্যৱহাৰ হোৱা ব্ৰে'কো সমানে গুৰুত্বপূৰ্ণ। জেম্‌ছ ৱাটে ১৭৬৫ চনত ভাপ ইঞ্জিন আৱিষ্কাৰ কৰে। পাছত জৰ্জ ষ্টিফেন্‌ছনে উন্নত ইঞ্জিন তৈয়াৰ কৰি যাত্ৰীবাহী ৰে'ল-গাড়ীৰ বিকাশত অৱদান আগবঢ়ায়। কিন্তু সেই সময়ত ব্ৰে'কৰ উন্নত প্ৰায়োগিক পদ্ধতিৰ অভাৱ আছিল। এই অভাৱ উপলব্ধিৰ ফলস্বৰূপে উদ্ভাৱন হ'ল ভেকুৱাম ব্ৰে'ক।

অষ্টম শ্ৰেণীতেই নিজ চহৰ বৰপেটা এৰি কিশোৰ গুৰুপ্ৰসাদ কলকাতা পালেগৈ। কম বয়সীয়া কিন্তু অতুলনীয় মানসিক দৃঢ়তাৰ অধিকাৰী গুৰুপ্ৰসাদে কলকাতাত লক্ষ্মীনাথ বেজবৰুৱা, কামেশ্বৰ দাস আৰু ভোলানাথ বৰুৱাৰ সান্নিধ্য লাভ কৰে। এই লোকসকলৰ সান্নিধ্যত গুৰুপ্ৰসাদৰ কৰ্মস্পৃহা বৃদ্ধি পায়। একান্ত অধ্যৱসায় আৰু পৰিশ্ৰমেই যে উন্নতিৰ মূলমন্ত্ৰ, এই কথা তেখেতে গভীৰভাৱে উপলব্ধি কৰে।

কলকাতালৈ গৈ গুৰুপ্ৰসাদ দাসে ভোলানাথ বৰুৱাৰ মটৰ গেৰেজত যোগালিৰ কামত যোগদান কৰিলে। তাত থাকিয়েই তেখেতে পঢ়া-শুনাত মনোনিৱেশ কৰে। তেনেকৈয়ে গৈ প্ৰৱেশিকা পৰীক্ষাতো উত্তীৰ্ণ হয়। মটৰ গেৰেজত কৰ্মৰত গুৰুপ্ৰসাদৰ কৰ্মনিষ্ঠা আৰু ধৈৰ্যশক্তি এজন বৃটিছ চাহাবৰ চকুত পৰিল। তেখেতেই হাওৰাৰ 'বাৰ্ণ এণ্ড কোম্পানী'ত গুৰুপ্ৰসাদক নিযুক্তি দিয়ে। কোম্পানীত চাকৰি কৰি থকা সময়তে ১৯২৫ চনৰ শেষ ভাগত লণ্ডনৰ ৰে'লৰ কাৰিকৰী প্ৰতিষ্ঠান 'ইনষ্টিটিউট্ অব্ মেকানিকেল ইঞ্জিনিয়াৰিঙ'ত উচ্চস্তৰীয় প্ৰশিক্ষণৰ বাবে গুৰুপ্ৰসাদ দাস নিৰ্বাচিত হয়। এই প্ৰতিষ্ঠানত তেখেতে নাম ভৰ্তি কৰাৰ খবৰ পাই অসম প্ৰশাসনে তেখেতলৈ এটি বৃত্তি আগবঢ়ায়। বৃত্তি লাভ কৰি তেখেত দুগুণে উৎসাহিত হৈ পৰে আৰু ৰে'ল-গাড়ীৰ ইঞ্জিনৰ বিষয়ে খবচি মাৰি অধ্যয়ন কৰে। ১৯২৬ চনৰ পৰা ১৯৩০ চনলৈ পাঁচ বছৰ ধৰি কঠোৰ পৰিশ্ৰমেৰে গৱেষণা কৰি তেখেতে বায়ুশূন্য ব্ৰে'ক বা ভেকুৱাম ব্ৰে'ক উদ্ভাৱন কৰে। পাছলৈ তেখেতে এই ব্ৰে'কক 'ছিম্‌লেছ কইল ব্ৰে'ক'লৈ উন্নীত কৰে।



ছিমলেছ কইল (জোৰাহীন কুণ্ডলী)

গুৰুপ্ৰসাদ দাসে উদ্ভাৱন কৰা ভেকুৱাম ব্ৰে'ক বৰ্তমানো যথাক্ষেত্ৰত ব্যৱহাৰ হৈ আছে। ভেকুৱাম ব্ৰে'কৰ জৰিয়তে 'বাৰ্ণ এণ্ড কোম্পানী'ও বিখ্যাত হৈ পৰিল। গুৰুপ্ৰসাদ দাসৰ বিৰল অৱদানৰ

স্বীকৃতিস্বৰূপে তেখেতৰ নামেৰে কোম্পানীয়ে ভেকুৱাম ব্ৰে'কক **'জি পি ব্ৰে'ক'** বুলি নামকৰণ কৰে। তদুপৰি, তেখেতক 'এছ'ছিয়েটেড মেম্বাৰ অৱ ইনষ্টিটিউট্ অৱ মেকানিকেল ইঞ্জিনিয়াৰ্ছ'ৰ সদস্যভুক্ত কৰে। গুৰুপ্ৰসাদ দাসৰ অৱদানৰ স্বীকৃতি স্বৰূপে বৃটিছ চৰকাৰেও তেখেতক ভাৰতীয় ৰে'ল সেৱা (আই.আৰ.এছ)ৰ পদ মৰ্যাদাৰে বিভূষিত কৰে। উল্লেখযোগ্য যে এনে পদমৰ্যাদা লাভ কৰা গুৰুপ্ৰসাদ দাসেই হ'ল প্ৰথমগৰাকী ভাৰতীয়।

এনেকৈয়ে গুৰুপ্ৰসাদ দাসে নিজৰ কৰ্তব্য নিষ্ঠা, একাগ্ৰতা আৰু কঠোৰ পৰিশ্ৰমৰ বলত সাফল্যৰ শিখৰত উপনীত হৈছিল।



প্ৰথম অৱস্থাৰ ৰে'ল ইঞ্জিন



মেট্ৰ' ৰে'ল

জানো আহা

**গুৰুপ্ৰসাদ দাস (১৯০৪-১৯৮২ চন)** — জন্মস্থান— বিলৰতাৰি হাটী, বৰপেটা। পিতৃ— ৰামপ্ৰসাদ দাস আৰু মাতৃ— পদ্মাৱতী দাস।

**কৰ্ম জীৱন** — ১৯৩১ চনত লণ্ডনৰ পৰা উভতি আহি ভাৰতীয় ৰে'ল বিভাগৰ উচ্চস্তৰৰ পদত নিযুক্ত হয়। পাছলৈ ৰে'লৰ চাকৰি এৰি দি 'বাৰ্মা অয়ল কোম্পানী'ৰ চাকৰিত যোগদান কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত গুৰুপ্ৰসাদ দাস কানপুৰৰ প্ৰতিৰক্ষা বিভাগৰ উচ্চ পদত নিযুক্ত হয় আৰু ষাঠিৰ দশকৰ শেষৰ ফালে 'কৰ্ণেল' পদত অধিষ্ঠিত হৈ অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ পাছতো তেখেত কলকাতাৰ কেইবাটাও কোম্পানীৰ সঞ্চালক হোৱাৰ উপৰি এ. এচ্. ডি. ছি আৰু অসম পেট্ৰ'কেমিকেল্‌ছৰ লগত জড়িত হয়। বৰপেটা চহৰৰ বিলৰতাৰি হাটীৰ কাষেৰে বৈ যোৱা মৰা নদীৰ পানীত ডুব দি মাছ ধৰাৰে পৰা কলকাতাৰ মটৰ গেৰেজত কৰা যোগালিৰ অভিজ্ঞতাক সাৰথি কৰি তেখেত লণ্ডন পাইছিলগৈ। পাছত এই বিজ্ঞানীজনে কলকাতাৰ নিজা বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে।

জানি লোৱা

১) **গুৰুপ্ৰসাদ দাসে লাভ কৰা পদমৰ্যাদা আৰু উপাধি**

- লণ্ডনৰ 'ইনষ্টিটিউট অৱ মেকানিকেল ইঞ্জিনিয়াৰিঙ'ৰ পৰা 'এছ'ছিয়েটেড মেম্বাৰ অৱ ইনষ্টিটিউট্ অৱ মেকানিকেল ইঞ্জিনিয়াৰ্ছ' (AMIME) সন্মান লাভ।
- ইংৰাজ চৰকাৰৰ দ্বাৰা ভাৰতীয় ৰে'ল সেৱা (IRS)ৰ পদমৰ্যাদা প্ৰাপ্তি।
- সামৰিক বিভাগত কাম কৰি থকা সময়ত ই. এম. ই (EME), এ. এম. আই (AMI), এম. ই. চি.এইচ. ই (MECHE) উপাধি লাভ।
- ভাৰতীয় সেনাবাহিনীৰ কাৰিকৰী সেৱাৰ বাবে 'কৰ্ণেল' পদবী লাভ।

২) **গুৰুপ্ৰসাদ দাসৰ আন আন উদ্ভাৱনসমূহ—**

**ক) কাট্ অৱ কণ্ট্ৰ'ল গেজ।**

**খ) বয়লাৰ আৰু চেফ্‌টি ভাল্‌ভ।**

**গ) ভেকুৱাম ব্ৰে'ক—**

বায়ুশূন্য কৰা এবিধ গতিৰোধক সঁজুলি, যাৰ সহায়ত প্ৰয়োজনবোধে ৰে'ল-গাড়ীৰ দবাবিলাকত থকা শিকলি টানি গাড়ীখন ৰখাব পাৰি।

**ঘ) ছিম্‌লেছ্ কইল ব্ৰে'ক—**

লণ্ডনত থাকোঁতেই তেখেতে ওপৰত উল্লেখ কৰা যন্ত্ৰকেইটাৰ উপৰি ৰে'ল-গাড়ীৰ ভেকুৱাম ব্ৰে'কৰ কিছু সাল-সলনি কৰি ছিম্‌লেছ্ কইল ব্ৰে'ক (Seamless Coil Brake) উদ্ভাৱন কৰে।

I.R.S = Indian Railway Service (ভাৰতীয় ৰে'ল সেৱা)

I.A.S = Indian Administrative Service (ভাৰতীয় প্ৰশাসনীয় সেৱা)

I.P.S = Indian Police Service (ভাৰতীয় আৰক্ষী সেৱা)

(ওপৰত দিয়া ধৰণে, সম্পূৰ্ণ শব্দ বা শব্দবোৰ নিলিখি তাৰ প্ৰথম আখৰবোৰৰ উল্লেখেৰে মূল শব্দবোৰৰ অৰ্থ প্ৰকাশ কৰা পদ্ধতিটোক 'শব্দ-সংক্ষিপ্তকৰণ' (abbreviation) বোলে; যেনে— অ. ভা. উ. সা. স. (অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা)

ক্ৰিয়া-কলাপ

## ক — পাঠভিত্তিক ক্ৰিয়া

**১) শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰ বা অভিধান চাই নিজৰ বহীত লিখা।**

| | | | | | |
|---|---|---|---|---|---|
| পৰিবহণ, | অধ্যৱসায়, | অসাধ্য, | অহৰহ, | প্ৰায়োগিক, | নেৰানেপেৰা, |
| যুগান্তকাৰী, | কৃতিত্ব, | নিয়ন্ত্ৰণ, | সুচল, | গুৰুত্ব, | অতুলনীয়, |
| অদম্য, | দৃষ্টিগোচৰ, | দৃঢ়তা, | সান্নিধ্য, | কৰ্মস্পৃহা, | উপলব্ধি, |
| প্ৰশিক্ষণ, | গৱেষণা, | ঘাত-প্ৰতিঘাত | | | |

**২) উত্তৰ দিয়া।**

(ক) গুৰুপ্ৰসাদ দাসে উদ্ভাৱন কৰা যন্ত্ৰটোৰ নাম লিখা।

(খ) গুৰুপ্ৰসাদ দাসে কলকাতাত কাৰ মটৰ গেৰেজত কাম কৰিছিল?

(গ) গুৰুপ্ৰসাদ দাসৰ কৰ্মনিষ্ঠা আৰু ধৈৰ্যশক্তি কাৰ চকুত পৰিছিল?

(ঘ) বৃটিছ চাহাবে গুৰুপ্ৰসাদ দাসক কোন কোম্পানীত নিযুক্তি দিছিল?

(ঙ) গুৰুপ্ৰসাদ দাসে লণ্ডনৰ কোন প্ৰতিষ্ঠানত প্ৰশিক্ষণ লৈছিল?

(চ) লণ্ডনত প্ৰশিক্ষণ লৈ থকা সময়ত গুৰুপ্ৰসাদ দাসে কাৰ পৰা বৃত্তি লাভ কৰিছিল?

(ছ) আই.আৰ.এছৰ পদমৰ্যাদা লাভ কৰা প্ৰথম ভাৰতীয়জন কোন?

(জ) গুৰুপ্ৰসাদ দাসে উদ্ভাৱন কৰা ভেকুৱাম ব্ৰেকক কোম্পানীয়ে কি বুলি নামকৰণ কৰিছিল?

**৩) চমুকৈ লিখা।**

ক) গুৰুপ্ৰসাদ দাস লণ্ডনলৈ কিয় গৈছিল?

গ) তেখেতক অসমৰ সু-সন্তান বুলি কিয় কোৱা হৈছে? গুৰুপ্ৰসাদ দাস কেনেকুৱা ব্যক্তিত্বৰ অধিকাৰী আছিল?

**জানি থোৱা**

ক) ৰে'লৰ চিৰি দুডালৰ প্ৰস্থ অনুসৰি ৰে'ল-আলিক তিনিটা ভাগত ভগোৱা হয়—ব্ৰডগজ, মিটাৰগজ আৰু নেৰ'গজ।

খ) পাতাল ৰে'ল (মেট্ৰ' ৰে'ল)— আমি মাটিৰ ওপৰেৰে ৰে'ল-গাড়ী চলা দেখিছোঁহঁক। কিন্তু কিছুমান মহানগৰীত মাটিৰ তলেৰেও যে ৰে'ল চলে, সেই কথা তোমালোকে নিশ্চয় শুনিছা। আমাৰ দেশৰ কলকাতা মহানগৰীত পোন প্ৰথমে পাতাল ৰে'ল-গাড়ীৰ প্ৰচলন হৈছিল। বৰ্তমান দিল্লী মহানগৰীতো পাতাল ৰে'লৰ চলাচল হৈছে।

৪)   ভাৱ বহলাই লিখা।

ক) অভাৱেই আৱিষ্কাৰৰ মূল।

খ) একান্ত অধ্যৱসায় আৰু পৰিশ্ৰমেই উন্নতিৰ মূলমন্ত্ৰ।

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৫।   এটা শব্দত প্ৰকাশ কৰা।

ক) যিজনে কোনো বস্তু বা তথ্য আৱিষ্কাৰ কৰে ____

খ) গোটেই জীৱন জুৰি ____

গ) যিয়ে গুণীৰ গুণ বুজিব পাৰে ____

ঘ) পুৰাই স্মৰণ কৰাৰ যোগ্য ____

জানো আহা

অসমীয়া ভাষাৰ ব্যাকৰণৰ ক্ষেত্ৰত পূৰ্বৰে পৰাই সংস্কৃত ব্যাকৰণৰ নিয়মাৱলী অনুকৰণ কৰি অহা হৈছে। আমাৰ ভাষাত বহুতো সংস্কৃতীয়া (তৎসম, অৰ্ধতৎসম আৰু তদ্ভৱ) শব্দৰ প্ৰচলন আছে। তেনে শব্দবিলাকৰ ক্ষেত্ৰত ণত্ববিধি আৰু ষত্ববিধি প্ৰযোজ্য হয়।

ণত্ববিধি

১) শব্দত থকা ঋ, ৰ আৰু ষ-ৰ পৰৱৰ্তী দন্ত্য ন মূৰ্ধন্য ণ হয়। যেনে— গৱেষণা।

২) উত্তৰ, চান্দ্ৰ, পৰ, নাৰ আৰু ৰাম শব্দৰ পিছত 'অয়ন' শব্দ যোগ হ'লে অয়ন শব্দৰ দন্ত্য ন মূৰ্ধন্য ণ হয়। যেনে— উত্তৰায়ণ, ৰামায়ণ।

৩) প্ৰ, অপৰ, পূৰ্ব আদি শব্দৰ লগত 'অহ্ন' শব্দ যোগ হ'লে, অহ্ন শব্দৰ দন্ত্য ন মূৰ্ধন্য ণ হয়। যেনে— অপৰাহ্ন।

৪) ট বৰ্গৰ বৰ্ণৰ লগত যুক্ত দন্ত্য ন মূৰ্ধন্য ণ হয়। যেনে— কণ্ঠ।

৫) প্ৰ, পৰা, পৰি আৰু নিৰ্ উপসৰ্গৰ পাছত থকা নম্, নী আদি ন-কাৰাদি ধাতুৰ দন্ত্য ন মূৰ্ধন্য ণ হয়। যেনে— প্ৰণাম।

৬) কিছুমান শব্দৰ দন্ত্য ন স্বভাৱতে মূৰ্ধন্য ণ হয়। যেনে— মণি, কল্যাণ, বীণা। ইত্যাদি।

ষত্ববিধি

১) ই-কাৰাদি স্বৰবৰ্ণ, ক অথবা ৰ-কাৰৰ পাছত থকা প্ৰত্যয়ৰ দন্ত্য স মূৰ্ধন্য ষ হয়। যেনে— কৃষক।

২) ট-বৰ্গৰ আখৰযুক্ত দন্ত্য স মূৰ্ধন্য ষ হয়। যেনে— কৰ্মনিষ্ঠা, কষ্টসাধ্য, চেষ্টা।

৩) স আৰু বি উপসৰ্গৰ পাছত থকা সম শব্দৰ দন্ত্য স মূৰ্ধন্য ষ হয়। যেনে— বি-সম = বিষম।

৪) ভূমি, গো, অঙ্গু শব্দৰ পাছত থকা স্থ শব্দৰ স আৰু যুধি শব্দৰ পাছত থকা স্থিৰ শব্দৰ দন্ত্য স মূৰ্ধন্য ষ হয়। যেনে— ভূমিষ্ঠ, গোষ্ঠী, অঙ্গুষ্ঠ, যুধিষ্ঠিৰ। ইত্যাদি।

৬) **তলৰ শব্দবোৰৰ পৰা শুদ্ধ বানানবোৰ বাছি উলিয়াই লিখা।**

| | | | | |
|---|---|---|---|---|
| আকৰ্ষন, | বৰ্জণ, | প্ৰতিষ্ঠিত, | অনুষ্ঠান, | পৰিৱহণ, |
| আদৰণি, | গ্ৰহন, | পুৰস্কাৰ, | পূৰন, | আৱিস্কাৰ, |
| কলিতাণী, | কমাৰণী, | অধিস্থান, | পৰিহায, | গৱেষণা, |
| উত্তীৰ্ণ, | অৰ্জন, | প্ৰশিক্ষণ | | |

## গ — জ্ঞান সম্প্ৰসাৰণ

**জানি থোৱা**



**মেডাম কুৰী**— ফৰাচী বিজ্ঞানী মেডাম কুৰীৰ আচল নাম মাৰিয়া স্ক্লোডউস্কা। পোলেণ্ডৰ ৰাজধানী ৱাৰ্ছোত ১৮৬৭ চনত তেখেতৰ জন্ম হৈছিল। অভাৱ-অনাটন আৰু নানান দুৰ্যোগৰ মাজেৰে সোণৰ পদকেৰে বিভূষিত হৈ ১৮৮২ চনত মেডাম কুৰী (মাৰিয়া) বিদ্যালয়ৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হয়। স্বামী পিয়েৰে কুৰীৰ সৈতে ৰেডিয়াম আৱিষ্কাৰ কৰাৰ কাৰণে তেখেতে যুটীয়াভাৱে ন'বেল পুৰস্কাৰ লাভ কৰে। ১৯১১ চনত ৰসায়ন বিজ্ঞানলৈ আগবঢ়োৱা অৱদানৰ বাবে পুনৰায় ন'বেল বঁটা লাভ কৰে। দুবাৰকৈ ন'বেল বঁটা পোৱা তেখেতেই একমাত্ৰ মহিলা বিজ্ঞানী।

মেডাম কুৰীয়ে আৱিষ্কাৰ কৰা ৰেডিয়াম চিকিৎসা বিজ্ঞানৰ বাবে এক গুৰুত্বপূৰ্ণ আৱিষ্কাৰ। ছালৰ ৰোগ নিৰাময়ৰ বাবে ৰেডিয়ামৰ বিকিৰণ ক্ষমতাক ব্যৱহাৰ কৰিব পাৰি।

৭) **বৰ্ণজালখনৰ পৰা বৰ্ণ আনি বিজ্ঞানীৰ নাম লিখা।**

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| মা | নি | আ | মা | মে | উ | লি | ও |
| ৰা | ই | নু | ন | জ | ক | মি | লা |
| কে | ক | গে | নি | ষ্টা | ম | ট | ন |
| ল | ভি | লি | গু | (আ) | (ৰ্কি) | ন | ন |
| ষ্ট | ন | (মি) | ঞ্চ | ই | প্ৰ | (ডি) | (চ) |
| | ফে | ন | চ | সা | ন | দ | |

উদাহৰণ— আৰ্কিমিডিচ

৮) দফাটো পঢ়া আৰু কাষৰ বাকচৰ পৰা নাম এটা লৈ দফাটোৰ নামকৰণ কৰা। লগতে তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ দিয়া।

স্কটলেণ্ডৰ জেম্‌ছ্ বাটে ১৭৬৯ চনত উন্নত মানৰ ভাপ ইঞ্জিন আৱিষ্কাৰ কৰি স্থল পৰিবহণৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন সাধন কৰে। আকৌ, ১৮০৩ চনত ইংলণ্ডৰ অভিযন্তা ৰিচাৰ্ড ট্ৰেভিথিকে আগতকৈ উন্নত মানৰ ভাপ ইঞ্জিন তৈয়াৰ কৰি উলিয়ায়। পৰৱৰ্তীস্তৰত কয়লাৰ খনিত কাম কৰা জৰ্জ ষ্টিফেন্সনে উন্নত এটি ইঞ্জিন তৈয়াৰ কৰি যাত্ৰীবাহী ৰেল-গাড়ীৰ চলাচলত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। তাৰ পাছত ৰেল-গাড়ীৰ চলাচল সুচল আৰু নিৰাপদ কৰিবলৈ গুৰুপ্ৰসাদ দাসে 'ভেকুৱাম ব্ৰেক' উদ্ভাৱন কৰে।

| |
|---|
| ৰেলৰ ক্ৰমবিকাশ |
| জেম্‌ছ্ বাট |
| ৰেল |
| জৰ্জ ষ্টিফেন্সন |
| আৱিষ্কাৰ |
| ৰেলৰ কথা |


(ক) জেম্‌ছ্ বাটে কি আৱিষ্কাৰ কৰে ?

(খ) ৰিচাৰ্ড ট্ৰেভিথিকে কোন চনত আগতকৈ উন্নত মানৰ ইঞ্জিন তৈয়াৰ কৰে ?

৯) অধ্যৱসায়ৰ জৰিয়তে বিজ্ঞানী গুৰুপ্ৰসাদ দাসে জীৱনত কেনেকৈ সফলতা লাভ কৰিলে, দলত আলোচনা কৰা আৰু বহলাই লিখা।

১০) আৱিষ্কাৰ আৰু উদ্ভাৱনৰ মাজত পাৰ্থক্য কি ? শিক্ষকৰ সহায়ত জানি লোৱা আৰু নিজৰ বহীত লিখা।

১১) তলৰ চতুৰ্ভূজটোত উদ্ভাৱক আৰু উদ্ভাৱন কৰা বস্তুৰ নাম দিয়া আছে। কোনে কি উদ্ভাৱন কৰিছিল মিলাই লিখা।




১) ____________ ____________

২) ____________ ____________

৩) ____________ ____________

৪) ____________ ____________

১২) 'বিজ্ঞানী আৰু আৱিষ্কাৰ' বিষয়ক এটি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা। প্ৰয়োজন হ'লে শিক্ষকৰ সহায় ল'বা।

ভাৰতৰ ক'ত আছে জানো আহা

ক) ৰে'লৰ ইঞ্জিন নিৰ্মাণ কৰা কাৰখানা

- পশ্চিমবংগৰ চিত্তৰঞ্জন
- ঝাৰখণ্ডৰ জামছেদপুৰ

খ) ৰে'লৰ দবা নিৰ্মাণ কৰা কাৰখানা

- তামিলনাড়ুৰ পেৰাম্বুৰ
- কৰ্ণাটকৰ বাংগালুৰু

গ) জাহাজ নিৰ্মাণ কৰা কাৰখানা

- অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টনম
- কেৰেলাৰ কোচিন

ঘ) উৰাজাহাজ নিৰ্মাণ কৰা কাৰখানা

- কৰ্ণাটকৰ বাংগালুৰু





১৩) দলত ভাগ হৈ লোৱা। প্ৰতিটো দলে ৰে'ল-গাড়ীৰ লগত সম্বন্ধ থকা শব্দৰে খালী ঘৰবোৰ সম্পূৰ্ণ কৰা আৰু আন দলৰ শব্দ কাৰ্ডৰ লগত তুলনা কৰা।



## ঘ — প্ৰকল্প

- দলত ভাগ হোৱা আৰু অসমৰ দুগৰাকী বিজ্ঞানীৰ তথ্য সংগ্ৰহ কৰি তলত উল্লেখ কৰা তালিকাত নথিভুক্ত কৰা।

| বিজ্ঞানীৰ নাম আৰু জন্মস্থান | আৱিষ্কাৰসমূহৰ নাম | কেনেকৈ জীৱনত সফলতা লাভ কৰিছে |
|---|---|---|
| ১) | | |
| ২) | | |
| ৩) | | |
| ৪) | | |
| ৫) | | |

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতাসমূহ

- পাঠটো শুদ্ধ আৰু স্পষ্টকৈ পঢ়িব পৰা আৰু বুজি পোৱা
- গুৰুপ্ৰসাদ দাসৰ জীৱন আৰু তেখেতৰ উদ্ভাৱনৰ বিষয়ে জনা
- শব্দৰ অৰ্থ জনা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- ভাব বহলাই লিখিব পৰা
- এটা শব্দত প্ৰকাশ কৰিব পৰা
- ণত্ববিধি আৰু ষত্ববিধিৰ বিষয়ে জনা আৰু প্ৰয়োগ কৰিব পৰা
- বিভিন্ন কল-কাৰখানা ক'ত আছে সেই বিষয়ে জনা
- বিজ্ঞানীৰ তথ্য সংগ্ৰহ কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **আৱিষ্কাৰৰ কাহিনী** | পাঠ পঢ়ি বুজি পোৱা | শব্দৰ অৰ্থ জনা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | গুৰুপ্ৰসাদ দাসৰ জীৱনৰ বিষয়ে জানি ক'ব আৰু লিখিব পৰা | | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | ণত্ববিধি আৰু ষত্ববিধিৰ নিয়ম জনা | এটা শব্দত প্ৰকাশ কৰিব পৰা | | | | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | বিজ্ঞানী মাডাম কুৰীৰ বিষয়ে জনা | কল-কাৰখানা থকা ঠাইৰ নাম জনা | | | | |
| | | | | | | |
| **প্ৰকল্প** | অসমৰ বিজ্ঞানীৰ তথ্য সংগ্ৰহ কৰিব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১৪

# স্কাউট আৰু গাইড

*একতাৰ বলত অসাধ্যও সাধন হয়। এই কথা আমি সকলোৱে উপলব্ধি কৰা উচিত। কেতিয়াবা অকলে নোৱৰা কাম লগে-ভাগে কৰাৰ অভিজ্ঞতা তোমালোকৰ নিশ্চয় আছে। এক গোট হৈ কাম কৰিবলৈ হ'লে পাৰস্পৰিক বিশ্বাস, সাধুতা, পৰোপকাৰ, দেশ-প্ৰেম, ভাতৃত্ববোধ, সকলো জীৱৰ প্ৰতি দয়া, মমতা আদি গুণবোৰো আয়ত্ত কৰিব লাগিব। এই গুণবোৰ বিকশিত কৰাত সহায় কৰিবলৈ পৃথিৱীজুৰি অনেক অনুষ্ঠান আছে। এনেধৰণৰ দুটামান অনুষ্ঠানৰ বিষয়ে এই পাঠটিৰ জৰিয়তে জানিব পাৰিবা।*

দেউতাকৰ লগত দৰ্শনা আৰু দুৰ্লভে সন্ধিয়াৰ দূৰদৰ্শনৰ বাতৰি চাই আছে। এনেতে পুঠিমাৰী নদীৰ বাঢ়নি পানীয়ে মথাউৰি ভাঙি কেইবাখনো গাঁও বুৰাই পেলোৱাৰ বাতৰি সম্প্ৰচাৰ হ'ল। অঞ্চলটোৰ ৰাইজৰ নাজল-নাথল অবস্থা দৰ্শনাহঁতে দেখিলে । মানুহৰ লগতে জীৱ-জন্তুবো থাউনি নোহোৱা হৈছে। বানপীড়িত ৰাইজক উদ্ধাৰ আৰু সহায়ৰ বাবে চৰকাৰে চাউল, চিৰা, গুৰ বিতৰণ কৰিছে। পানীৰ মাজত আবদ্ধ হৈ থকাসকলক নাৱেৰে উদ্ধাৰ কৰা হৈছে। চৰকাৰী সাহায্যকাৰী দলৰ লগত কিছুমান যুৱক-যুৱতীকো সাহায্যৰ কামত ব্যস্ত থকা দেখা গৈছে। বান সাহায্যৰ কামত যুৱক-যুৱতীসকলক ব্যস্ত হৈ থকা দেখি দৰ্শনা আচৰিত হ'ল। ইমান বিপদসংকুল কামত তেওঁলোক লাগি আছে! দৰ্শনাই দেউতাকক সুধিলে— "দেউতা, এই যে নীলা পোছাক, মূৰত টুপী আৰু ডিঙিত স্কাৰ্ফ বন্ধা যুৱক-যুৱতীসকল, এওঁলোক কোন? পুলিচৰ মানুহ নেকি দেউতা?"

দৰ্শনাৰ কথাত দেউতাকে হাঁহি ক'লে— "আঁকৰী! তেওঁলোক পুলিচ নহয়। তেওঁলোক স্কাউট আৰু গাইডৰ যুৱক-যুৱতী। চৰকাৰী বাহিনীৰ লগতে তেওঁলোকে ৰাইজলৈ সেৱা আগবঢ়াইছে। দৰ্শনাই দেউতাকক সুধিলে— "স্কাউট আৰু গাইডনো কি দেউতা?" ইতিমধ্যে সন্ধিয়াৰ বাতৰি শেষ হৈছে। দেউতাকে লগে লগে টি.ভি.ৰ ছুইচটো বন্ধ কৰি দৰ্শনা আৰু দুৰ্লভক স্কাউট আৰু গাইডৰ বিষয়ে ক'বলৈ আৰম্ভ কৰিলে— "স্কাউট আৰু গাইড হৈছে পৃথিৱীজুৰি থকা এটা সংগঠন। এই সংগঠনটোক



প্ৰধানকৈ তিনিটা পৰ্যায়ত ভাগ কৰা হৈছে। প্ৰতিটো পৰ্যায়ৰ নাম বেলেগ বেলেগ। সংগঠনটোৰ একেবাৰে নিম্ন পৰ্যায়ত থকা ল'ৰাৰ গোটটোক 'কাব' আৰু ছোৱালীৰ গোটটোক 'বুলবুল' বোলে। মধ্য পৰ্যায়ত থকা ল'ৰাৰ গোটটোক 'স্কাউট' আৰু ছোৱালীৰ গোটটোক 'গাইড' বোলা হয়। একেবাৰে উচ্চ পৰ্যায়ত



থকা ল'ৰাৰ গোটক 'ৰোভাৰ' আৰু ছোৱালীৰ গোটক বোলা হয় 'ৰেঞ্জাৰ'। তদুপৰি, এই স্কাউট আৰু গাইডৰ সকলো সদস্যই কিছুমান নিৰ্দিষ্ট সংকল্প আৰু নীতি নিয়ম মানি চলে। সাধুতা, বন্ধুত্ব, ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য, জীৱ-জন্তুৰ প্ৰতি দয়া, পৰোপকাৰ, সৎ-চিন্তা, সৎ-কৰ্ম আদিয়েই এই সংগঠনৰ মুল কথা। প্ৰতিজন স্কাউট আৰু প্ৰতিগৰাকী গাইডৰ ঘাই লক্ষ্য হৈছে সৎ চৰিত্ৰৰ অধিকাৰী হোৱা। বিপদত পৰাজনক সহায় কৰা, অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰা আৰু জনহিতকৰ কাম কৰা —এনে শিক্ষাই তেওঁলোকক লোক-সেৱা, সমাজ-সেৱা আৰু দেশ-সেৱাত ব্ৰতী হোৱাৰ লগতে স্বাৱলম্বী হ'বলৈ প্ৰেৰণা যোগায়।"

"তোমালোকে এটা কথা জানি ভাল পাবা যে এটা সময়ত ময়ো স্কাউটৰ সদস্য আছিলোঁ। কি জানা, স্কাউট আৰু গাইডে সদায় আত্মনিৰ্ভৰশীল হ'বলৈ শিকায়। মৌ-পালন, মীন-পালন, কৃষি, বয়ন, হস্ত-শিল্প আদি সকলো প্ৰকাৰৰ বৃত্তিকে ই সমাদৰ কৰে। এনেবোৰ কামৰ প্ৰতি স্কাউট-গাইডৰ সদস্যসকলে সকলোকে উৎসাহ আৰু প্ৰেৰণা যোগায়।"



"অ' ৰ'বাচোন! তোমালোকক মই স্কাউটত থকা সময়ত ঘটা এটা ঘটনাৰ কথা কওঁ। তেতিয়া মই দশম শ্ৰেণীৰ ছাত্ৰ। হঠাৎ এদিন আমাৰ ঘৰলৈ এজাক মৌ ক'ৰবাৰ পৰা উৰি আহিল। আমাৰ ঘৰখনত হুৰা-দুৰা লাগিল। মই সকলোকে ধৈৰ্য ধৰিবলৈ ক'লোঁ আৰু মৌ-জাকৰ গতি-বিধি লক্ষ্য কৰিলোঁ। এসপ্তাহমান মৌ-জাক আমাৰ বাৰীৰ ডাঙৰ গছ এজোপাতে থাকিল। তেতিয়া মই খাদী গ্ৰামোদ্যোগ ব'ৰ্ডলৈ গৈ মৌ-বাহ এটা যোগাৰ কৰিলোঁ আৰু বাহত মৌ-জাকক সোমোৱাৰ ব্যৱস্থা কৰিলোঁ। স্কাউটত থকা কাৰণে মোৰ বাবে মৌ ধৰা কামটো সহজ হৈ পৰিছিল।" দেউতাকৰ সাহসৰ কথা জানি দুয়োটাই আচৰিত হৈ তেখেতৰ মুখলৈ চাই থাকিল।

এনেতে ভিতৰৰ পৰা মাকে তেওঁলোকক ভাত খাবলৈ মাতিলে। ভাত খাই থাকোঁতে দুৰ্লভে


দেউতাকক সুধিলে— "দেউতা, স্কাউট আৰু গাইডৰ দৰে আৰু কিবা সংগঠন আছে নেকি?" দুৰ্লভৰ কথা শুনি দেউতাকে ক'লে- "অ' আছে!"



"সেয়া বাৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী নেকি?" দেউতাকক দৰ্শনাই সুধিলে।

"এৰা, তুমি ঠিকেই কৈছা। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীক চমুকৈ এন.চি.চি. বুলিহে সকলোৱে জানে। ই দেশৰ এটা জনহিতৈষী সংগঠন। এন.চি.চিক ভাৰতৰ তৃতীয় স্তৰৰ প্ৰতিৰক্ষা বিভাগ বুলি কোৱা হয়। মহাবিদ্যালয় আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী এই সংগঠনৰ সদস্য-সদস্যা হ'ব পাৰে। তাৰ বাবে প্ৰশিক্ষণো ল'ব লাগে। এই সংগঠনৰ মহাবিদ্যালয়ৰ শাখাক জ্যেষ্ঠ শাখা আৰু বিদ্যালয় পৰ্যায়ৰ শাখাবোৰক কনিষ্ঠ শাখা বোলে।" দেউতাকৰ কথাৰ মাজতে দুৰ্লভে মাত লগালে— "দেউতা, এন.চি.চিৰ লক্ষ্য কি কি?" দেউতাকে দুৰ্লভৰ প্ৰশ্নৰ উত্তৰ দি ক'লে— "ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীয়ে যুৱ প্ৰজন্মৰ একোজন ছাত্ৰক উচ্ছৃংখল আচৰণ কৰাৰ পৰিবৰ্তে চৰিত্ৰৱান, সত্যবাদী, সাহসী নেতা হিচাপে প্ৰতিষ্ঠা কৰে। এই সংগঠনৰ সদস্যসকলে মিছা কথা কোৱা, অপকৰ্ম কৰা বা অপসংস্কৃতিমূলক কাম-কাজৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ চেষ্টা কৰে। গতিকে বৰ্তমান সময়ত শিক্ষাৰ্থী বাহিনীৰ প্ৰশিক্ষণৰ প্ৰয়োজন আছে।"

কথাখিনি শেষ কৰি দেউতাক কিছুসময় ৰ'ল। তাৰ পাছত দৰ্শনা আৰু দুৰ্লভক উদ্দেশ্য কৰি ক'লে— "আজি তোমালোকক আমাৰ দুটা সংগঠনৰ বিষয়ে থূলমূলকৈ ক'লোঁ। ডাঙৰ হ'লে তোমালোকে এই দুটা সংগঠনৰ যিকোনো এটাৰ সদস্য হ'ব পাৰিবা। তেতিয়া তোমালোকে সমাজ তথা ৰাইজৰ কল্যাণমূলক কামত আত্মনিয়োগ কৰিবলৈ সুবিধা পাবা। এতিয়া ব'লা, সকলোটি শুবলৈ যাওঁ। কাইলৈ আকৌ তোমালোকৰ বিদ্যালয় খোলা আছে নহয়!" এইবুলি কৈ দেউতাক বিছনাত পৰিলগৈ। বিছনাত শুই শুই দেউতাকে দৰ্শনা আৰু দুৰ্লভলৈ চাই ক'লে— "মই এতিয়া স্কাউট আৰু গাইডৰ প্ৰাৰ্থনা গীত এটি গাম; তোমালোকে শুনি শুনি টোপনি যোৱা।" দেউতাকে গীতটো গাবলৈ আৰম্ভ কৰিলে—



## স্কাউট-গাইডৰ প্ৰাৰ্থনা গীত



"দয়া কৰ দান ভক্তি কা হমে পৰমাত্মা দেনা,
দয়া কৰণা হমাৰি আত্মামে শুদ্ধতা দেনা,
হামাৰে ধ্যান মে আও প্ৰভু আঁখো মে বস যাও
আন্ধেৰে দিল মে আ-কৰকে পৰম জ্যোতি জগা দেনা।
বহা দো প্ৰেম কি গঙ্গা দিলো মে প্ৰেমকা সাগৰ,
হমে আপচ মে মিলজুল কৰ প্ৰভু ৰহনা শিখা দেনা।
হমাৰা কৰ্ম হো সেৱা হমাৰা ধৰ্ম হো সেৱা,
সদা ইমান হো সেৱা ও সেৱকচৰ বনা দেনা।
ৱতন কে ৱাস্তে জিনা ৱতন কে ৱাস্তে মৰণা,
ৱতন পৰ জাঁ ফিদা কৰণা প্ৰভু হামকো শিখা দেনা।
দয়া কৰ দান ভক্তি কা হমে পৰমাত্মা দেনা,
দয়া কৰণা হামাৰি আত্মা মে শুদ্ধতা দেনা।"



জানো আহা

**স্কাউট সংগঠনৰ জন্মদাতা** — বেডেন পাৱেল
**গাইড সংগঠনৰ জন্মদাতা** — এগনেচ বেডেন পাৱেল
**কাব** — ছয়ৰ পৰা দহ বছৰ বয়সৰ ল'ৰা সদস্য
**বুলবুল** — ছয়ৰ পৰা দহ বছৰ বয়সৰ ছোৱালী সদস্যা
**স্কাউট** — এঘাৰৰ পৰা সোতৰ বছৰ বয়সৰ ল'ৰা সদস্য
**গাইড** — এঘাৰৰ পৰা সোতৰ বছৰ বয়সৰ ছোৱালী সদস্যা
**ৰোভাৰ** — ওঠৰৰ পৰা পঁচিশ বছৰ বয়সৰ ল'ৰা সদস্য
**ৰেঞ্জাৰ** — ওঠৰৰ পৰা পঁচিশ বছৰ বয়সৰ ছোৱালী সদস্যা
**স্কাউট মাষ্টাৰ** — স্কাউট গোটৰ দায়িত্বত থকা শিক্ষক
**গাইড কেপ্তেইন** — গাইড গোটৰ দায়িত্বত থকা শিক্ষয়িত্ৰী



## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া

১) 'স্কাউট আৰু গাইড' পাঠটো দলগতভাৱে মনোযোগেৰে পঢ়া। পাঠটোত দৰ্শনা আৰু দুলৰ্ভৰ ভিতৰত কোনে দেউতাকক বেছিকৈ প্ৰশ্ন কৰিছে বিচাৰি উলিওৱা।

২) উত্তৰ কোৱা আৰু লিখা।

ক) দৰ্শনাহঁতে দূৰদৰ্শনৰ বাতৰিত কোনখন নদীৰ বানপানীৰ দৃশ্য দেখা পাইছিল?

খ) চৰকাৰী বাহিনীয়ে বানপীড়িত ৰাইজৰ মাজত কি কি বিতৰণ কৰিছিল?

গ) চৰকাৰী বাহিনীক সহায় কৰা যুৱক-যুৱতীসকল কোন?

(ঘ) যুৱক-যুৱতীসকলে কি পোছাক পিন্ধি বান সাহায্যৰ কাম কৰিছিল?

(ঙ) দৰ্শনাহঁতৰ দেউতাকে স্কাউট আৰু গাইডৰ বিষয়ে কেনেকৈ জানিলে?



৩) স্কাউট আৰু গাইড সংগঠনৰ মূল কথাখিনি চমুকৈ লিখা।

৪) পাঠটোৰ জটিল শব্দবোৰৰ অৰ্থ জানি লোৱা।

| শব্দ | অৰ্থ |
|---|---|
| থাউনি | পানীত তল নোযোৱাকৈ ভৰিৰে পোৱা পানীৰ তলৰ মাটি। |
| নাজল-নাথল অৱস্থা | আলাই আথানি। |
| বিপদসংকুল | বিপদেৰে ভৰা। |
| আনুগত্য | বাধ্য হৈ থকা অৱস্থা। |
| জনহিতকৰ | জনসাধাৰণৰ বাবে মংগলজনক। |
| স্বাৱলম্বী | আপোনাক আপুনি প্ৰতিপাল কৰা। |
| হস্ত-শিল্প | কুটীৰ-শিল্প। |
| হুৰা-দুৰা | বিপদ আদিত কৰা চিএৱৰ বাখৰ। |
| জনপ্ৰিয় | জনসাধাৰণে ভাল পোৱা। |
| উচ্ছৃংখল | নিয়ম নমনা। |
| সংকল্প | দৃঢ় ইচ্ছা, প্ৰতিজ্ঞা। |





৫) **প্ৰথমে অকলে পঢ়া। তাৰ পাছত সৰু সৰু দলত ভাগ হৈ পঢ়া আৰু বাকীবোৰে শুনা।**

| | | | |
|---|---|---|---|
| উপকাৰ | অপকাৰ | পৰোপকাৰ | নিৰ্বিকাৰ |
| সৎ চিন্তা | সৎ কৰ্ম | সৎ চৰিত্ৰ | সৎসংগ |
| সমাজ-সেৱা | গুৰু-সেৱা | অতিথি-সেৱা | দেশ-সেৱা |
| আত্মকথা | আত্মত্যাগ | আত্মতুষ্টি | আত্মগ্লানি |
| অপকৰ্ম | অপবাদ | অপহৰণ | অপসংস্কৃতি |

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

৬) **কামৰ ফুলপাহৰ পৰা শব্দ আনি তলৰ বাক্যকেইটা সম্পূৰ্ণ কৰা।**

ক) স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীয়ে অশেষ ———— স্বীকাৰ কৰিছিল।

খ) জননী জন্মভূমিৰ প্ৰতি প্ৰতিজন মানুহৰ ———— থকা উচিত।

গ) সদায় ভাল সংগৰ লগত ———— কৰিব লাগে।

ঘ) ———— গুণে মানুহক মহান কৰে।

ঙ) ———— স্কাউট আৰু গাইডৰ মূল কথা।




৭) **তলত দিয়া বিশেষ্য পদবোৰৰ পৰা গুণবাচক বিশেষ্যবোৰ বাছি উলিয়াই লিখা।**

| | | |
|---|---|---|
| দেশ | সংকল্প | দয়া |
| লক্ষ্য | গাইড | আনুগত্য |
| বুলবুল | পৰোপকাৰ | বন্ধুত্ব |
| একতা | ত্যাগ | পতাকা |



৮) **বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।**

ন্যায় —

সৎচৰিত্ৰ —

সাধু —

বিশ্বাস —

হিত —

## গ — জ্ঞান সম্প্ৰসাৰণ

৯) তলৰ চিঠিখন পঢ়া আৰু প্ৰশ্নসমূহৰ উত্তৰ লিখা।

শ্ৰীহৰি

গুৱাহাটী

২১-০৫-২০১৩

কল্যাণীয়া মাজনী,

মোৰ আশীৰ্বাদ গ্ৰহণ কৰিবা। আশাকৰোঁ মাৰাৰ লগতে মুনু আৰু তুমি কুশলে আছা। ভগৱানৰ কৃপাত ময়ো ভালে আছোঁ। তোমাৰ চিঠিখন পঢ়ি সন্তোষ পালোঁ। তুমি বাক্যবোৰ শুদ্ধকৈ লিখিব পাৰিছা, কেৱল দুই-এঠাইত বানান ভুল কৰিছা। বানান লিখাৰ ক্ষেত্ৰত সদায় সাৱধান হ'বা। সন্দেহ থাকিলে অভিধানৰ সহায় ল'বা।

চাকৰিৰ সংক্ৰান্তত যদিও মই গুৱাহাটীত আছোঁহি, তথাপি অনবৰতে তোমালোকৰ বাবে চিন্তা লাগি থাকে। অৱশ্যে মাৰাই ঘৰৰ যাৱতীয় কাম-কাজ কৰাৰ উপৰি তোমালোকৰ যত্ন লোৱাত ত্ৰুটি কৰা নাই। তেওঁ অকলে মাক-দেউতাক দুয়োৰে দায়িত্ব পালন কৰিছে। তাৰবাবে তেওঁৰ যথেষ্ট কষ্টও হৈছে। মুনু আৰু তুমি মাৰাক ঘৰুৱা কাম-বনত সহায় কৰি দিবা। তেওঁ নিজৰ স্বাস্থ্যৰ যত্ন লৈছেনে নাই তাৰ প্ৰতিও লক্ষ্য ৰাখিবা। মোৰ বাবে তোমালোকে চিন্তা কৰি নাথাকিবা।

তোমালোকৰ দ্বিতীয় গোট মূল্যায়ন ওচৰ চাপিছে বুলি তুমি চিঠিত উল্লেখ কৰিছা। তোমালোক দুয়ো ভালদৰে পঢ়া-শুনা কৰিবা। তুমি মুনুৰ বায়েক যেতিয়া মুনুৰ পঢ়া-শুনাতো মাজে মাজে চকু দিবা। গণিতৰ অনুশীলন নিতৌ কৰিবা আৰু মুনুকো কৰিবলৈ দিবা।

মাজনী, তোমালোকৰ বিদ্যালয়ত স্কাউট আৰু গাইডৰ শাখা খুলিছে বুলি জানি আনন্দ পালোঁ। পাৰিলে মুনু আৰু তুমি ক্ৰমে 'কাব' আৰু 'গাইড' হিচাপে সদস্যভুক্ত হ'বা।

আজিলৈ সামৰোঁ। শেষত তোমালোক দুয়ো মোৰ আশীৰ্বাদ আৰু মৰম ল'বা। মাৰাক মোৰ মৰম দিবা।

ইতি-

....................

ক) চিঠিখন মাজনীলৈ কোনে লিখিছে?

খ) মুনু আৰু মাজনীৰ মাজত কি সম্বন্ধ?

গ) চিঠিখন পঢ়ি মুনু ল'ৰা নে ছোৱালী চিনাক্ত কৰা।

ঘ) চিঠিখনত কোনটো বিষয় সদায় অনুশীলন কৰাৰ কথা কোৱা হৈছে?

ঙ) বানান লিখোঁতে কিহৰ সহায় ল'ব লাগে?

১০) তলত উল্লেখ কৰা গীতসমূহ কেতিয়া আৰু ক'ত গোৱা হয়?

ক) 'জন গণ মন অধিনায়ক...............'

খ) 'চিৰ চেনেহী মোৰ ভাষা জননী...................'

গ) 'শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে.............'

ঘ) 'ভাৰত স্কাউট-গাইড ঝণ্ডা উচ্চা সদা ৰহেগা............'

১১) তোমাৰ পাঠত মৌ-পালন, মীন-পালন, কৃষি, বয়ন, হস্ত-শিল্প— এইকেইটা বৃত্তিৰ নাম উল্লেখ আছে। ইয়াৰ বাহিৰে আৰু কি কি বৃত্তিৰ নাম জানা লিখা।

১২) তুমি অকলে আৰু দলীয়ভাৱে কৰি ভাল পোৱা কামৰ তালিকা কৰা।

১৩) এসপ্তাহৰ বাবে ৰেডিঅ' বা দুৰদৰ্শনৰ সন্ধিয়াৰ বাতৰি লৈ ঘাই ঘাই বাতৰিখিনি লিখি শিক্ষকক দেখুওৱা।

১৪)

'একতাৰ বৰ বল'— সকলোৱে জানে,
একেলগে থাকিলে কি কৰিব আনে?
লগ হৈ ভেটোঁ আমি বাৰিষাৰ বান,
দা-কোৰ লৈ গাওঁ একতাৰ গান।
বান্ধো আমি ৰাজআলি, পীড়িতৰ ঘৰ,
সকলো আপোন মোৰ, নাই কোনো পৰ।



ওপৰৰ পদ্যটোৰ দৰে তোমালোকেও নিজে 'একতা'ক বিষয় হিচাপে লৈ পদ্য এটা লিখা। পদ্যটোৰ নাম দিবা আৰু শিক্ষকক দেখুৱাবা।

## ঘ — প্ৰকল্প

- তলত দিয়া যিকোনো এখন স্থানলৈ ক্ষেত্ৰ-ভ্ৰমণৰ বাবে গৈ ক্ষেত্ৰভিত্তিক টোকা এটা প্ৰস্তুত কৰা।

ক) কৃষি পাম

খ) মৎস্য পালন আৰু উৎপাদন কেন্দ্ৰ

গ) জাতীয় পতাকা প্ৰস্তুত কেন্দ্ৰ

ঘ) শুৱালকুছিৰ বস্ত্ৰ উদ্যোগৰ স্থান

ঙ) সৰ্থেবাৰীৰ কাঁহ শিল্পৰ উদ্যোগ

চ) নলবাৰীৰ বাঁহ-বেতৰ উদ্যোগ

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পাঠ শুদ্ধ, স্পষ্ট আৰু সলসলীয়াকৈ পঢ়িব পৰা
- প্ৰবন্ধ পঢ়ি বুজি পোৱা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- শব্দৰ অৰ্থ জনা
- স্কাউট আৰু গাইডৰ মূল কথাখিনি চমুকৈ লিখিব পৰা
- উপযুক্ত শব্দৰে বাক্য সম্পূৰ্ণ কৰিব পৰা
- বিশেষ্য পদ আৰু গুণবাচক বিশেষ্য পদ চিনাক্ত কৰিব পৰা
- বিপৰীত অৰ্থ বুজোৱা শব্দ জনা
- চিঠি পঢ়ি বুজি পোৱা
- একতাৰ বল যে শক্তিশালী, এই কথা উপলব্ধি কৰিব পৰা
- ক্ষেত্ৰ-ভ্ৰমণৰ টোকা প্ৰস্তুত কৰিব পৰা
- ৰেডিঅ' আৰু দূৰদৰ্শনৰ বাতৰি শুনা আৰু চোৱাৰ অভ্যাস গঠন কৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **প্ৰবন্ধ পাঠ** | প্ৰবন্ধ পঢ়ি বুজি পোৱা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | শব্দৰ অৰ্থ জনা | | | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | উপযুক্ত শব্দৰে বাক্য সম্পূৰ্ণ কৰিব পৰা | বিশেষ্য আৰু গুণবাচক বিশেষ্য পদ চিনাক্ত কৰা | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা | | | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | চিঠি পঢ়ি বুজি পোৱা | বাতৰি শুনা আৰু চোৱাৰ অভ্যাস গঠন হোৱা | পদ্য/কবিতা লিখিব পৰা | | | |
| | | | | | | |
| **প্ৰকল্প** | ক্ষেত্ৰ-ভ্ৰমণ কৰি টোকা প্ৰস্তুত কৰিব পৰা | | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ -১৫

# মহো-হো গীত

*অসমৰ জনপ্ৰিয় লোক উৎসৱসমূহৰ ভিতৰত মহো-হো অন্যতম। নামনি অসমৰ প্ৰায়বোৰ ঠাইতে মহো-হো উৎসৱৰ প্ৰচলন আছে। কিন্তু ঠাইভেদে মহো-হো গীতবোৰ অলপ বেলেগ বেলেগ হয় আৰু এই গীতত থকা স্থানীয় উপভাষাৰ শব্দবোৰৰ উচ্চাৰণৰ ক্ষেত্ৰতো অঞ্চলভেদে পাৰ্থক্য দেখা যায়।*



ও হৰি মহো-হৌ।
মহ মাইৰ্‌বা টকান লউ।।
মহ গেল মহ্‌মহওঁতে।
হিদাল গাছত গাও ঘহাওঁতে।।
হিদেলি পৰিল।
সকল মহে মৰিল।।



হিদেলি ভাইৰে।
টেঁপৰ পুৰা খাইৰে।।
টেঁপৰত নহল নুণ।
চাউল কড়ি একো দোণ।।
চাউল নেদি দিলাক কড়ি।
আথেৰ ঘৰত লৰি-চৰি।।



লৰি-চৰি যাওঁতে।
সোণাৰ কড়ি পাওঁতে।।
সোণাৰ কড়ি ৰূপাৰ মালা।
আথেৰ ঘৰ দেইখ্‌বা ভালা।।



বাঁহৰ পাত চাকা চাকা।
আমাক দিবো টাকা।।
বাঁহৰ পাত চিকি মিকি।
আমাক দিবো সিকি সিকি।।

হাল বালা সিৰালে।
মৈ দিলা পাটে।।
মহৰ মাকোক পাৰ কইৰ্‌লু।
বুঢ়াদিয়াৰ ঘাটে।।



*(উৎসঃ 'বাৰমাহৰ তেৰগীত', পৃষ্ঠা-১২৩, সম্পাদনা-প্ৰফুল্লদত্ত গোস্বামী, দ্বিতীয় তাঙৰণ-১৯৯০, প্ৰকাশক-সাহিত্য অকাডেমী, নতুন দিল্লী)*

☞ *গীতটো প্ৰথমে দলগতভাৱে আৰু পাছত এজন এজনকৈ প্ৰত্যেককে গাবলৈ দিব। শুদ্ধভাৱে গোৱাত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*

- **গীতটোত থকা স্থানীয় উপভাষাৰ শব্দবোৰৰ মান্য অসমীয়াৰ ৰূপবোৰ জানো আহা।**

| | | | | | |
|---|---|---|---|---|---|
| মাইৰ্‌বা | — | মাৰিবলৈ | টকান | — | টাঙোন |
| লউ | — | ল | গেল | — | গ'ল |
| মহ্‌মহওঁতে | — | কুন্‌কুনাওঁতে | গাছত | — | গছত |
| গাও | — | গা/শৰীৰ | ঘহাওঁতে | — | ঘহোঁতে |
| হিদেলি | — | হিদল | নহল | — | নহ'ল |
| নুণ | — | নিমখ/ লোণ | নেদি | — | নিদি |
| দিলাক | — | দিলে | আথেৰ | — | এওঁলোকৰ/ইহঁতৰ |
| লৰি-চৰি | — | লৰা-ধপৰাকৈ | সোণাৰ | — | সোণৰ |
| ভালা | — | ভাল | দেইখ্‌বা | — | দেখিবলৈ |
| চাকা চাকা | — | চক্‌চকীয়া | টাকা | — | টকা |
| চিকি মিকি | — | চিক্‌মিকীয়া | দিবো | — | দিব |
| সিৰালে | — | সীৰলুৱে | সিকি | — | পঁচিশ পইচাৰ মুদ্ৰা (এতিয়া অপ্ৰচলিত) |
| কইৰ্‌লু | — | কৰিলোঁ | | | |

● মহো-হো গীতটোৰ মূল কথাখিনি মান্য অসমীয়াৰ ৰূপত জানো আহা।

অ' হৰি
মহো-হো
মহ মাৰিবলৈ টাঙোন ল
মহ গ'ল কুন্‌কুনাই
হিদল গছত গা ঘহোঁতে
হিদল পৰিল
সকলোবোৰ মহ মৰিল।

হিদল ভাই অ'
টেপৰ পোৰা খায়
টেপৰত নহ'ল লোণ
চাউল কড়ি একো দোণ
চাউল নিদি দিলে কড়ি
ইহঁতৰ ঘৰত লৰি-চৰি
বাঁহৰ পাত চক্‌মকীয়া
আমাক দিব টকা

বাঁহৰ পাত চিকি মিকি
আমাক দিব সিকি সিকি
হাল বালে সীৰলু দি
মৈ দিলে পাটে
মহৰ মাকক পাৰ কৰালোঁ
বুঢ়াদিয়াৰ ঘাটে।।

## ক্ৰিয়া-কলাপ

### ক — পাঠভিত্তিক ক্ৰিয়া

**১) মহো-হো গীতটো শুদ্ধ উচ্চাৰণেৰে পদ্য হিচাপে পঢ়া আৰু আটায়ে মিলি অংগ-ভংগীৰে পৰিৱেশন কৰা।**

**২) পাঠত দিয়া মহো-হো গীতটোৰ অন্ত্যধ্বনি মিল থকা শব্দবোৰ বাছি উলিয়াই লিখা।**

উদাহৰণ— হৌ-লউ

**৩) পাঠত দিয়া মহো-হো গীতটোত দুবিধ কৃষি-সঁজুলিৰ নাম আছে। সঁজুলি দুবিধ কি কি? সঁজুলি দুবিধৰ ছবি আঁকা।**

**৪) উত্তৰ দিয়া।**

(ক) মহ মাৰিবলৈ চেমনীয়াহঁতে হাতে হাতে কি লৈছে?

(খ) হিদাল গছত গা ঘহাওঁতে কি হ'ল?

(গ) মহ খেদিবলৈ যোৱা ল'ৰাহঁতক গৃহস্থই চাউলৰ সলনি কি দিছে?

(ঘ) 'টাকা' আৰু 'সিকি' মানে কি?

(ঙ) মহো-হো গীতটোত উল্লেখ থকা নৈখনৰ নাম লিখা।

☞ *মালিতা, বিহুগীত, বনগীত আদিৰ উদাহৰণ দি ছাত্ৰ-ছাত্ৰীক বুজাই দিব যে আন লোকগীত কিছুমানৰ দৰে পাঠত দিয়া মহো-হো গীতটোৰো সকলো পংক্তিৰ অৰ্থৰ মাজত সংগতি স্থাপন কৰিব নোৱাৰি। প্ৰায়বোৰ লোকগীততে কেৱল অন্ত্যমিল আৰু ছন্দ ৰক্ষাৰ বাবে কেতবোৰ ওপৰঞ্চি পংক্তি সংযোগ কৰা হয়।*

## খ — ভাষা অধ্যয়ন (ব্যাবহাৰিক ব্যাকৰণ)

৫) তলৰ পদবোৰত কি কি বিভক্তি যুক্ত হৈছে লিখা।

| পদ | বিভক্তি |
|---|---|
| মাকোক | |
| টেপৰত | |
| ৰূপাৰ | |
| সিৰালে | |
| সোণাৰ | |
| বুঢ়াদিয়াৰ | |
| ঘাটে | |

৬) মহো-হো গীতটোত থকা পাঁচটা বিশেষ্য পদ আৰু পাঁচটা ক্ৰিয়াপদ বাছি উলিয়াই তাৰ মান্যৰূপবোৰ লিখা।

৭) বাক্য ৰচনা কৰা।

চক্চকীয়া, চিক্মিকীয়া, সিকি, সীৰলু, টাঙোন

৮) পাঠত দিয়া মহো-হো গীতটোৰ পৰা তলত দিয়া শব্দবোৰৰ মান্য অসমীয়াৰ ৰূপবোৰ লিখা।

টকান.......................... মাইৰ্‌বা..........................

গাছত.......................... নুণ..........................

দিলাক.......................... দেইখ্‌বা..........................

মাকোক.......................... কইৰ্‌লু..........................

## গ — জ্ঞান সম্প্ৰসাৰণ

**জানো আহা**

খৰালিকালত বহুদিন বৰষুণ নহ'লে মানুহৰ বহুত অসুবিধা হয়। কুঁৱাবোৰ শুকাই যায়, পথাৰত চিৰাল-ফাঁট দিয়ে। তেতিয়া মানুহে ভেকুলী দুটা ধৰি আনি দৰা-কইনা সজাই সিহঁতৰ মাজত বিয়া পাতি দিয়ে। এনেদৰে ভেকুলীৰ বিয়া পাতিলে বৰষুণ দিয়ে বুলি লোকসমাজে বিশ্বাস কৰে। এই বিয়াত মানুহৰ বিয়াৰ প্ৰায়বোৰ আচাৰ-অনুষ্ঠান সংক্ষিপ্ত ৰূপত পালন কৰা হয়। তলত উজনি অসমত ভেকুলী বিয়াত গোৱা দুফাকিমান বিয়ানাম তুলি দিয়া হ'ল—

(ক) চোৱা পানী খহুলী ভেকুলীৰ
চোৱা পানী বিয়াখন পাতিছে
চোৱা পানী ৰাইজে বেৰি বেৰি চায় ৰাম ৰাম।।

..............................................................



(খ) চোৱা পানী বায়ু দেৱক
চোৱা পানী মেঘে নমুৱালে
চোৱা পানী সাতদিন বৰষুণ দি ৰাম ৰাম।।

..............................................................

(গ) চোৱা পানী খহুলী ভেকুলী
চোৱা পানী চুকৰে সুন্দৰী
চোৱা পানী তোক জানো কিহৰাই পালে ৰাম ৰাম।।

**৯) তুমি দেখা যি কোনো এটা লোক উৎসৱৰ বিষয়ে বৰ্ণনা কৰা।**

*লোক উৎসৱৰ লগত জড়িত লোকবিশ্বাসবোৰৰ বৈজ্ঞানিক ভিত্তি থাককেই বা নাথাককেই, এইবোৰে কিন্তু আমাৰ লোকসমাজক বিচিত্ৰ আৰু বৰ্ণময় কৰি ৰাখিছে। লগতে আনন্দৰ খোৰাকো যোগাইছে। যুগ-যুগান্তৰৰ পৰা চলি অহা লোক উৎসৱৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবা আৰু এইবোৰক সংস্কৃতিৰ সম্পদ বুলি গণ্য কৰিবা।*

১০) শ্ৰেণীকোঠাৰ বাহিৰত শিক্ষকৰ সহায়ত লোক উৎসৱ সম্পৰ্কীয় আকস্মিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতা পাতা।

১১) তলত উল্লেখ কৰা লোকগীতসমূহৰ যিকোনো দুটাৰ বিষয়ে টোকা যুগুত কৰা। তুমি নিলিখা আৰু তোমাৰ সহপাঠীয়ে লিখা বিষয়ৰ টোকা সংগ্ৰহ কৰা আৰু পঢ়া।

(ক) নাওখেলৰ গীত
(খ) আই সবাহৰ গীত
(গ) আইনাম
(ঘ) টোকাৰী গীত
(ঙ) গৰখীয়া গীত
(চ) সুবচনী নাম
(ছ) হাউখেলৰ গীত



জানো আহা

লোকগীতসমূহ অনাখৰী (নিৰক্ষৰ) গ্ৰাম্য লোকৰ সৃষ্টি। মৌখিক ৰূপত সৃষ্টি হোৱা লোকগীতবোৰ যুগে যুগে ইজনৰ মুখৰ পৰা সিজনৰ মুখলৈ বাগৰি আহি আছে। এনেদৰে মুখ-বাগৰি যাওঁতে স্থান, কাল, পাত্ৰভেদে গীতবোৰৰ অলপ তাৰতম্য ঘটে। আখৰ চিনি নোপোৱা মানুহৰ এই সুন্দৰ সৃষ্টিবোৰৰ মাজত লোকজীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, আবেগ-অনুভূতি নিহিত হৈ থাকে। অনাখৰী লোকসমাজত সৃষ্টি হোৱা আইনাম, ধাইনাম, বিয়ানাম, বিহুগীত আদি প্ৰায়বোৰ গীতকে লোকগীত বুলিব পাৰি। যুগ-যুগান্তৰে চলি অহা এই গীতবোৰ সাম্প্ৰতিক কালত লিপিবদ্ধ কৰি পুথি আকাৰে ছপা কৰা হৈছে। বৰ্তমানো নিৰক্ষৰ লোকসমাজত অলিখিত ৰূপত লোকগীত ৰচিত হৈ আছে।

## ঘ — প্ৰকল্প

- তোমাৰ অঞ্চলত প্ৰচলিত লোকগীতবোৰ সংগ্ৰহ কৰি লিপিবদ্ধ কৰা আৰু শ্ৰেণীত পৰিৱেশন কৰা।

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতাসমূহ

- লোকগীত শুনি বুজি পোৱা
- লোকগীত সুৰ লগাই গাব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা
- লোক উৎসৱ সম্বন্ধে ধাৰণা পোৱা আৰু সেইবোৰত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহী হোৱা
- স্থানীয় কৃষ্টিৰ বিষয়ে ক'ব পৰা আৰু গৌৰৱ অনুভৱ কৰা
- লোকগীত, সাধুকথা আদি লোক-সাহিত্য সংগ্ৰহ কৰি লিপিবদ্ধ কৰিব পৰা
- লোক উৎসৱ আৰু লোক সাহিত্যক সন্মান কৰিবলৈ শিকা
- আনৰ উপভাষা আৰু স্থানীয় উপভাষাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব পৰা
- কুইজ, আকস্মিক বক্তৃতা আদিত অংশগ্ৰহণ কৰিব পৰা
- স্থানীয় লোকগীত লিপিবদ্ধ কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | |
|---|---|---|---|---|---|
| **মহো-হো (গীত)** | লোকগীত শুদ্ধ উচ্চাৰণেৰে গাব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | পাঠত থকা স্থানীয় উপভাষাৰ শব্দবোৰৰ অৰ্থ জনা | অংগ-ভংগী কৰি গাব পৰা | |
| | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | বিশেষ্য পদ আৰু ক্ৰিয়াপদ বাছি উলিয়াব পৰা | স্থানীয় উপভাষাৰ বাক্যৰ পৰা পদ চিনাক্ত কৰিব পৰা | আকস্মিক বক্তৃতা আৰু কুইজত ভাগ ল'ব পৰা | | |
| | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | স্থানীয় লোক উৎসৱৰ বৰ্ণনা দিব পৰা | যিকোনো লোকগীতৰ বিষয়ে চমুটোকা লিখিব পৰা | | | |
| | | | | | |
| **প্ৰকল্প** | স্থানীয় লোকগীত লিপিবদ্ধ কৰিব পৰা | স্থানীয় লোকগীত গাব পৰা | | | |
| | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ অৰ্হতাৰ তলে তলে থকা খালী ঘৰত ✓ চিন দিব আৰু নহ'লে × চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

# শব্দ সম্ভাৰ

## অ

**অকৰণীয়** — কৰিব নলগীয়া।
**অকাৰ্য** — কৰিব নলগীয়া কাম; বেয়া কাম।
**অতুলনীয়** — যাৰ তুলনা নাই।
**অদম্য** — অদমনীয়; দমন কৰিব বা বাধা দিব নোৱৰা।
**অধীৰ** — অস্থিৰ; উদ্বিগ্ন।
**অনন্য** — অদ্বিতীয়; আন নথকা।
**অনৰ্গল** — খোকোজা নলগা; বাধা নথকা।
**অনুকৃতি** — অনুকৰণ; সদৃশ ৰূপ।
**অন্যতম** — বহুতৰ ভিতৰত এক। (২) বিশেষ।
**অপকৰ্ম** — বেয়া কাম; কুকৰ্ম; পাপ।
**অলিখিত** — লিপিবদ্ধ নোহোৱা; আখৰেৰে নিলিখা।
**অৱদান** — বিশেষ দান; অনুদান।
**অৱসৰ বিনোদন** — আজৰি পৰৰ আমোদ-প্ৰমোদ।
**অবিৰতভাবে** — বিৰতি নথকাকৈ।

## আ

**আওৰা** — মনত ৰাখিবৰ কাৰণে ঘনে ঘনে মাত্।
**আওলা** — আগচালি।
**আঁচু** — কাপোৰৰ আঁচলত ফুল তুলিবলৈ বোলোৱা সূতা।
**আত্মজীৱনী** — নিজৰ জীৱনৰ বৃত্তান্ত বৰ্ণনা কৰা পুথি।
**আত্মবিশ্বাস** — নিজৰ ওপৰত প্ৰত্যয়।
**আপ্ৰাণ** — প্ৰাণ টাকি কৰা; প্ৰাণ থকা পৰ্যন্ত; দেহে কেহে।
**আবদ্ধ** — আটক কৰা; বদ্ধ।
**আমোল** — কোনো অধিপতিয়ে শাসন কৰা কাল।
**আয়ত্ত** — বশীভূত; অধীন।
**আৰ্তনাদ** — শোক বা ভয়তে মৰা চিএঞৰ।
**আবাসভূমি** — কোনো প্ৰাণী, উদ্ভিদ সাধাৰণতে বৰ্তি থকা পৃথিৱীৰ কোনো ঠাই আৰু তাৰ প্ৰাকৃতিক পৰিৱেশ।
**আবিষ্কাৰ** — ব্যক্ত কৰা কাৰ্য; প্ৰকাশিতকৰণ; ইতিপূৰ্বে থকা কিন্তু আনে নজনা বস্তু, ঠাই, বিষয় আদি পোন প্ৰথমে প্ৰকাশ কৰা কাৰ্য। (২) আবিষ্কৃত বস্তু, ঠাই, বিষয় আদি।
**আন্তৰ্জাতিক** — বিভিন্ন ৰাষ্ট্ৰ সম্বন্ধীয়; একাধিক ৰাষ্ট্ৰৰ মাজৰ।

## উ

**উত্তম** — শ্ৰেষ্ঠ, আটাইতকৈ ভাল।
**উদ্‌গ্ৰীৱ** — পাবলৈ অতি ব্যগ্ৰ; উদ্বাউল।
**উদাসীন** — সংসাৰৰ সুখ ইচ্ছা নকৰা।
**উদ্বিগ্নতা** — চিন্তা বা শংকাজনিত কাতৰতা।
**উপলব্ধি** — অন্তৰত হোৱা বোধ; অনুভৱ; অনুমান।
**উপাদান** — বস্তুৰ মূল পদাৰ্থ।

## ক

**কদৰ্থনা** — তিৰস্কাৰ; গালি; নিন্দা।
**কনিষ্ঠ** — বয়সত সৰু; পাছত ওপজা।
**কৰকৰা** — পানী নথকা; শুকান।
**কৰ্মনিষ্ঠা** — একান্তভাৱে কাম কৰাৰ ইচ্ছা।
**কৰ্ম প্ৰৱণতা** — কাম কৰাৰ স্পৃহা।
**কৰ্মৰত** — কাম কৰি থকা।
**কৰ্মস্পৃহা** — কাম কৰাৰ প্ৰবল ইচ্ছা।
**কলৰব** — কোৰ্হাল; বহুতে কৰা হাই-উৰুমি।
**কক্ষ** — কোঠা; খোটালি।
**কাৰিকৰী** — শিল্প-সম্বন্ধীয়; শৈল্পিক। (২) যান্ত্ৰিক।
**কুক্ষি** — নাৱৰ ভিতৰৰ খোটালি।
**কৃতঘ্ন** — অকৃতজ্ঞ; অশলাগী।
**কৃতজ্ঞতা** — আনে কৰা উপকাৰৰ শলাগ লোৱা কাৰ্য।
**কৃতিত্ব** — কামত পাৰ্গতালি; কাৰ্যদক্ষতা।
**ক্লান্তি** — ভাগৰ; অৱসাদ।

## খ

**খুঁত** — ছিদ্ৰ; দোষ।
**খোলা** — কোনো কোমল বস্তু বেৰি ৰখা টান আৱৰণ। (২) চৰু বা তাৰ ভগা খণ্ড।
**খ্যাতিসম্পন্ন** — যশস্যায়ুক্ত; বিখ্যাত।

### গ

**গাঢ়** — ডাঠ (বং)।
**গতি-বিধি** — আও-ভাও; নিয়ম-প্ৰণালী।
**গন্তব্যস্থান** — যাবলগীয়া ঠাই।
**গৰাখহনীয়া** — নৈ, পুখুৰী আদিৰ পাৰৰ মাটি চপৰা-চপৰে খহি পৰা কাৰ্য।
**গুজুক-গাজাক** — গুজ্‌গুজীয়া; ফুচ্‌ফুচীয়া (মেল)।

### ঘ

**ঘাতক** — নাশ কৰোঁতা; বধ কৰোঁতা।
**ঘুলি** — ম'হ, গাহৰি আদি জন্তুৱে বোকা লেটি লোৱা খাল।
**ঘোটোক ঘাটাক** — ঘোট্‌ ঘোট্‌ শব্দযুক্ত। (২) ঘোট্‌ ঘোট্‌কৈ শব্দ কৰি।

### চ

**চ'তাই** — চ'ত মাহক মতা সম্বোধন।
**চেলেং** — এদোৰোলীয়া পাতল গাত লোৱা কাপোৰ।

### জ

**জনবহুল** — মানুহেৰে ভৰি থকা।
**জল পৰিবহণ** — নদী, সাগৰ, জলাশয় আদিৰ ওপৰেদি যাত্ৰী, বয়-বস্তু অনা-নিয়াৰ ব্যৱস্থা।
**জাহাপনা** — বাদছাহক সম্মান কৰি মতা মাত।
**জুপুক জাপাক** — তললৈ মূৰ কৰি থকা।
**জেষ্ঠা** — লেঠা; জগৰ।
**জ্ঞানগৰ্ভ** — তত্ত্বজ্ঞানযুক্ত; বোধ গুণ থকা।
**জ্বলন্ত** — জ্বলি থকা; নুনুমোৱা।

### ট

**টুটি** — কমি।
**টুপুক টাপাক** — খৰকৈ (বোটল)।

### ঠ

**ঠগিব** — প্ৰবঞ্চনা কৰিব।
**ঠাহি** — হেঁচি হেঁচি (ভৰা)।

### ঢ

**ঢোলোক ঢালাক** — পাত্ৰৰ মুখেৰে জুলীয়া পদাৰ্থ ঢালিলে হোৱা শব্দ।

### ত

**তত্ত্বগধুৰ** — তত্ত্বৰে সমৃদ্ধ।
**তৰা** — নক্ষত্ৰ। (২) দ ঠাইত হোৱা এবিধ বন-গছ (বখুৰাৰে জৰী বাটে)।
**তাৎপৰ্য** — গূঢ়াৰ্থ; ভিতৰুৱা অৰ্থ।
**তিলমাত্ৰ** — ক্ষুদ্ৰ পৰিমাণৰ।
**ত্ৰয়োদশ** — তেৰ সংখ্যক।

### থ

**থেকেৰা** — এবিধ টেঙা ফল।
**থেৰেঙ্গু** — কাঁচিদীঘলীয়া পাতেৰে এবিধ ওখ গছ আৰু তাৰ ফল।

### দ

**দৰদী** — সহানুভূতিশীল। (২) মৰমিয়াল।
**দয়াপৰৱশ** — কৃপাযুক্ত; দয়াযুক্ত।
**দুঃসাহসী** — মৰ-সাহী; যি সাহৰ পৰা বিপদ হয় তেনে সাহ কৰোঁতা।
**দৃঢ়তা** — লৰ-চৰ নকৰা অৱস্থা।
**দৃঢ়সংকল্প** — দৃঢ়ভাৱে কৰা প্ৰতিজ্ঞা।
**দ্বাৰপাল** — দুৱাৰ-ৰক্ষক; দুৱৰী।

### ধ

**ধাৰাবাহিক** — অবিচ্ছিন্ন; ক্ৰমিক। (২) অনেক খণ্ডত প্ৰচাৰিত নাটক আদি।
**ধিক্কাৰ** — তিৰস্কাৰ; নিন্দা।
**ধৈৰ্য** — বিপদত স্থিৰ হৈ থকা গুণ।

### ন

**নিগাজি** — চিৰস্থায়ী; চিৰন্তন; পুৰণি।
**নিদৰ্শন** — নমুনা; আৰ্হি; উদাহৰণ।
**নিৰ্দোষিতা** — দোষশূন্য অৱস্থা।
**নিৰুদ্দিষ্ট** — নিখোজ; যাৰ কোনো খোজ-খবৰ পোৱা নাই তেনে; সন্ধানহীন।
**নিবাৰণ** — গুচোৱা কাৰ্য।
**নিশ্চিন্ত** — চিন্তাশূন্য; ভাৱনা নথকা।
**নিঃশেষ** — সমূলি শেষ।
**নিঃস্বাৰ্থ** — স্বাৰ্থ নথকা।

## প

পৰিভ্ৰমী — এঠাইৰ পৰা আন এঠাইলৈ ভ্ৰমি ফুৰা।
পৰিৱেশ্য — পৰিৱেশন কৰিবলগীয়া।
পৰোপকাৰ — আনৰ প্ৰতি কৰা উপকাৰ।
পৰ্যটক — ঠাই চাবলৈ ভ্ৰমণ কৰা লোক।
পুণ্যতোয়া — পবিত্ৰ পানী থকা (নদী)।
পেৰা — চন্দুক; বাকচ।
পোলোক পালাক — ইফালে সিফালে চঞ্চলভাৱে চোৱা (চকু)।
প্ৰখৰ — বৰ চোকা; তীক্ষ্ণ।
প্ৰচণ্ড — প্ৰবল; ভয়ানক।
প্ৰচলিত — পূৰ্বৰে পৰা চলি অহা।
প্ৰতিজ্ঞাবদ্ধ — অঙ্গীকাৰযুক্ত।
প্ৰতিফলন — প্ৰতিবিম্ব; পানী, দাপোণ আদিত দেখা প্ৰতিৰূপ।
প্ৰতিভাশালী — অসাধাৰণ বুদ্ধিসম্পন্ন।
প্ৰতিভাসম্পন্ন — প্ৰতিভাশালী।
প্ৰতিশ্ৰুতি — দিম বুলি কৰা অঙ্গীকাৰ।
প্ৰতিষ্ঠান — অনুষ্ঠান; সংস্থাপন।
প্ৰত্যুষতে — নিচেই ৰাতিপুৱাতে।
প্ৰবন্ধ — যত্ন। (২) নিবন্ধ;ৰচনা।
প্ৰবল — বলী; পৰাক্ৰমী।
প্ৰভাতী — পুৱা কৰা বা হোৱা।
প্ৰভুভক্তি — গৰাকীৰ অধিকাৰৰ প্ৰতি মান্যতা; গৰাকীৰ প্ৰতি ভক্তি।
প্ৰযুক্তিবিদ — প্ৰয়োগ বিজ্ঞানবিদ; উৎপাদন, নিৰ্মাণাদিত পাৰদৰ্শী ব্যক্তি।
প্ৰশংসা — ভাল কাৰ্য বা গুণৰ শলাগনি।
প্ৰায়োগিক — ব্যাৱহাৰিক।

## ব

বক্তৃতা — ভাষণ।
বৰটোপ — ডাঙৰ হিলৈ।
বৰ্ষণ — বৰষুণ হোৱা কাৰ্য।
বৰ্হমথুৰি — বৰমথুৰি (ইয়াৰ থুৰিবোৰ চোবাই ছোৱালীয়ে ওঁঠ ৰঙীন কৰে)।
বলীয়ান — বলযুক্ত।
বহুমুখী — নানা বিষয়ত ব্যুৎপত্তি থকা।
বাতিল — অগ্ৰাহ্য; বন্দ; বাদ দিয়া কাৰ্য।
বাঁহত চাত — গৰু বিহুৰ দিনা গৰু গা ধুৱাবলৈ নিওঁতে তাৰ গাত মাৰিবলৈ লাও, কেৰেলা, বেঙেনা, হালধি আদি সি সোৱা দুই-তিনি ফেৰেঙনি থকা বাঁহৰ কামীৰ শলা।
বিজ্ঞ — জ্ঞানী; নিপুণ।
বিতুষ্ট — অসন্তুষ্ট।
বিশ্ববৰেণ্য — গোটেই বিশ্বতে খ্যাত।
বিষাদপূৰ্ণ — বিষাদেৰে ভৰা; শোকযুক্ত।
বুদ্ধিমত্তা — বোধ শক্তি; বুজা শক্তি।
বেজ — বৈদ্য; ভেষজাদিৰে চিকিৎসা কৰোঁতা।
ব্যক্ত — প্ৰকাশিত; কোৱা।
ব্যাকুলতা — আকুলতা; অস্থিৰতা।

## ভ

ভমকা — ডাঙৰ আৰু উজ্জ্বল (কাপোৰত বছা ফুল)।
ভলভলীয়া — পেটত কথা নৰখা; সৰহকৈ কথা কোৱা।
ভাণ্ডাৰ — ভঁৰাল।
ভাৰসাম্য — বৰ্তি থাকিবলৈ কৰা প্ৰয়াস। (২) প্ৰকৃতিৰ স্বাভাৱিক নিয়ম।
ভিৰাই লৰ মাৰ্ — উলটি বা ঘূৰি লৰ মাৰ্।
ভুতুক ভাতাক — ভাত উতলাৰ শব্দ।

## ম

মটক মাটাক — তামোল চোবোৱাৰ শব্দ।
মণিকূট — নামঘৰৰ পুব বা উত্তৰ মূৰে লগাই মূৰ্তি বা ধৰ্মপুথি থোৱা সৰু ঘৰ।
মনুষ্য — মানব; মানুহ।
মনোনিৱেশ — কোনো বিষয়ত মনপুতি লগা কাৰ্য।
মহলা — বিদ্যালয়ৰ শ্ৰেণী। (২) পৰীক্ষা।
মহীয়সী (স্ত্ৰী লিংগ) — মহান।
মাখিয়তী — এবিধ লতা চানেকীয়া সৰু গছ।
মায়াময় — মোহযুক্ত; ভ্ৰান্তিময়।
মিত্ৰামিত্ৰ — বন্ধু আৰু শত্ৰু; মিত্ৰ আৰু অমিত্ৰ।
মূলমন্ত্ৰ — বীজমন্ত্ৰ; ঘাই মন্ত্ৰ। (২) কাৰ্য সাধনৰ দৃঢ় প্ৰতিজ্ঞা বা নিয়ম।

### য

**যৎপৰোনাস্তি** — যথাসাধ্য; অতিশয়; অত্যন্ত।
**যথাবিধি** — নির্দিষ্ট নিয়ম অনুসৰি।

### ৰ

**ৰচঙ্গা** — বং চৰ্চীয়া; নানা বৰণীয়া; বহুৰঙী।
**ৰসাল** — ৰস থকা। (২) সাৰুৱা (মাটি)। (৩) পঢ়ি ভাল লগা (সাহিত্য)।

### শ

**শান্তিয়নী** — শান্তি কৰা পানী।
**শিল্পকৰ্ম** — চাৰুকৰ্ম; চিত্ৰ, প্ৰতিমা আদি।
**শুদ্ধাশুদ্ধি** — শুচি আৰু অশুচি; শুদ্ধতা (নিকপকপ)।
**শূলবিদ্ধ** — খিয়ৈকৈ পোটা জোঙা বাঁহ বা কাঠত বহুওৱা।
**শৃংখলমুক্ত** — শিকলি খুলি দিয়া।
**শৈলী** — ধৰণ; নিজস্ব পদ্ধতি।

### স

**সংকলন** — একত্ৰীকৰণ। (২) কবিতা আদি সংগ্ৰহ কৰি প্ৰকাশ কৰা পুথি।
**সংগঠন** — বিশেষ উদ্দেশ্যত বহু সভাই লগ হৈ কৰা সংঘ।
**সংগোপনে** — লুকাই; মনে মনে।
**সংৰক্ষণ** — ভালকৈ ৰখা কাৰ্য।
**সংশোধন** — নিৰ্ভুলকৰণ; পূৰ্বৰ ভুল শুধৰোৱা কাৰ্য।
**সন্তৰ্পণে** — মনে মনে। (২) সন্তোষ দি।
**সম্বোধন** — আহ্বান; মতা কাৰ্য বা মাত।
**সৰ্বশক্তিমান** — আটাইতকৈ শক্তিমান। (২) পৰমেশ্বৰ।
**সসন্মানে** — সন্মানেৰে সৈতে।
**সহানুভূতিশীল** — সমব্যথী; আনৰ সুখ-দুখত পীড়া অনুভৱ কৰোঁতা।
**সাঁচি** — সঞ্চয় কৰি।
**সাধন** — কাৰ্য সম্পূৰ্ণকৰণ।
**সান্ত্বনা** — প্ৰবোধ; দুখ গুচোৱা প্ৰয়াস।
**সান্নিধ্য** — সংগ; সামীপ্য।
**সাৰ্থক** — সফল; উদ্দেশ্য সিদ্ধি হোৱা।
**সাৱলীলভাবে** — অনায়াসে; স্বচ্ছন্দে।
**সীৰলু** — হাল বোৱাত নাঙলে কৰা লোৰ; সীৰলু।
**সুগৰ** — পৰিষ্কাৰ; ভাল গঢ়যুক্ত।
**সুচল** — সুগম; উজু; গমনত বাধা নথকা।
**সুঁতি** — নৈৰ সৰু ঠেঙুলি; সৰু সোঁতা।
**সুমিষ্ট** — বৰ মিঠা; বৰ সোৱাদ।
**সুৰুঙা** — বিন্ধা; জলঙা।
**সুস্বাদু** — বৰ সোৱাদ।
**সূত্ৰপাত** — কোনো কাৰ্যৰ আৰম্ভণ বা আয়োজন।
**সেৱা-সংকাৰ** — পৰিচৰ্যা; আলপৈচান; শুশ্ৰূষা।
**সৌম্য** — শান্ত; চন্দ্ৰৰ পোহৰৰ নিচিনা শীতল।
**স্নাতক** — উচ্চ শিক্ষাৰ অন্তত উপাধি পাওঁতা; 'গ্ৰেজুৱেট্'।
**স্পৰ্শ** — পৰশ; হাতেৰে ছোৱা কাৰ্য।
**স্মৰণ** — মনত পেলোৱা কাৰ্য; সোঁৱৰণ।
**স্বকীয়** — নিজা; আপোনাৰ।
**স্বচ্ছল** — চলাচলৰ অসুবিধা নথকা।
**স্বৰ্ণকাৰ** — সোণাৰী; সোণৰ অলঙ্কাৰ গঢ়োঁতা লোক।
**স্বৰ্ণালংকাৰ** — সোণৰ অলংকাৰ।

### হ

**হতভম্ব** — কিংকৰ্তব্যবিমূঢ়; কি কৰোঁ কি নকৰোঁ সিদ্ধান্ত ল'ব নোৱৰা।
**হতাশা** — আশাশূন্য অৱস্থা; নৈৰাশ্য।
**হাড়ে-হিমজুৰে** — অন্তঃকৰণেৰে।
**হাত নাও** — হাতেৰে বঠা মাৰি চলোৱা সৰু নাও।
**হিত** — উপকাৰ; মঙ্গল; কল্যাণ।
**হাস্যব্যঙ্গাত্মক** — হাঁহিৰ লগত ঠাট্টা-বিদ্ৰূপ থকা।

Q8V7M7

# চৰাই চিনি লওঁ আহা



সৰু বগা কপালৰ ধূতৰাজ



ৰঙীঢেৰা, বগাঢেৰা



হাড়গিলা



ডাউক



শগুন



শিলখোঁচৰা

# শিক্ষাৰ অধিকাৰ আইন, ২০০৯ ৰ মূল বাৰ্তা

**শিশুৰ শিক্ষাৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ........................**

- ৬-১৪ বছৰ বয়সৰ সকলো শিশুৰ বাবে ৮ বছৰীয়া বিনামূলীয়া, বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰা।
- বিদ্যালয়ত নামভৰ্তিৰ বাবে যিকোনো ধৰণৰ মাচুল লোৱাটো দণ্ডনীয়।
- নামভৰ্তিৰ বাবে বদলি বা জন্মৰ প্ৰমাণ-পত্ৰ অন্তৰায় হ'ব নোৱাৰে।
- ভাষা, ধৰ্ম, লিংগ, জাতি, বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম-আচৰণ আৰু সকলোৰে শিক্ষাৰ দিহা কৰা।
- বিদ্যালয়ত কোনো শিশুকে শাৰীৰিকভাৱে আৰু মানসিকভাৱে নিৰ্যাতন কৰিব নোৱাৰিব; অন্যথা সেৱা বিধি অনুসৰি অনুশাসনমূলক ব্যৱস্থা লোৱা হ'ব।
- প্ৰাথমিক শিক্ষা সম্পূৰ্ণ হোৱাৰ পাছত প্ৰতিটো শিশুকে প্ৰমাণ-পত্ৰ প্ৰদান কৰা।
- বিদ্যালয়ত পৰিচালনা সমিতিয়ে পৰ্যাপ্ত শ্ৰেণীকোঠা, বিশুদ্ধ খোৱা পানী, শৌচাগাৰৰ সু-ব্যৱস্থা, নিৰাপদ বিদ্যালয় গৃহ, আচবাব, খেলপথাৰ আৰু খেলা সা-সামগ্ৰী, পুথিভঁৰাল সঠিক শিকন-শিক্ষণ সামগ্ৰী, দুপৰীয়াৰ আহাৰ আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন বিদ্যালয় চৌহদ থকাটো নিশ্চিত কৰা।
- উপযুক্ত বয়সৰ সকলো শিশুকে সংশ্লিষ্ট পিতৃ-মাতৃ বা অভিভাৱকে চুবুৰীয়া বিদ্যালয়লৈ পঠিওৱাটো দায়িত্ব আৰু কৰ্তব্য।

## এইড্‌ছ (AIDS) —

এইড্‌ছ (Acquired Immuno Deficiency Syndrome) হৈছে কিছুমান বেমাৰৰ লক্ষণৰ সমষ্টি। এইচ্ আই ভি (HIV) সংক্ৰমণৰ ফলত যেতিয়া শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস পায় বা একেবাৰে নোহোৱা হৈ পৰে, তেতিয়াই মানুহৰ শৰীৰক যিকোনো বেমাৰৰ বীজাণুৱে সহজেই আক্ৰমণ কৰিব পাৰে আৰু ইয়াৰ ফলত বিভিন্ন ৰোগৰ লক্ষণে দেখা দিয়ে। শৰীৰৰ এই অৱস্থাকেই এইড্‌ছ বোলা হয়। এই লক্ষণ বিয়পাৰ বিভিন্ন কাৰণ আছে। তাৰে ভিতৰত আমি বিশেষভাৱে জানিবলগীয়া কথা হ'ল — এইচ্ আই ভি আক্ৰান্ত ব্যক্তিয়ে ব্যৱহাৰ কৰা বেজী পৰিশোধন নকৰাকৈ বহুজনে ব্যৱহাৰ কৰা অনুচিত।

**শিক্ষা (প্ৰাথমিক) বিভাগ**
**অসম চৰকাৰ**